Assam
Legislative Assembly
Debates



OFFICIAL REPORT

ELEVENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

SEPTEMBER
BUDGET SESSION

No. 6

The 25th September, 1995

Price—Rs. 117·00

CONTENTS

SEPTEMBER
BUDGET SESSION

No. 6

Dated, the 25th September, 1995

		PAGE
1.	Questions and Answers	1 – 62
2.	Discussion During Zero Hour	62 – 81
3.	Notice of Privilege Motion	81 – 86
4.	Report of the All Party Delegation	86 – 89
5.	Call Attention Notice	89 – 90
6.	Matter under Rule 201	90 – 92
7.	Laying of Statement	92 – 94
8.	Introduction of Government Bills	94 – 95
9.	Laying of Statement	95
10.	Introduction of Government Bill	95 – 96
11.	Laying of Statement	96
12.	Introduction of Government Bills	97 – 99
13.	Consideration and passing of Government Bills	99 – 129
14.	Government Resolution	129 – 136
15.	Adjournment	136
16.	Appendix	137 – 489

Monday, the 25th September, 1995

The House met at 9 A. M. of the Clock in the Assembly Chamber at Dispur with Prof. Debesh Chakravarty. Speaker in the Chair.

STARRED
QUESTIONS AND ANSWERS
(To which oral replies were given)

Mr. Speaker : Question No. 101. Questioner Shri Mission Ranjan Das. Hon'ble Chief Minister to reply.

Re : AVAILABLE OF COTTON.

Shri Mission Ranjan Das asked :

★ 101. Will the Minister of Weaving be pleased to state.

(a) Is it a fact that Weavers in the State are not getting Cotton as per their requirement ?

(b) If yes, what are the step taken by the Government to make Cotton available to the Weavers.

Shri Hiteswar Saikia (Chief Minister) replied :

(a) No.

(b) Does not arise.

★ শ্রীমিশ্বনৰঞ্জণ দাস : মাননীয় অধ্যক্ষ মহোদয়, প্রশ্নৰ উত্তৰটো যি ভাবে দিয়া হৈছে সেইটো শুদ্ধ নহয়। কিয়নো কৰিমগঞ্জ জিলাত যোৱা ৬ মাহ মানৰ পৰা প্ৰায় সকলো বিলাক তাঁত বন্ধ হৈ আছে। তেওঁলোকে সুতা নাপায়। মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো কি কাৰণত শিপিনী সকলে সুতা নাপায় আৰু তেওঁবিলাকে সুতা পোৱাৰ কাৰণে চৰকাৰে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে।

★ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, প্রশ্নটো কটন বুলি কৈছিল। আচলতে ইয়াৰ বুলি কব লাগিছিল। কটন

দিয়াৰ কাৰণে চৰকাৰী ভাবে কোনো ব্যৱস্থা নাই। ইয়াৰ্ব কাৰণে বেলেগ প্ৰশ্ন লাগিব। কটন লাইচেন্সি আৰু মিৰিজিমৰ কাৰণে দিয়া হয়।

★ শ্ৰীমিশ্বনৰঞ্জন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, কটন ষিটো তাঁতী সকলে ব্যৱহাৰ কৰে সেইটোৱেই কটন ইয়াৰ্ন। এতিয়া কটনেই হওক বা ইয়াৰ্নেই হওঁক তাঁতী সকলে নোপোৱাৰ ফলত অসুবিধা হৈছে। এইটো দিয়াৰ কাৰণে চৰকাৰে ব্যৱস্থা লবনে ?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, তাৰ কাৰণে ব্যৱস্থা আছে। ভালেকেইখন কো-অপাৰেটিভ আছে। ইয়াৰ্ন যোগান দিয়াৰ বাবেও দুটা আঁচনি আছে। তেখেতে যিহেতু প্ৰশ্নটো আনিছে মই তদন্ত কৰি ব্যৱস্থা লম।

Mr. Speaker : Now Starred Question No. 102. Questioner Shri Milan Boro. Hon'ble Chief Minister is to reply.

বিষয় : হেণ্ডলুম টেক্সটাইল আঁচনিৰ বাবে আৱণ্টিত ধন।

শ্ৰীমিলন বড়োই সুধিছে ঃ

★ ১০২। মাননীয় হস্ততাঁত আৰু বস্ত্ৰ শিল্প বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰপেটা জিলাৰ বাবে ১৯৯১ ৯২, ৯২ ৯৩, ৯৩-৯৪, ৯৪-৯৫ বিত্তীয় বৰ্ষ বিলাকত হেণ্ডলুম টেক্সটাইল বিভাগে বিভিন্ন আঁচনি ৰূপায়নৰ বাবে কিমান ধন আৱণ্টন কৰিছিল আৰু উক্ত আৱণ্টিত ধনৰ কিমান মোকলাই দিয়া হৈছিল জনাবনে ?

(খ) উক্ত মোকলাই দিয়া ধনসমূহ কোন বিলাক আঁচনি ৰূপায়নত কিমান পৰিমানে খৰছ কৰা হৈছিল বিতং তালিকাসহ জনাবনে ?

(গ) ১৯৯৫-৯৬ বিত্তীয় বৰ্ষত বৰপেটা জিলাৰ বাবে কিমান ধন আৱণ্টন কৰা হৈছে আৰু উক্ত ধন কোন বিলাক আঁচনি ৰূপায়নত কিমান পৰিমাণ খৰছ কৰা হব জনাবনে ?

---

* Speech not corrected

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

(ক) বৰপেটা জিলাৰ বাবে হস্তত'ত আৰু বস্ত্রশিল্প আৰু বেচম বিভাগৰ অধীনত বিভিন্ন আঁচনি ৰূপায়নৰ বাবে হস্তত'ত বস্ত্র শিল্প সঞ্চালকালয়ৰ অধীনত আৰু বেচম সঞ্চালকালয়ৰ অধীনত ১৯৯১ চনৰ পৰা ১৯৯৫ চনলৈ আৱণ্টন আৰু মোকোলাই দিয়া ধনৰ পৰিমাণ এনে ধৰণৰ :

হস্তত'ত বস্ত্রশিল্প সঞ্চালকালয়ৰ অধীনত

বছৰ	আৱণ্টিত ধনৰ পৰিমাণ	মোকোলাই দিয়া ধনৰ পৰিমাণ
১৯৯১-৯২ চনত	১১,৪৮,৪১৮/- টকা	১১,৪৮,৪১৮/- টকা
১৯৯২-৯৩ ,,	২৫,৩৬,৬৯৫/- ,,	২৫,৩৬,৬৯৫/- ,,
১৯৯৩-৯৪ ,,	২৮,৫৯,৩৪৮/- ,,	২৮,৫৯,৩৪৮/- ,,
১৯৯৪-৯৫ ,,	৭৫,৮৮,৫০০/- ,,	৪২,৫৩,০০০/- ,,

বেচম সঞ্চালকালয়ৰ অধীনত

বছৰ	আৱণ্টিত ধনৰ পৰিমাণ	মোকোলাই দিয়া ধনৰ পৰিমাণ
১৯৯১-৯২	মুঠ ৪.৪৫০ লাখ টকা	মুঠ ৩.০৬২ লাখ টকা
১৯৯২-৯৩	মুঠ ৬.৭৫ লাখ টকা	মুঠ ৫.৯৮১০৭ লাখ টকা
১৯৯৩-৯৪	মুঠ ৮.১ লাখ টকা	মুঠ ৬.০২০৭৩ লাখ টকা
১৯৯৪-৯৫	মুঠ ৮.৫৯ লাখ টকা	মুঠ ৭.২২৮৭ লাখ টকা

(খ) মোকোলাই দিয়া ধন হস্তত'ত বস্ত্রশিল্প সঞ্চালকালয়ৰ অধীনত আঁচনি অনুসাৰে প্র-পত্র 'ক' আৰু 'খ'ত দেখুৱা ধৰণে আৰু বেচম সঞ্চালকালয়ৰ অধীনত প্র-পত্র 'গ'ত দেখুওৱা ধৰণে খৰচ কৰা হয়। (প্র পত্রবোৰ সদনৰ মেজত দাখিল কৰা হ'ল)

(See the Annexure—I)

(গ) ১৯৯৫-৯৬ বিত্তীয় বছৰত হস্তত'ত বস্ত্রশিল্প সঞ্চালকালয়ৰ অধীনত মুঠ ৩৯.২৫৩ আৰু বেচম সঞ্চালকালয়ৰ অধীনত ১০.৬০ লাখ টকা আৱণ্টন দিয়া হৈছে। ইয়াৰ উপৰিও B.A.C. এলেকাত বেচম উন্নতি আৰু সম্প্রসাৰণৰ কাৰণে ৬.৩০ লাখ টকা আৱণ্টন দিয়া হৈছে।

উক্ত ধন বিভিন্ন অঁচনিত কেনেদৰে খৰচ কৰা হয় তাৰ তালিকা 'চ' (বেচম সঞ্চালকালয়) 'ছ' ত (হস্ততাঁত বস্ত্র শিল্প) দেখুৱা হ'ল। (প্র-পত্র সদনৰ মেজত দাখিল কৰা হ'ল)

(See the Annexure – II)

শ্রীমিলন বড়ো ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্রী মহোদয়ে ১৯৯১-৯২, ১৯৯২-৯৩, আৰু ১৯৯৩-৯৪ বিত্তীয় বছৰৰ সকলো ধন মুকলি কৰি দিয়া হৈছে বুলি সদনত জনাইছে কিন্তু এই ধন সমূহ খৰচৰ ক্ষেত্রত দুখীয়া শিপিনী সকলক বিভিন্ন সা-সজুলি যোগান ধৰাৰ কি নীতি আছে বিশেষকৈ সাধাৰণ শ্রেণীৰ হিতাধিকাৰীক কোনে নির্বাচন কৰে জনাবনে ?

★ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, বাচনিষ ক্ষেত্রত কমিটি আছে। সেই কমিটিয়ে বাচি দিয়ে।

★ শ্রীমিলন বড়ো ঃ মাননীয় অধ্যক্ষ মহোদয়, এচ চি, এচ-টিষ ক্ষেত্রত হিতাধিকাৰী নির্বাচন আই-টি ডি পি আৰু ওৱেলফেয়াৰ বোৰ্ড, এডভাইচৰি বোৰ্ড আছে কিন্তু সাধাৰণ শ্রেণীৰ হিতাধিকাৰী নির্বাচন কৰাৰ ক্ষেত্রত জিলা পর্য্যায়ত অন্ততঃ বৰপেটা জিলাৰ ক্ষেত্রত জিলাখনৰ বিধায়ক বা মন্ত্রী সকলৰ লগত সেই কমিটিয়ে কোনো যোগাযোগ ৰখা নাই। ফলত উক্ত অঁচনিৰ দ্বাৰা হিতাধিকাৰীসকল উপকৃত হব পাৰিছে নে নাই সেইটো অৱগত নহয়। গতিকে সাধাৰণ শ্রেণীৰ হিতাধিকাৰী নির্বাচনৰ ক্ষেত্রত বিধায়ক আৰু মন্ত্রী সকলক যোগাযোগ কৰা হব লাগে।

★ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিলাক বিভাগীয় কমিটিয়ে কৰে। জিলা পর্য্যায়ত কমিটি আছে। উপায়ুক্ত সেই কমিটিৰ চেয়াৰম্যান। সেই কমিটিয়ে হিতাধিকাৰী বাচি দিয়ে। কমিটিৰ বিষয়াসকলক স্থানীয় বিধায়ক সকলোকে যোগাযোগ কৰিবলৈ কম।

★ শ্রীমিলন বড়ো ঃ মাননীয় অধ্যক্ষ মহোদয়, সাধাৰণ শ্রেণীৰ হিতাধিকাৰী সকল প্রায়েই দেখা যায় এল-পি, এম-ই বা হাইস্কুলৰ শিক্ষক সকলৰ গৃহিণী। যিসকল শিপিনী আছে তেওঁলোককতে নির্ব্বাচন

* Speech not corrected

কৰা দেখা যায়। গাঁৱঁৰ ভিতৰুৱা অঞ্চলৰ যিসকল শিপিনী দুখীয়া গৰীৱ সেই সকলে লাভবান হব পৰা নাই। গতিকে সাধাৰণ শ্রেণীৰ হিতাধিকাৰী নিৰ্ব্বাচনৰ ক্ষেত্রত জিলাখনৰ বিধায়ক সকলোকো যোগাযোগ যাতে ৰাখে সেইটো নিশ্চিত কৰিব লাগে।

★ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, কমিটিখনৰ চেয়াৰম্যান হ'ল উপায়ুক্ত। চৰকাৰী বিষয়াৰ উপৰিও স্থানীয় নেতৃস্থানীয় ব্যক্তি ৰাইজৰ ফালৰ পৰা কমিটিৰ ভিতৰত আছে। স্থানীয় বিধায়ক সকলোকো যোগাযোগ ৰাখিবলৈ কোৱা হব।

★ শ্রীমিলন বড়ো : মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় মুখ্যমন্ত্রী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে মোৰ সমষ্টিভ হাঁহচৰা নামৰ এখন বেচম পাম আছে। বৰো আন্দোলনৰ সময়ত সেই ফাৰ্মখন নষ্ট হৈছিল। বিভাগীয় কৰ্ত্তৃপক্ষৰ লগত যোগাযোগ কৰাৰ পিচতো সেই পামখন কৰিব পৰা নাই। ১৯৯৪-৯৫ চনৰ আবণ্টিত ধনৰ প্রায় ৮০ শতাংশ ধন মোকোলাই দিয়া বুলি কৈছে। গতিকে আজিলৈ কিয় হোৱা নাই অনুসন্ধান কৰিব লাগে। আৰু মই জনাত হাঁহচৰা বেচম ফাৰ্মখনৰ আৱণ্টিত ধনৰ কেইজনমান কৰ্মচাৰীয়ে নিজে আত্মসাৎ কৰিছে। গতিকে মই মাননীয় মুখ্যমন্ত্রী মহোদয়ক অনুৰোধ কৰিছো যাতে অনুসন্ধান কৰি এটা ব্যৱস্থা লয়।

★ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, এগ্রি কৰা হব।

★ শ্রীমতী ৰেণুপমা ৰাজখোৱা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্রীয়ে কৈছে যে অহা দিনবোৰত এই কমিটিবিলাকত বিধায়ক সকলক জৰিত কৰা হব। বিধায়ক সকলৰ লগতো আলোচনা কৰি তালিকা প্রস্তুত কৰা হব। এতিয়া মই মুখ্যমন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে যোৱা ৪-৫ বছৰত যি শিপিনীয়ে আচলতে সুবিধা পাব লাগিছিল সেই বিলাক শিপিনীয়ে পাইছে নে নাই। এই ৪ বছৰত যিখন কমিটি গঠন কৰি দিয়া হৈছে সেই কমিটিখনে প্রকৃত বোৰনী সকলক সুতা দিছে নে নাই। কাৰণ আমাৰ যোৰহাট জিলাতো সুতা পোৱা নাই।

---

* Speech not corrected

★ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, সাধাৰণতে বিভাগীয় বিষয়া সকলে পৰামর্শ দিয়ে আৰু সেই পৰামর্শ মতে কমিটিয়ে শিপিনী বাছনি কৰে। বিষয়াসকলে সকলো বিলাক চাই মেলি থাকে। তেখেতে যিটো কৈছে আজিকালি পঞ্চায়ত, আঞ্চলিক পঞ্চায়তৰ সদস্য সকলকো অন্তর্ভুক্ত কৰি কমিটি গঠন কৰি দিয়া হব।

★ শ্রীপানীৰাম বাতা : মাননীয় অধ্যক্ষ মহোদয়, যিবিলাক তাঁত শাল শিপিনী সকলক দিয়া হয় সেই তাঁতশাল বিলাকৰ মানদণ্ড অতি বেয়া। এই তাঁতশালত শিপিনীয়ে কাপোৰ বব নোৱাৰে। এইবিলাকৰ মানদণ্ড উন্নত কৰাৰ ব্যৱস্থা কৰিব নেকি? আৰু মুখ্যমন্ত্রীয়ে কৈছে যে প্রত্যেক সমষ্টিৰ বাবে ২০ হাজাৰ টকাকৈ শিপিনী ঘৰ সজাৰ কাৰণে ব্যৱস্থা কৰিছে। এই বিলাক সোনকালে দিয়াৰ ব্যৱস্থা কৰিব নেকি?

★ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, অসম চৰকাৰে অসমৰ শিপিনী সকলৰ বাবে ঘৰ সজাৰ এখনি আঁচনি হাতত লৈছে। প্রথম পর্যায়ত ৩০ হাজাৰ বোৱনী বাচিব লাগিব। সেই আঁচনি মতে এটা ঘৰৰ কাৰণে ২০ হাজাৰ টকা মঞ্জুৰি হব। ইয়াৰে ১৪ হাজাৰ চৰকাৰৰ অনুদান, ৫ হাজাৰ লোন হব আৰু ১ হাজাৰ ইন্দিৰা বিকাশ পত্র। এইবিলাক বাচনি কৰাৰ কাৰণে ডি, চি সকলক দিয়া হৈছে। সমষ্টি-ভিত্তিত বাচনি কৰাৰ কাৰণে কোৱা হৈছে।

★ শ্রীব্রহ্মেন্দ্র নাৰায়ণ কলিতা : মাননীয় অধ্যক্ষ মহোদয়, অসমত যিবিলাক উইভিং এক্সটেনচন চেণ্টাৰ আছে সেইবিলাকৰ পৰা দুখীয়া বোৱনী সকল যথেষ্ট উপকৃত হৈছে। যোৱা ৪ বছৰত সূতা নিদিয়া কাৰণে আৰু ফাণ্ড নোহোৱাৰ কাৰণে উইভিং চেণ্টাৰ বিলাক বন্ধ হৈছে। যাৰ ফলত দুখীয়া বোৱনী সকল বঞ্চিত হৈছে। গতিকে মুখ্যমন্ত্রী মহোদয়ে এই ক্ষেত্রত তৎকালীন ভাৱে ফাণ্ড দি চেণ্টাৰ বিলাক খোলাৰ ব্যৱস্থা কৰিব নেকি?

★ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, এই ব্যৱস্থা

---

* Speech not corrected

আমাৰ আছে। ভালেকেইখন কো'অপাৰেটিভৰ জৰিয়তে দিয়া হয়। আগতে ব্ৰহ্মপুত্ৰ উইভাৰ্চ এচোছিয়েচনে সূতা বিতৰণ কৰিছিল। চি, বি, আয়ে কেচ দিয়াৰ পিচত মেটাৰটো বন্ধ হৈ আছে। সেই বিলাক নিষ্পত্তি কৰিলে আশা ৰাখিছো সোনকালে দিব পৰা হব।

★ শ্ৰীবৰ্গৰাম দেউৰী : মাননীয় অধ্যক্ষ মহোদয়, হেণ্ডলুম আৰু টেক্সটাইলত ট্ৰেইনিং দিয়াৰ কাৰণে এখন আঁচনি লৈছে। এই আঁচনি কাৰ্য্যকৰী হ'ল নে নাই। যদি হোৱা নাই কেতিয়া হ'ব।

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই জনামতে বিভিন্ন ঠাইত কেন্দ্ৰ খুলি প্ৰাৰম্ভিক কাম আৰম্ভ কৰিছে।

Mr. Speaker : Now starred question No. 103. Questioner Shri Parameswar Brahma, Hon'ble Chief Minister to reply.

Re : D. A, T. A and other allowances.

Shri Parameswar Brahma asked :

★ 103. Will the Chief Minister be pleased to state :

(a) For what years D.A. T.A and other Allowances have not been paid to PSOS engaged for VIP securty duities.

(b) If it is not paid yet will they be paid immediately and timely.

Shri Hiteswar Saikia (Chief Minister) replied :

(a) Paid upto 31st March, 1995.

(b) Does not aris.

★ শ্ৰীজীউৰাম বৰো : মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে ১৯৯৫ চনৰ মাৰ্চ মাহলৈ দিয়া হৈছে। মুখ্যমন্ত্ৰীয়ে বোধহয় এতিয়া অৰ্ডাৰ দিছে। মই জনামতে আমাৰ লগত থকা বহুতো দুখীয়া পি, এচ, ওয়ে, টি, এ আৰু দি, এ পোৱা নাই। তেখেত সকলক দিয়াৰ ব্যৱস্থা কৰিব নেকি ? কিছুমান পি, এচ, ও সন্ত্ৰাসবাদীৰ হাতত মৰিছে। তেওঁলোকেও টি, এ নোপোৱাকৈ থাকিল। গতিকে এইবিলাকক সোনকালে দিয়াৰ ব্যৱস্থা কৰিব নেকি ?

* Speech not corrected

★ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, কেইবা বছৰ দিয়া হোৱা নাছিল। ১৯৯৫ চনত ক্লিয়াৰ কৰিছে। কিছুমান ঠাইত পোৱা নাই যদিও পূজাৰ আগতে দিবলৈ কৈছো।

★ শ্রীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, ইয়াত ভি. আই, পি সকলৰ কথাহে কোৱা হৈছে। যিসকল পি, এচ ও চাৰফা, কংগ্রেছ সদস্য বা আন কাৰোবাৰ লগত আছে তেওঁলোকৰ কথা কোৱা হৈছে নে নাই।

★ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, সকলোৰে কাৰণে কোৱা হৈছে। অকল ভি, আই, পি, বুলি নহয়। ১ কোটি ৭৫ হাজাৰ টকা ৰিলিজ কৰা হৈছে।

(Starred Question No. 104 was lapsed)

Mr. Speaker : Now, starred question No. 105. Questioner Shri Parimal Suklabaidya. Hon'ble Chief Minister to reply.

বিষয় : বিজ্ঞাপনৰ বাবে চৰকাৰৰ পৰা পাবলগীয়া টকা।

শ্রীপৰিমল শুক্ল বৈদ্যই সুধিছে :

★ ১০৫। মাননীয় তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) ৰৰাক উপত্যকাত কিমান বাতৰি কাকত প্রকাশ হয় ?

(খ) উক্ত বাতৰি কাকত সমূহে বিজ্ঞাপনৰ বাবে চৰকাৰৰ পৰা টকা পাবলগীয়া আছে নেকি ?

(গ) যদি আছে তেনেহ'লে কোন কোন কাকতে কিমান টকা পাব আছে আৰু কি কাৰণত এতিয়ালৈ আদায় দিয়া হোৱা নাই জনাবনে ?

(ঘ) যদি উক্ত টকা সমূহ আদায় দিয়াৰ ইচ্ছা আছে তেনেহলে কিমান দিনৰ ভিতৰত আদায় দিব ?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

(ক) চৰকাৰৰ হাতত থকা তথ্য অনুযায়ী ৰৰাক উপত্যকাৰ পৰা চৰকাৰী অনুমোদন প্রাপ্ত মুঠ ৩১ খন বাতৰি কাকত প্রকাশ হয়।

★ Speech not corrected

(খ) হয়, আছে।

(গ) এই বাতৰি কাকত সমূহে বিজ্ঞাপনৰ বাবদ পাবলগীয়া টকাৰ বিস্তৃত হিচাবৰ তালিকা এখন গাঠি দিয়া হ'ল। পর্যাপ্ত পৰিমানৰ পূঁজিৰ অভাৱৰ বাবে বিজ্ঞাপনৰ ধন সম্পূর্ণৰূপে আদায় দিব পৰা হোৱা নাই। (See the Annexure—III)

(ঘ) পর্যায়ক্রমে এই টকা আদায় দিয়াৰ ব্যৱস্থা কৰা হৈছে।

★ শ্রীপৰিমল শুক্ল বৈদ্য : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্রী মহোদয়ৰ পৰা জানিবলৈ বিচাৰিছো যে ৰবাকভেলীৰ কাকতবিলাকে মুঠ পাবলগীয়া কিমান টকা আছে ?

★ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, পর্যায়ক্রমে দি থকা হৈছে—মুঠ ৫৭ লাখ ২৩ হেজাৰ ৮৪৫ টকা দিব লগা আছে :

★ শ্রীপৰিমল শুক্ল বৈদ্য : মাননীয় অধ্যক্ষ মহোদয়, ৰবাকভেলীৰ এই বাতৰি কাকত বিলাকৰ বিজ্ঞাপনৰ পাবলগীয়া টকা এতিয়াও দিয়া হোৱা নাই। এই বাতৰি কাকত বিলাক সক সক বাতৰি কাকত। এই বাতৰি কাকত বিলাকে বিজ্ঞাপনৰ টকা বিলাক নোপোৱাত বন্ধ হৈ যাবৰ উপক্রম হৈছে। মাননীয় মুখ্যমন্ত্রীয়ে জনাব নেকি যে কেতিয়াৰ ভিতৰত এই টকা পইচা বিলাক দিয়া হব ?

★ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, টকা দি থকা হৈছে। ১৯৯২-৯৩ চনত ৮ লাখ ৬৭ হেজাৰ ২৫৬ টকা বিলিজ কৰিছে। সেইদৰে ১৯৯৩-৯৪ চনত ১০ লাখ ১৫ হেজাৰ ৮৯১, ১৯৯৪-৯৫ চনত ১৯ লাখ ৫৫ হেজাৰ আৰু বৰ্ত্তমান ১৩ লাখ ৬ হেজাৰ মুঠ ৪১ লাখ ৬ হেজাৰ ৩০৯ টকা দিয়া হৈছে।

Mr. Speaker : Now, starred question No. 106. Questioner Shri Munin Mahanta and Hon'ble Chief Minister to reply.

বিষয় : চৰকাৰী ছপাশালি।

শ্রীমুনিন মহন্তই সুধিছে :

★ ১০৬। মাননীয় ছপা আৰু লেখন সামগ্রী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

★ Speech not corrected

(ক) চৰকাৰী ছপাশালত বৰ্ত্তমান চৰকাৰী সকলো কাগজ, ফৰ্ম বা অন্যান্য চৰকাৰী নথিপত্ৰৰ ছপা কাৰ্য্যৰ সম্পূৰ্ণৰূপে চাহিদা পূৰণ কৰেনে ?

(খ) বৰ্ত্তমান ছপাশালত অচল হৈ থকা ছপা মেচিন কেইটা আছে আৰু চালু হৈ কিমানটা আছে ?

(গ) (ক) প্ৰশ্নৰ উত্তৰ যদি নকৰে, হয় ব্যক্তিগত ছপাশালটো চৰকাৰী কাম কাগজৰ বাবে ব্যৱহৃত হয় নেকি ?

(ঘ) যদি হয়, যোৱা ৩ বছৰত অসম চৰকাৰৰ কিমান কামৰ অৰ্ডাৰ ব্যক্তিগত ছপাশালক দিয়া হৈছে ? (উক্ত প্ৰেছ সমূহৰ নাম, মালিকৰ নাম, ঠিকনা সহ তেওঁলোকে পোৱা অৰ্ডাৰৰ সংখ্যা, আদায় পোৱা ধনৰ পৰিমান জনাই সদনৰ মেজত দিব)।

(ঙ) যোৱা ৩ বছৰত চৰকাৰী ছপাশালে কৰা কাম কিমান ? আৰু তাৰ বাবে যোগান পোৱা কাগজৰ ৰিমৰ সংখ্যা আৰু বেচৰকাৰী ছপাশালে পোৱা কাগজৰ ৰিমৰ সংখ্যা কিমান ? (বিতং তথ্য সদনৰ মেজত দিব)।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিয়ে :

(ক) চৰকাৰী অনুসূচী (Schedule Form) প্ৰ পত্ৰ সম্পূৰ্ণভাগ আৰু নামসূচীৰ (Non-Schedule) প্ৰ পত্ৰৰ বেছিভাগৰেই ছপাকাৰ্য্য চৰকাৰী ছপাশালত কৰা হয়।

(খ) অসম্পূৰ্ণ অচল ছপা যন্ত্ৰ মুঠতে ৬ টা, সাময়িকভাৱে অচল ৬ (ছয়) টা আৰু কাৰ্য্যক্ষম অৱস্থাত থকা ছপাযন্ত্ৰৰ সংখ্যা ৩৩ টা।

(গ) প্ৰ-পত্ৰ আৰু কিছু অন্যান্য ছপাকামৰ বাবে ব্যক্তিগত ছপাশাল ব্যৱহৃত হয়।

(ঘ) আৰু (ঙ) সদনৰ মেজত দাখিল কৰা হৈছে।

(See the Annexure—IV)

শ্ৰীমুনিন মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, ঘ আৰু ঙ প্ৰশ্নৰ উত্তৰ এতিয়ালৈ টেবুলত অহা নাই। এই কথাটো সত্য নেকি যে চৰকাৰী ছপাশাল বিলাকত প্ৰ-পত্ৰৰ কাম ছপোৱা হয়। তাৰ বাবে ৰিম হিচাবে কাগজ দিয়া হয়। ব্যক্তিগত ছপাশালক 'ৰিম' হিচাবে কাগজৰ অৰ্ডাৰ দিয়াটো সঁচা নেকি ?

★ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, সেইটো আগতে হৈছিল এতিয়া যোগান ধৰা নাই। বে-চৰকাৰী ছপাশালৰ কাগজৰ বিলৰ সংখ্যা ১৯৯২ চনত ৪১১৪। ১৯৯৩ আৰু ১৯৯৪ চনত কোনো কাগজ দিয়া হোৱা নাই।

★ শ্রীমুনিন মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, এই সন্দর্ভত ১৯৯৩ চনত এডিশ্যানেল চেক্রেটৰী বি বৰুৱাই তদন্ত কৰি ব্যক্তিগত ছপাশালক দিয়াৰ সম্পর্কত তদন্ত কৰি এটা ৰিপোৰ্ট দাখিল কৰিছিল। আজি মাননীয় মুখ্যমন্ত্রীয়ে দিয়া উত্তৰৰ লগত অমিল যেন দেখিছো এই সম্পর্কে কব নেকি ?

★ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, ১৯৯২ চনলৈকে 'এনকুৱাৰী' কৰিছে। ১৯৯৩ চনত কোনো কাগজ দিয়া হোৱা নাই।

★ শ্রীমুনিন মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্রত পি, এণ্ড, এচ ডিপাৰ্টমেণ্টত মাননীয় মুখ্যমন্ত্রীৰ ভিজিলেঞ্চে তদন্ত কৰিছিল। এইটো দূনীতি সম্পর্ক অভিযোগৰ কথা। এই সম্পর্কে ভিজিলেঞ্চে কি কৰিছে ?

★ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, ভিজিলেঞ্চ চেলে এনকুৱাৰী কৰিছে। এইটো মই চাম।

★ শ্রীশশ কমল সন্দিকৈ : মাননীয় অধ্যক্ষ মহোদয়, ৰাজহুৱা কাৰণত কব লগা হৈছে যে এই প্র-পত্র সমূহ যেনে টেক্সৰ ফর্ম, ডি ফম আৰু ফৰেষ্টৰ টি পি চালান ফর্ম ব্যক্তিগত ছপাশালত ছপাইছিল নেকি ? যদি ছপাইছিল চৰকাৰী ছপাশালত ছপোৱা নহল কিয়। এইবোৰ অত্যন্ত গুৰুত্বপূর্ণ আৰু গোপনীয়।

★ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, ইয়াত কোৱা হৈছে যে চৰকাৰী ছপাশাল বিলাকে যেতিয়া কাম বিলাক সম্পূর্ণ কৰিব নোৱাৰে তেতিয়া বাহিৰৰ ছপাশালত দিয়া হয়। গোপনীয় কাম বিলাক বাহিৰৰ ছপাশালত কৰিবলৈ দিয়া নহয়।

★ শ্রীমুনিন মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, ছপাশালৰ দূনীতি মুক্ত কৰিব নে নাই ? সম্পূর্ণ কার্য্যক্ষম কৰিবলৈ ব্যৱস্থা লব নে নাই ?

---

* Speech not corrected

কেইটামান মেচিন অচল হৈ আছে, চৰকাৰে প্ৰয়োজনীয় ব্যৱস্থা কৰাৰ কাৰণে পৰিকল্পনা কৰিব নে নাই মুখ্যমন্ত্ৰী মহোদয়ে জনাব নে ?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটীৰ বামুনীমৈদানত অসম চৰকাৰৰ এটা ছপাশাল থকাৰ উপৰিও দিশপুৰত এটা মিনি প্ৰেছ আৰু যোৰহাটত এটা শাখা প্ৰেছ আছে। চৰকাৰৰ বিভিন্ন বিভাগত প্ৰয়োজন হোৱা চিডিউল আৰু নন-চিডিউল ফৰ্মৰ উপৰিও অসম চৰকাৰৰ ৰাজপত্ৰ অসম বিধান সভাৰ বিভিন্ন ৰিপোৰ্ট আদি, বাজেট, এক্ট, বিল, পুস্তিকা আদি চৰকাৰৰ অনুমোদিত বেচৰকাৰী ছপাশালটো মুদ্ৰন কৰা হয়। খুব কম সময়ৰ ভিতৰতে কেতিয়াবা ছপা কৰিবলগীয়া কাম থাকিলে আৰু চৰকাৰী ছপাশালত যদি আন কামত ব্যস্ত থাকিবলগীয়া হয়, নতুবা মুদ্ৰন যদি বহু ৰঙৰ কৰিবলগীয়া হয় তেতিয়া চৰকাৰৰ অনুমোদন লৈ তেনে কিছু কাম বেচৰকাৰী ছপাশালত কৰা হয়। অনুমোদিত বেচৰকাৰী ছপাশালৰ সংখ্যা মুঠতে ২২০ টা। তাৰে মুঠ ৩৬ টা এ কেটেগোৰী ভুক্ত, আৰু ১৩ টা আৰু ৪৫ টা যথাক্ৰমে বি আৰু চি কেটেগোৰী ভুক্ত।

চৰকাৰী ছপাশালত বৰ্ত্তমান মুঠ ৩৩ টা ছপাশাল আছে। মাজে সময়ে কিছু ছপা যন্ত্ৰৰ মেৰামতিৰ প্ৰয়োজন হয়। সকলুৰা মেৰামতি প্ৰেছৰ টেক্‌নিকেল শাখাৰ কৰ্মীৰ যোগেদি কৰা হয়। কেতিয়াবা মেনিফেক্‌চাৰিং ফাৰ্মৰ কাৰিকৰী লোকৰ দ্বাৰাও মেৰামতি কৰা হয়। প্ৰিণ্টিং টেকনোলোজিৰ পৰিবৰ্ত্তন হোৱাৰ লগে লগে আগতে ক্ৰয় কৰা সেই সময়ৰ আধুনিক ছপা যন্ত্ৰ বৰ্ত্তমান পুৰণিকন্ধীয়া হৈ পৰিছে। তেনে কিছুমান ছপা যন্ত্ৰৰ উৎপাদন বন্ধ হৈ যোৱাত স্পেয়াৰ পাৰ্চ পোৱা যথেষ্ট অসুবিধা হয়। চলিত বিত্তীয় বছৰত নিম্নোক্ত মেছিন সমূহ ক্ৰয় কৰিবলৈ বিভাগীয় কমিটিয়ে অনুমোদন জনাইছে—

(ক) লেটাৰ প্ৰেছ মেচিন ২ টা— ৯ লাখ টকা।

(খ) সক অপছেট মেছিন, দিলপুৰা মিনি প্ৰেছৰ বাবে ১ টা— ১ লাখ টকা।

(গ) চিলাই মেচিন ১ টা— ১ লাখ টকা।

★ Speech not corrected

(ঘ) কাটিং মেচিন এটা— ১ লাখ টকা

প্রেছ কর্মী সকল ইণ্ড্রাষ্ট্রিয়েল ওয়ার্কার, গতিকে ইণ্ড্রাষ্ট্রিয়েল এক্ট অনুসাৰে দৈনিক কামৰ সময়ৰ উপৰিও কাম কৰাবলৈ হলে অভাৰ টাইম দিব লাগে। বিশেষকৈ বিধান সভাৰ অধিবেশনৰ সময়ত আৰু বাজেট আদি ছপাবলগীয়া হ'লে, কর্মী সকলক অভাৰ টাইম দি কামত খটুৱা হয়। অভাৰ টাইম কম কৰিবলৈ যান্ত্রিক ব্যৱস্থা ইতিমধ্যে লোৱা হৈছে।

Mr. Speaker : Now, starred question No. 107. Questioner Smt. Rupam Kurmi. Hon'ble Chief Minister to reply.

বিষয় : মানুহৰ জীৱন আৰু সা-সম্পত্তিৰ নিৰাপত্তা।

শ্রীমতী ৰূপম কুৰ্মীয়ে সুধিছে :

★ ১০৭। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) মৰিয়নি সমষ্টিত অৱস্থিত ছুটীয়া কাড়ী বিঃ অঃ পিঃ (B. O. P.) ৰজাবাৰী গাভৰু বিঃ অঃ পিঃ (B. O. P.) দিচৈ ভেলী বিঃঅঃপি. (B. O. P.) নিউ সুমথিৰা বিঃ অঃ পিঃ (B. O. P.) নিউ সোনোৱা বিঃ অঃ পিঃ (B. O. P.) আৰু খিৰমীয়া বিঃ অঃ পিঃ (B. O. P) যদিও আছে, ইয়াৰ দূৰত্ব বহুত বেছি হোৱাৰ হেতুকে মানুহৰ জীৱনৰ আৰু সা সম্পত্তিৰ নিৰাপত্তা নোহোৱা হৈছে। এই বিষয়ে চৰকাৰে জানেনে ?

(খ) যদি জানে, মানুহৰ জীৱনৰ আৰু সা-সম্পত্তিৰ ৰক্ষণা-বেক্ষণ দিয়াৰ ব্যৱস্থা হিচাবে বিঃ অঃ পিঃ (B.O.P.) সংখ্যা বৃদ্ধিৰ তৎকালীন ভাৱে ব্যৱস্থা কৰিবনে ?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

(ক) মানুহৰ জীৱন আৰু সা-সম্পত্তি সুৰক্ষাৰ দৃষ্টিকোণৰ পৰাই এই বিঃ অঃ পিঃ (B. O. P.) বোৰৰ স্থান নির্ণয় কৰা হৈছে। এই বিঃ অঃ পিঃ (B.O.P.) বোৰৰ সহায়ত পহৰাৰ জৰিয়তে অঞ্চলটোৰ সুৰক্ষা আয়ত্বাধীনত ৰখা হৈছে।

(খ) বিঃ অঃ পিঃ (B. O. P.) ৰ সংখ্যা বৃদ্ধি কৰাৰ প্রয়োজন আছে নেকি ? এই বিষয়ে পর্য্যালোচনা কৰি চোৱা হ'ব।

★ Speech not corrected

★ শ্রীমতী রূপম কুমী ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্রী মহোদয়ৰ উত্তৰত জনাইছে যে বিঃ অঃ পিঃ মানুহৰ সা-সম্পত্তি আৰু মানুহক ৰক্ষণাবেক্ষণ দিয়াৰ কাৰণে কৰা হৈছে। কিন্তু বিঃ অঃ পিঃৰ দূৰত্ব যি অনুপাতে হব লাগিছিল ইটোৰ পৰা সিটোলৈ সেইমতে হোৱা নাই। চুটিয়া কাড়ী অঞ্চলত উগ্রপন্থী সকলে সীমান্তত আক্রমণ কৰি মানুহৰ সা-সম্পত্তিৰ লগতে খেতি বাতিও বিনষ্ট কৰিছে। যোৱা এপ্রিল মাহত নগা উগ্রপন্থী সকলে ৯ টা ঘৰ জ্বলাই দিছে। মানুহ পলাই আছে। (খ) প্রশ্নৰ উত্তৰত কৈছে যে বিঃ অঃ পিঃ প্রয়োজন আছে নেকি এই বিষয়ে পর্য্যালোচনা কৰা হব, যিখিনি আছে সেই খিনিয়ে মানুহ খিনিক ৰক্ষণাবেক্ষণ দিবৰ কাৰণে সক্ষম নহয়। তেওঁলোকৰ সংখ্যা অতি কম। মই আপোনাৰ জৰিয়তে মাননীয় মুখ্যমন্ত্রী মহোদয়ক জনাব খুজিছো যে বর্ত্তমান যি বিঃ অঃ পিঃ আছে তাৰ উপৰিও বঢ়াব বুলি আজি সদনত আশ্বাস দিব নেকি ?

★ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম নগালেণ্ড সীমান্তৰ বিঃ অঃ পিঃ বোৰৰ দূৰত্ব এনেধৰণৰ :

১। চুটীয়া কাড়ীৰ পৰা বজাবাৰীলৈ—৮ কিঃ মিঃ
২। বজাবাৰীৰ পৰা গাভৰুলৈ —৮ কিঃ মিঃ
৩। গাভৰুৰ পৰা দিচৈ ভেলিলৈ —১২ কিঃ মিঃ
৪। দিচৈ ভেলিৰ পৰা নতুন সোনোৱালৈলৈ—১৫ কিঃ মিঃ
৫। নতুন সোনোৱালৰ পৰা নতুন চুনঠিয়ালৈ—২০ কিঃ মিঃ
৬। নতুন সোনোৱালৰ পৰা খেৰমিয়ালৈ—১০ কিঃ মিঃ

এই বছৰত (১৯৯৫) চনত ঘটা কেইটামান তেনে ঘটনা তলত উল্লেখ কৰা হ'ল।

(ক) ২৩-১-৯৫ তাৰিখে দিনৰ প্রায় ১.০০ টা বজাত বজাবাৰী বিঃ অঃ পিঃ 'এফ' চেক্টৰত ফৰেষ্টাৰৰ সৈতে পহৰা দি থকা অৱস্থাত কিছুমান দুঃস্কৃতিকাৰীয়ে এন, এচ, চি, এন সদস্য বুলি সন্দেহ কৰা লোকে প্রায় ২.৪৫ বজাত পহৰাদাৰী লোকৰ ওপৰত গুলি বর্ষণ চলায়। দুঃস্কৃতিকাৰী সকল জংগলৰ মাজেদি পলাই যায়। পহৰাদাৰী দলৰ কোনো লোকৰ হতাহত হোৱা নাছিল।

* Speech not corrected

(খ) ৩-৪-৯৫ তাৰিখে প্ৰায় ৪.০০ টা বজাত নগালেণ্ডৰ য়াজাং গাওঁৰ লোক বুলি সন্দেহ কৰা কিছুমান লোকে লাপৰাজি গাওঁৰ ওচৰলৈকে হাবিত জুই জ্বলাই দিয়ে। এই সংক্ৰান্তত ছুটিয়াবাৰী বিঃ অঃ পিঃৰ লোকে জুই জ্বলাই থকাৰ অৱস্থাত এটি আও (এক্স-এন-এপি নামৰ এজন লোকক গ্ৰেপ্তাৰ কৰি টিয়ক পুলিচ থানাত গতাই দিছে।

(গ) ২৬-৪-৯৫ তাৰিখে কিছুমান নগালোকে টিক্ক পাহাৰ সংৰক্ষিত বনাঞ্চলত খেতিৰ মাটি উলিয়াবৰ কাৰণে হাবি কাটি আছিল। ৰজাবাৰী বিঃ অঃ পিঃৰ লোকে যাচাংসি গাওঁৰ শ্ৰীটুলী আওৰ দুই পুত্ৰ শ্ৰীৰমদাং আও আৰু শ্ৰীচিলু আওক এই সংক্ৰান্তত গ্ৰেপ্তাৰ কৰে।

দুই এটাৰ দূষ্কৃৰ তাৰতম্য আছে, মাজে মাজে কিছু ঘটনা হৈ আছে যদিও সেইখিনি অতি নিম্ন ধৰণৰ।

★ শ্ৰীমতী ৰূপম কুমী : মাননীয় অধ্যক্ষ মহোদয়, খিৰমিয়া বিঃ অঃ পিঃৰ পৰিবৰ্ত্তে খিৰমিয়া বিঃ অঃ পিঃ হব লাগে, নামটো ভুল হৈ আছে।

শ্ৰীছিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যা শ্ৰীমতী ৰূপম কুমীয়ে উল্লেখ কৰিছে তিটাবৰ সমষ্টিত বিঃ অঃ পিঃ যি আছে তালৈ যোৱা বোৰ্ডাৰ এৰিয়াৰ ৰাস্তা একেবাৰে বেয়া। দলং বিলাক ভাঙি আছে। উগ্ৰপন্থীয়ে আক্ৰমণ কৰাৰ ভয়ত তালৈ মানুহ অহা যোৱা কৰিব নোৱাৰে। জনসাধাৰণক ৰক্ষা কৰিবৰ কাৰণে যিখিনি সুবিধা দিব লাগে দিব পৰা পৰা নাই। এই ক্ষেত্ৰত চৰকাৰে কি চিন্তা কৰিছে? অসম নগালেণ্ড বোৰ্ডাৰত হাতীয়ে ১১ জন মানুহৰ প্ৰাণ হানি কৰিছে, হাতীৰ দ্বাৰাই মানুহক মাৰিবলৈ যতন কৰা হৈছে, এই বিলাক সমস্যাৰ কাৰণে কি চিন্তা কৰা হৈছে।

★ শ্ৰীছিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, নগালেণ্ড বোৰ্ডাৰৰ সমস্যা অতি পুৰণি। আগতে নগালেণ্ড আমাৰ এখন জিলা আছিল। পালিয়ামেণ্ট এক্টে এই নগালেণ্ড বেলেগ ৰাজ্য

* Speech not corrected

যুলি ঘোষণা কৰিছে। নাগালেণ্ডৰ যি বোৰ্ডাৰ সেইটো তেওঁলোকে মনা নাই, নাগালেণ্ড জন্ম হোৱাৰ পিচত সেই বোৰ্ডাৰত সংঘর্ষ হৈ আছে। কেন্দ্রীয় চৰকাৰে যি 'সুন্দৰম' কমিটি কৰি দিছিল আৰু কমিটিয়ে যি ৰিপোৰ্ট দিছে সেই ৰিপোৰ্ট গ্রহণ নহল। এইটো আলোচনা বিলোচনা হৈছে। এতিয়া বিপদ কমি গৈছে। আমাৰ সীমাৰ ভিতৰত বসবাস কৰা লোক সকলৰ মাজত ঘটনা ঘটাবলৈ মাজে মাজে চেষ্টা কৰিছে। আমাৰ ফালৰ পৰা আলোচনা চলি আছে। এই সম্পর্কে তেওঁলোকক অনুৰোধ জনোৱা হৈছে, তেওঁলোকে আটাই বিলাক অঞ্চল বিচাৰিছে. সেই বিলাক অসমৰ অঞ্চল, দিয়াটো সম্ভৱ নহয়। ১৯৭২ চনৰ 'সুন্দৰম কমিটিৰ প্রতিবেদন উল্লেখ কৰা মতে তাত যিখিনি বিবাদমান অঞ্চলৰ কথা কোৱা হৈছে সেই বিলাক নাগালেণ্ডে মানি লোৱা নাই। সেই অঞ্চলত বাস কৰা ৰক্ষণা-বেক্ষণৰ দায়িত্ব আসাম ৰাইফলক দায়িত্ব দিয়া হৈছে, তাৰোপৰি নিৰাপত্তা বাহিনী আছে আৰু সীমান্ত অঞ্চলৰ বিভিন্ন ৰাস্তা পদুলি আদি উন্নয়নৰ কাৰণে চেষ্টা কৰি থকা হৈছে।

★ শ্রীপ্রমোদ গগৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম নগালেণ্ড সীমান্তৰ সমস্যা সমাধান সম্পর্কত কেবা বছৰৰ আগতে দুয়োখন চৰকাৰৰ সম্মিলিত সুন্দৰম্ কমিশ্যনৰ ৰিপোৰ্ট দাখল কৰিছিল আৰু সেই প্রতিবেদনত জনোৱা মতে অসম নগালেণ্ডৰ সীমান্তৰ কিছুমান অঞ্চলত বাউন্দাৰী ডিমাৰকেশ্যন আছে আৰু কিছুমান অঞ্চলত বাউন্দাৰী ডিমাৰকেশ্যন নাই। যিবিলাক অঞ্চলত বাউন্দাৰী ডিমাৰকেশ্যন নাই সেইবিলাক মীমাংসা কৰাৰ কাৰণে পৰামর্শ দিয়া হৈছিল কিন্তু সেই পৰামর্শ নগালেণ্ড চৰকাৰে সেই পৰামর্শ গ্রহণ কৰা নাছিল। ইয়াৰোপৰি এইটো কথাও জনা গৈছে যে নগালেণ্ড চৰকাৰে এই সম্পর্কত চুপ্ৰিম কোৰ্টত এটা কেচ কজু কৰিছিল আৰু সেই কেচটো নাকচ হোৱাৰ পাচত অসম চৰকাৰে সুন্দৰম কমিশানৰ ৰিপোৰ্ট বা প্রতিবেদন ৰূপায়ণ কৰাৰ কাৰণে নগালেণ্ড চৰকাৰৰ লগত কি কি আলোচনা কৰিছে আৰু সীমা বিবাদৰ সমস্যাটো সমাধান কৰাৰ ক্ষেত্রত কি ব্যৱস্থা হাতত লৈছে এই সম্পর্কে মাননীয় মুখ্যমন্ত্রী মহোদয়ে জনাবনে ?

---

* Speech not corrected

★ শ্রীহিতেশ্বর শইকীয়া (মুখ্যমন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে ১৯৭২ চনতে আলোচনা কৰিছিল তেতিয়া মাননীয় সদস্য প্ৰমোদ গগৈ ডাঙৰীয়াও সদস্য আছিল, তেতিয়াৰ সুন্দৰম্ কমিশ্যনৰ ৰিপোৰ্ট দুয়োখন চৰকাৰে যুটীয়া ভাবে গ্ৰহণ কৰিছিল কিন্তু যেতিয়া সুন্দৰম কমিশানে 'ফাইন্দিংচ' দিলে তেতিয়া নগালেণ্ড চৰকাৰে সেই ফাইন্দিংচ নাকচ কৰিলে, তেওঁলোকে কোনো কথাই শুনিব নোখোজে। সেই একেধৰণে অসম মেঘালয় সীমান্তৰ বিবাদ নিষ্পত্তিৰ ক্ষেত্ৰতো আলোচনা বিলোচনা কৰি কমিশ্যন গঠন হৈছিল আৰু সেই মৰ্ম্মে কমিশানে প্ৰতিবেদন দিয়াৰ পিচত যি ফাইন্দিং দিলে সেইটোয়ো মেঘালয় চৰকাৰে গ্ৰহণ কৰা নাই। এই কথাবিলাকৰ কাৰণে বোৰ্ডাৰৰ যিটো দিচপিউট সেইটো মীমাংসা কৰিব পৰা হোৱা নাই। আমি এই ক্ষেত্ৰত কাজিয়া কৰিব বিচৰা নাই। সমিল মিলৰ মাজেৰে আলোচনা বিলোচনা কৰি এই সমস্যাটো সমাধান কৰিবলৈ বিচৰা হৈছে আৰু সেই মতে চেষ্টা কৰি থকা হৈছে।

★ শ্রীপ্রমোদ গগৈ ঃ সুন্দৰম কমিশানে ১৯৭২-৭৩ চনত যিটো প্ৰতিবেদন দিছিল তাৰ পাচতো নগালেণ্ড চৰকাৰে অসমৰ বহু অঞ্চলত বহু ঠাইত বে-দখল কৰিছে। ১৯৭৯ চনত চুঙাজানত বেদখল কৰিছিল। সেইদৰে ১৯৭২-৭৩ চনত যিটো বাউণ্ডাৰী আছিল সেইটো অতিক্ৰম কৰি অসমৰ সীমাৰ ভিতৰত বেদখল আৰম্ভ কৰাৰ পাচত এতিয়া সীমালৈ প্ৰায়েই বিবাদ লাগি আছে। তেনে ক্ষেত্ৰত ১৯৭২-৭৩ চনত যিটো সীমা আছিল সেইটো যাতে অতিক্ৰম কৰিব নোৱাৰে আৰু নতুনকৈ অসমৰ মাটিত বেদখল কৰিব নোৱাৰে তাৰ কাৰণে অসম চৰকাৰে কি কি ব্যৱস্থা লৈছে, সেই বিষয়ে জনাবনে ?

★ শ্রীহিতেশ্বর শইকীয়া (মুখ্যমন্ত্রী) মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কত আমি নগালেণ্ড চৰকাৰৰ লগত কাজিয়া কৰিব নোৱাৰো, ১৯৭৯ চনত যিটো দিনত দুয়োখন ৰাজ্যৰ মুখ্যমন্ত্রীৰ মাজত এই সীমাবিবাদ লৈ আলোচনা হৈছিল আৰু চুক্তিত স্বাক্ষৰিত হৈছিল সেই একেদিনাই গোলাঘাটৰ ওচৰত হত্যাকাণ্ড সংঘটিত হৈছিল। মাননীয় সনস্য গগৈ ডাঙৰীয়াই যিটো পৰামৰ্শ দিছে সেই দিশত

* Speech not corrected

আমি চেষ্টা চলাই আছো। কেন্দ্রীয় চৰকাৰৰ ফালৰ পৰা এটা প্লেন ওৱেত কৰি আছো। ১৯৮৬ চনতে আমাৰ যিবিলাক অসুবিধা হৈ আছে আৰু নতুনকৈ যিবিলাক ঠাইত বেদখল ইত্যাদি চলি আছে। সেইবিলাক কথা আমি কেন্দ্রীয় চৰকাৰৰ দৃষ্টিগোচৰ কৰি আছো। সীমান্ত যাতে সুৰক্ষিত থাকে তাৰ কাৰণে আমি অহৰহ চেষ্টা কৰি আছো।

★ শ্রীবিনোদ গোৱালা : মাননীয় অধ্যক্ষ মহোদয়, অসম নগালেণ্ড সীমান্তৰ বিবাদৰ সম্পৰ্কত বহুবাৰ আলোচনা বিলোচনা হৈ যোৱাৰ পাচতো অসমৰ গোলাঘাট জিলাৰ ৪টা অঞ্চলৰ অসমৰ সীমাৰ ভিতৰত আহি সেই অঞ্চলত বাস কৰা লোক সকলৰ ওপৰত অত্যাচাৰ উৎপীড়ন কৰে, তাত বসবাস কৰা লোকৰ পৰা টকা পইচা দাবী কৰে, আৰু বিভিন্ন ঠাইত মাটি বেদখল কৰে আৰু সেই সম্পৰ্কত এই সমস্যাটো লৈ সদনত আলোচনা উত্থাপন কৰিছিলো। ইতিমধ্যে অসমৰ মাননীয় মুখ্য মন্ত্রী মহোদয়ে ১৯৯২ চনত এই বিষয় সন্দৰ্ভত স্থানীয় বিধায়ক হিচাবে মোক আৰু আই, জি, পিক লৈ এই বিষয়টোৰ ওপৰত পৰীক্ষা-নিৰীক্ষা কৰি এটা প্রতিবেদন দাখিল কৰিবলৈ দিছিল আৰু সেই মর্মে ১৪ টা সম্বলিত এখন প্রতিবেদন দাখিল কৰা হ'ল, এতিয়া এই ১৪ টা বিষয়ৰ ওপৰত আৰু প্রতিবেদনৰ ওপৰত চৰকাৰে কি কি ব্যৱস্থা ললে জনাবনে ? তাৰ পাচতো মাননীয় মুখ্য মন্ত্রী মহোদয়ে সেই বিবাদমান অঞ্চললৈ গৈ তাত স্থানীয় বাইজৰ লগতে গাওঁবুঢ়া সকলৰ লগত আলোচনা কৰি অহাৰ পিচত সেই প্রতিবেদনৰ ওপৰত কি কি ব্যৱস্থা ললে সেই বিষয়ে মুখ্য মন্ত্রী মহোদয়ে জনাবনে ?

★ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : আমাৰ সীমান্ত অঞ্চলত বসবাস কৰা লোক খিনিক ৰক্ষণা-বেক্ষণ দিয়াৰ লগতে সীমান্ত অঞ্চল সুৰক্ষিত কৰিব পৰা আমি এচ, পি বোর্ডাৰ আৰু কমিশানাৰ আৰক্ষীকে ধৰি বোর্ডাৰ চিকিউৰিটি ফোর্চৰ দ্বাৰা নিৰাপত্তা দিয়াৰ কাম অব্যাহত আছে।

★ শ্রীদেৱান জয়নাল আবেদিন : মাননীয় অধ্যক্ষ মহোদয়, মুখ্য মন্ত্রী

* Speech not corrected

মহোদয়, অসম-নাগালেণ্ড সীমা বিবাদৰ সমাধান কল্পে আৰু সীমান্ত অঞ্চলৰ লোকৰ জীৱন আৰু সা-সম্পত্তি ৰক্ষাৰ বাবে আলোচনা কৰি ব্যৱস্থা কৰি থকা বুলি কৈছে। আমি জানো যে অসমৰ বিভিন্ন জিলাত বিশেষকৈ ধুবুৰী জিলাৰ দক্ষিণ ফালে এটা ব্যাপক অঞ্চল মেঘালয়ে বেদখল কৰি ৰাখিছে আৰু সীমান্ত অঞ্চলত সীমা চিহ্নিত কৰি যি পিলাৰ দিয়া হৈছিল সেইখিলাক ধ্বংস কৰি পেলাইছে। এই কথাকৈ মাজে সময়ে সীমান্তৱৰ্ত্তী অঞ্চলত তলে তলে এটা উত্তেজনা চলি আছে। এই অৱস্থাটোৰ শেহতীয়া অৱস্থা কি ? মুখ্য মন্ত্ৰী অৱগত নে ?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এইটো এটা বেলেগ প্ৰশ্ন। তথাপি মই কৈছো অসম মেঘালয়ৰ সীমা নিৰ্দ্ধাৰণ কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ চাৰ্ভে বিভাগ, অসম চৰকাৰৰ চাৰ্ভে বিভাগ আৰু মেঘালয় চৰকাৰৰ চাৰ্ভে বিভাগে একেলগে বহি সীমা ডিমাৰ্কেছন কৰিছে আৰু সেই মতে পিলাৰ পুং পোতা হৈছিল। কিন্তু মেঘালয়ৰ ফালৰ পৰা সেইটো সীমান্তৰ বাইজে মনা নাই। কিন্তু চাৰ্ভে প্ৰতিবেদন মতে সেইটো আমাৰ এৰিয়া। এৰিয়া আমি আকৌ এই বিষয়ে আলোচনা চলায় আছো। আমি সোনকালে সিদ্ধান্তলৈ আহিব পাৰিম নিশ্চয়।

★ শ্ৰীবিনোদ গোৱালা : মাননীয় অধ্যক্ষ মহোদয়, নগালেণ্ড চৰকাৰে সুন্দৰম আয়োগৰ প্ৰতিবেদন মানি লোৱা নাই। নগালেণ্ডে চুডাজান, বেংমা আৰু মেৰাপানী আদি অঞ্চলত অসমৰ সীমাৰ ভিতৰত পকী ঘৰ নিৰ্মাণ কৰিছে। কিন্তু অসম চৰকাৰে সীমান্তত কিবা কৰিবলৈ হলে নগালেণ্ডৰ চৰকাৰৰ চহী লব লাগে। চহী নললে একো কৰিব নোৱাৰে। কিন্তু নগালেণ্ডে সেইবিলাক মানি চলা নাই। সীমান্ত অঞ্চলৰ লোকৰ নিৰাপত্তা আৰু অন্যান্য সুবিধা পোৱাৰ ব্যৱস্থা লবনে ? আৰু লগতে আমি জানো যে ইতিমধ্যে নগালেণ্ড চৰকাৰে সীমান্ত অঞ্চলত অসমৰ মাটিত স্থাপন কৰা স্কুল বিলাক চৰকাৰীকৰণ কৰিছে। কিন্তু আমাৰ সীমান্ত অঞ্চলত যিবিলাক উচ্চ মাধ্যমিক বিদ্যালয় মাধ্যমিক বিদ্যালয়

* Speech not corrected

আৰু প্ৰাথমিক বিদ্যালয় বিভিন্ন অসুবিধা দেখুৱাই চৰকাৰীকৰণ নকৰাকৈ থাকে। আমাৰ সীমান্তত যিবিলাকত বিদ্যালয় আছে সেই বিলাক অসমৰ স্বাৰ্থৰ খাতিৰতে চৰকাৰীকৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে। মই লগতে মুখ্য মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যদি নগালেও চৰকাৰে সুন্দৰম আয়োগৰ প্ৰতিবেদন মানি নচলে তেতিয়া হলে সুন্দৰম আয়োগ বাতিল কৰাৰ ব্যৱস্থা কৰিব নে ?

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, সুন্দৰম আয়োগ নগালেও চৰকাৰে নামানিলে আমি মানি লোৱাৰ কথাই নাই। সুন্দৰম আয়োগ এতিয়া অকামিলা হৈ গ'ল। আমি সেইখন মানি চলা নাই। ভাৰত চৰকাৰৰ চাৰ্ভে বিভাগৰ সিদ্ধান্তত দিয়া মেপত থকা সীমাহে আমি বিচাৰিছো আৰু সেই মতে কাম কৰি আছো। মাননীয় সদস্যসকলে জানে। মাননীয় সদস্য গৰাকীয়ে কৈছে নগালেও চৰকাৰে পকীঘৰ সাজিছে। সেইটো সঁচা। কিন্তু তাত ঘৰ সাজিবলৈ হলে কেন্দ্ৰীয় চৰকাৰৰ পাৰ্মিছন লাগে। নগালেণ্ড চৰকাৰে এনক্ৰ'চ কৰি ঘৰ সাজিছে। আমি বিভৰ্ত থকা স্কুল বিলাক চৰকাৰী কৰণ কৰিছো। এতিয়া চৰকাৰে লব পৰা নাই। সেইটো কাৰণ নহয়। আমি প্ৰতি বছৰে এটা হিচাপ কৰি স্কুল চৰকাৰী কৰণ কৰিবলৈ সিদ্ধান্ত লৈছো। সেই কাৰণেহে তাত থকা স্কুল কিছু বাদ পৰিছে। আমি পৰ্য্যায় ক্ৰমে প্ৰাদেশীকিকৰণ কৰাৰ ব্যৱস্থা লম।

Mr Speaker : Now Starred Questions. No. 108 Questioner Shri Bhupen Roi, Hon'ble Chief Minister to reply :

বিষয় ঃ উগ্ৰপন্থীৰ হাতত মৃত্যু হোৱা পৰিয়ালৰ প্ৰতি সাহায্য

শ্ৰীভূপেন ৰায়ে সুধিছে :

★ ১০৮। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে।

(ক) উগ্ৰপন্থীৰ হাতত মৃত্যু বৰণ কৰা চাকৰিয়াল তথা অন্যান্য ব্যক্তিৰ পৰিয়ালক এক কালীন সাহায্য দিয়াৰ কিবা চৰকাৰী ব্যৱস্থা আছে নেকি ?

---

* Speech not corrected

(খ) যদি আছে, এই ক্ষেত্রত বঙ্গাইগাওঁ জিলাত কিমানটা পৰিয়াল উগ্রপন্থীৰ হাতত নিহত হৈছে ? অনুগ্রহ কৰি জনাবনে ?

(গ) নিহত ব্যক্তি সকলৰ কিমানটা পৰিয়ালৰ ব্যক্তিক চাকৰি দিয়া হৈছে অনুগ্রহ কৰি জনাবনে ?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) আছে ।

(খ) ১৬ জন চৰকাৰী চাকৰিয়ালকে ধৰি মুঠ ১১৩ জন ।

(গ) ৪ জনৰ পৰিয়ালৰ ব্যক্তিক চাকৰী দিয়া হৈছে আৰু ৪০ জনৰ পৰিয়ালৰ ব্যক্তিৰ চাকৰিৰ বাবে দিয়া আবেদন সদ্যহতে চৰকাৰৰ বিবেচনাধিন হৈ আছে ।

শ্রীভূপেন ৰায় : মাননীয় অধ্যক্ষ মহোদয়, যোৱা বিধান সভাটো আমি এই বিষয়টো আলোচনা কৰিছিলো। চৰকাৰৰ ফালৰ পৰা যিসকলৰ পৰিয়ালৰ ব্যক্তি উগ্রপন্থী বা দুর্ত্তৰ হাতত মৃত্যু হৈছে সেই পৰিয়ালৰ ব্যক্তিক চাকৰি দিয়াৰ ব্যৱস্থা আছিল। কিন্তু এই ব্যৱস্থা খৰতকীয়া নহ'ল। যোৱা বিধান সভাৰ পৰা আজিৰ দিনলৈকে কিমান ভুক্তভোগীয়ে চাকৰি নাপালে ? বঙ্গাইগাওঁ জিলাৰ ৪০ জন প্রার্থীয়ে ইতিমধ্যে আবেদন দিছিল। কিন্তু আজিলৈকে চাকৰি নাপালে। এই লোকসকলক চাকৰিৰ বিশেষ ব্যৱস্থা লব নে ?

★ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, আমি উত্তৰত কৈছিলো। সেইসকলৰ আবেদন চৰকাৰে বিবেচনা কৰি আছে আৰু সেইটোৰ ব্যৱস্থা লোৱা হব ।

★ শ্রীমুকীল মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, মুখ্য মন্ত্রী মহোদয়ে ১০৮ নং প্রশ্নৰ উত্তৰত সুবিধা আছে বুলি কৈছে। এই সম্পর্কত মই মৰিগাওঁ সমষ্টিৰ আলিকুছি আৰু মৰিগাওঁৰ ২ জন পুলিচ নগালেও আৰু বৰমাত মৃত্যু হোৱাৰ কথা উল্লেখ কৰিব বিচাৰিছো। এই লোক দুজনৰ পৰিয়ালৰ শ্রীথানেশ্বৰ নাথ, আলিকুছি আৰু শ্রীজয়ন্ত মেধী, মৰিগাওঁৰ। আজি তিনি বছৰ ধৰি আবেদন কৰিও এতিয়ালৈকে নিযুক্তি পোৱা নাই। মুখ্যমন্ত্রী মহোদয়ে এই দুটা

* Speech not corrected

পৰিয়ালৰ কথা বিশেষ ভাবে বিবেচনা কৰি নিয়োগৰ ব্যৱস্থা কৰিব নে ?

★ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, আমি নিশ্চয় এই বিষয়ে ব্যৱস্থা লম।

★ শ্রীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, ১৯৯৩ চনৰ ৯ ছেপ্তেম্বৰ তাৰিখে বঙিয়াত ১ জন চতুর্থ শ্রেণীৰ কর্মচাৰী উগ্রপন্থীৰ হাতত নিহত হৈছিল। চৰকাৰী ঘোষিত নীতি অনুযায়ী উগ্রপন্থীৰ গুলীত নিহত পৰিয়ালৰ লোকে সাহায্য পাব লাগিছিল। কিন্তু আজি পর্যান্ত তেওঁলোকৰ পৰিয়ালে কোনো সাহায্য পোৱা নাই। মুখ্যমন্ত্রী এই বিষয়ে অৱগত নেকি ? যদি অৱগত কেতিয়া ধনখিনি দিয়াৰ ব্যৱস্থা কৰিব ?

★ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, মোৰ হাতত লিষ্ট নাই। আমাৰ সিদ্ধান্ত মতে টকা পাব লাগিছিল। যদি পোৱা নাই নিশ্চয় পাব।

★ শ্রীমজমুল হুক : মাননীয় অধ্যক্ষ মহোদয়, মুখ্য মন্ত্রী মহোদয়, অৱগত নে যে কোকৰাঝাৰ আৰু বঙ্গাইগাওঁ জিলাত উগ্রপন্থীৰ আক্রমনত ঘৰ এৰি গুচি যোৱা লোক সকলৰ এতিয়াও ১ হাজাৰ ডেৰ হাজাৰ মান লোক নিজৰ ঘৰলৈ যাব পৰা নাই। যিবিলাক লোক এতিয়াও ঘৰলৈ ঘূৰি যাব পৰা নাই তেওঁলোকক ঘৰলৈ যোৱাৰ ব্যৱস্থা লব নে ?

★ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে বহু সংখ্যক ঘৰলৈ গৈছে। কিছুসংখ্যক আছে। তেওঁলোকৰ প্রায়-বিলাকে নিজৰ গাওঁলৈ ঘূৰি যাব নোখোজে। তেওঁলোকক সংস্থাপিত কৰাৰ বাবে চৰকাৰী মাটি বিচাৰি থকা হৈছে। মাটি পালে দিয়াৰ ব্যৱস্থা কৰা হব।

★ শ্রীগিয়াচুদ্দিন আহমেদ : মাননীয় অধ্যক্ষ মহোদয়, মুখ্য মন্ত্রীয়ে কৈছে উগ্রপন্থীৰ গুলীত নিহত হোৱা লোকৰ পৰিয়ালক এককালীন সাহায্য দিয়াৰ ব্যৱস্থা আছে। চৰকাৰৰ এই কথা অৱগত নে যে কোকৰাঝাৰ আৰু বঙ্গাইগাওঁ আৰু ৰৰপথাৰত যিবিলাক লোক

★ Speech not corrected

উগ্রপন্থীৰ হাতত নিহত হৈছিল সেইসকলৰ এতিয়াও বহুতে কোনো ৰকমৰ সাহায্য পোৱা নাই। কিছুমানে অৱশ্যে পাইছে। বেছি-ভাগে এককালীন সাহায্য পোৱা নাই। চৰকাৰে এই বিষয়ে কিবা ব্যৱস্থা লব নে?

★ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী): মাননীয় অধ্যক্ষ মহোদয়, আমি জনাত প্রায়বিলাকে পাইছে। এতিয়ালৈ ২৯ শ পৰিয়ালে ১০ হাজাৰকৈ পাইছে। আৰু অন্যান্য সুবিধাও পাইছে। যিবিলাকৰ পৰিয়ালৰ কিছু খেলি মেলি আছে। অর্থাৎ ২/৩ জন তেওঁলোকৰ পৰিয়ালৰ বুলি টকা লবলৈ আহিছে তেনে পৰিয়ালক টকা দিব পৰা হোৱা নাই। এতিয়ালৈকে প্রায় ৯০ শতাংশই পাইছে।

★ শ্রীমতী ৰেনুপমা ৰাজখোৱা: মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে ১৯৯৩ চনত বড়ো উগ্রপন্থীৰ গুলীত নিহত হোৱা জালাহ ৰাজহ চক্রৰ এছ ডি চি জ্যোতি প্রসাদ বৰাৰ পৰিয়ালে আজিলৈকে চৰকাৰৰ পৰা কোনো ধৰণৰ সাহায্য পোৱা নাই। তেওঁৰ পৰিয়ালৰ লোকক চাকৰি দিয়াৰ ব্যৱস্থা কৰিব নে?

★ শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী): মাননীয় অধ্যক্ষ মহোদয়, মই এই বিষয়ে চাব লাগিব। নোপোৱাৰ কোনো কাৰণ নাই। যদি পোৱা নাই আমি ব্যৱস্থা লম।

(Starred Question No. 109 to 120 could not be taken up as the Question Hour was over. However, the replies of the said questions deemed to have been laid on the Table of the House)

বিষয়: সংখ্যালঘু জনসাধাৰণৰ বাবে আঁচনি।

মঃ মহিবুল হকে সুধিছে:

★ ১০৯। মাননীয় সংখ্যালঘু পৰিক্রমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে:

(ক) যোৱা ৪ বছৰত সংখ্যালঘু পৰিক্রমা দপ্তৰৰ পৰা অসমৰ সংখ্যালঘু

* Speech not corrected

জনসাধাৰণৰ বাবে কি কি আঁচনি লোৱা হৈছে জনাবনে ?

(খ) ইয়াৰে কোন কোন আঁচনি ৰূপায়ণ হৈছে আৰু কোন কোন আঁচনি ৰূপায়ণ হোৱা নাই, জনাবনে ?

(গ) কি কাৰণত আঁচনি সমূহ ৰূপায়ণ হোৱা নাই, জনাবনে ?

শ্রীদিলদাৰ ৰেজা (সংখ্যালঘু পৰিক্রমা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ সংখ্যালঘু জনসাধাৰণৰ বাবে যোৱা ৪ বছৰত দিয়া আঁচনি সমূহ গ্রহণ কৰা হৈছে ।

(১) সংখ্যালঘু সম্প্রদায়ৰ মেধাবী তথা দৰিদ্র ছাত্র-ছাত্রীক উদ্গণিমূলক বৃত্তি দিয়া ।

(২) সংখ্যালঘু অধ্যুষিত এলেকাত হাইস্কুল/হায়াৰ চেকেণ্ডাৰী স্কুল/ছিনিয়ৰ মাদ্রাছা, হাই মাদ্রাছা/আৰবী কলেজ আদিত ছাত্রী জিৰণী কোঠা তথা শৌচাগাৰ নির্মাণ ।

(৩) সংখ্যালঘু সম্প্রদায়ৰ দৰিদ্রতাৰ সীমাৰেখাৰ তলত বসবাস কৰা পুৰুষ-মহিলাৰ মাজত থেলা, বিক্সা আৰু চিলাই মেচিন বিতৰণ ।

(৪) সংখ্যালঘু সম্প্রদায়ৰ শিক্ষিতা যুৱতীক নার্চ ও ধাত্রীৰ প্রশিক্ষণ, নিটিং, কাটিং প্রশিক্ষণ আৰু দুখীয়া নিবন্নুৱা যুৱকক কৃষি যান্ত্রিক প্রশিক্ষণ ।

(৫) সংখ্যালঘু সম্প্রদায়ৰ লোকৰ আর্থ-সামাজিক অৱস্থাৰ নমুনা জৰীপকৰণ ।

(খ) ওপৰোক্ত আটাইকেইটা আঁচনি ৰূপায়ণ কৰা হৈছে ।

(গ) প্রশ্ন নুঠে ।

বিষয় : ষ্টেডিয়াম নির্মাণ ।

শ্রীআজাউদ্দিন সৰকাৰে সুধিছে ঃ

★ ১১০। মাননীয় ক্রীড়া আৰু যুৱকল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) ধুবুৰী জিলাৰ সদৰত ষ্টেডিয়াম এখন নির্মাণৰ সিদ্ধান্ত চৰকাৰৰ বিবেচনাধীন হৈ আছে নেকি ?

---

* Speech not corrected

(খ) যদি আছে, ষ্টেডিয়ামখনৰ বাবে প্ৰয়োজনীয় মাটি চৰকাৰে অধিগ্ৰহণ কৰিছে নেকি, যদি কৰিছে চহৰৰ কোন ঠাইত কৰিছে ?

(গ) মাটি অধিগ্ৰহণৰ ক্ষেত্ৰত চৰকাৰে কিবা অসুবিধাৰ সম্মুখীন হৈছে নেকি ?

(ঘ) ধুবুৰী জিলাৰ কোন কোন ঠাইত মিনি ষ্টেডিয়াম নিৰ্মাণৰ প্ৰস্তাৱ চৰকাৰে গ্ৰহণ কৰিছে ?

(ঙ) মিনি ষ্টেডিয়ামবোৰৰ নিৰ্মাণৰ কাম কৰবাত বন্ধ হৈ আছে নেকি ?

(চ) যদি বন্ধ হৈ আছে কাৰণ কি ?

(ছ) উক্ত মিনি ষ্টেডিয়ামবেৰাৰ নিৰ্ম্মাণ খৰতকীয়া কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিব ?

শ্ৰীইন্দ্ৰ গগৈ (ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

(ঘ) আগমনি আৰু চাপৰ সালকোচাত।

(ঙ) কিছুমান ঠাইত সাময়িক ভাবে স্থগিত আছে।

(চ) আঁচনি অনুসাৰে সম্পূৰ্ণ পুঁজিৰ অভাৱ।

(ছ) চৰকাৰে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

বিষয় : আলফা আৰু বি. এচ. এফ সম্পৰ্কে।

শ্ৰীনজমুল হুকে সুধিছে ঃ

★ ১১১। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমত আত্মসমৰ্পণ কৰা আলফা আৰু বি. এচ. এফৰ সংখ্যা কিমান আৰু তেওঁলোকৰ আত্মসংস্থাপনৰ বাবে মুঠ কিমান টকা দিয়া হৈছে ?

(খ) উক্ত আত্মসমৰ্পণকাৰী সকলৰ হাতত মুঠ কিমান আগ্নেয় অস্ত্ৰ আছে আৰু এই আগ্নেয় অস্ত্ৰবোৰ চৰকাৰী অস্ত্ৰ ভাণ্ডাৰত জমা দিয়াৰ ব্যৱস্থা কৰা হবনে ?

(গ) যদি নহয় তেন্তে আগ্নেয় অস্ত্ৰৰ অপপ্ৰয়োগ বন্ধ কৰা হবনে ?

(ঘ) অসমত মুঠ কিমান অবৈধ আগ্নেয় অস্ত্ৰ আছে আৰু এই অবৈধ

* Speech not corrected

আগ্নেয় অস্ত্র উদ্ধাৰ কৰিবলৈ CBI ৰ দ্বাৰা কিবা উদ্ধাৰ অভিযান চলোৱা হবনে ?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

(ক) ১৫-৯-৯৫ তাৰিখ পর্য্যন্ত আত্মসমর্পণ কৰা আলফাৰ সংখ্যা ৪৯৪৬ জন আৰু বি, এচ, এফৰ সংখ্যা ৩০ জন। এওঁলোকৰ আত্মসংস্থাপনৰ বাবে বর্ত্তমানলৈকে সর্ব্বমুঠ ৩১,২১,৫০,০০০/ টকা বীজধন হিচাবে মুকলি কৰি দিয়া হৈছে।

(খ) আত্মসমর্পণকাৰী সকলৰ হাতত মুঠ ৪২ টা আগ্নেয় অস্ত্র আছে আৰু উক্ত অস্ত্রবোৰ চৰকাৰী অস্ত্র ভাণ্ডাৰত জমা কৰাৰ ব্যৱস্থা কৰা নহয়।

(গ) উক্ত আগ্নেয় অস্ত্রৰ অপপ্রয়োগ হলে আইনমতে ব্যৱস্থা লোৱা হব।

(ঘ) উদ্ধাৰ নোহোৱালৈকে অবৈধ আগ্নেয় অস্ত্রৰ সঠিক তথ্য দিব পৰা নাযায়। অবৈধ অস্ত্র উদ্ধাৰৰ বাবে CBI ৰ দ্বাৰা উদ্ধাৰ অভিযান চলোৱাৰ কোনো ব্যৱস্থা লোৱা হোৱা নাই।

বিষয় : ভুৱা বিল আদায়।

শ্রীপানীৰাম বাভাই সুধিছে :

★ ১১২। মাননীয় সাংস্কৃতিক পৰিক্রমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) ২,৮২,০২০০০ টকা (দুই কোটি বিৰাশী লাখ দুই হাজাৰ) সাংস্কৃতিক বিভাগত ভুৱা বিলৰ জৰিয়তে কোষাগাৰৰ পৰা উঠোৱা হৈছে নেকি ?

(খ) যদি হৈছে এই সম্পর্কত কি ব্যৱস্থা লৈছে জনাবনে ?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

(ক) যোৱা ৩১/৩/৯৫ তাৰিখে গুৱাহাটীৰ কোষাগাৰৰ পৰা ২,৮২,০২০০০ (দুই কোটি বিৰাশী লাখ দুই হাজাৰ) টকা ভুৱা বিলত উঠোৱা বুলি এটা অভিযোগ পোৱা গৈছিল।

(খ) এই অভিযোগ সম্পর্কত বর্ত্তমানে তদন্ত কৰি থকা হৈছে।

---

* Speech not corrected

Re : Stipend Financial help to the Sportsman.

Shri Derhagra Mochahary asked :

★ 113. Will the Minister of Sports and Youth Welfare be pleased to state :

(a) Whether Government have any proposal for providing Stipend Financial help to the District level or State level and best players or to the District or State level best team or Runners up ?

(b) If yes, in what process has been followed for selection ?

Shri Indra Gogoi (Minister of State (Ind,) Sports and Youth Welfare) replied :

(a) No.

(b) Does not arise.

Re : Bajrang Operation.

Shri Karendra Basumatary asked :

★ 114. Will the Chief Minister be pleased to state :

(a) Whether it is a fact that in Bajrang Operation raid by Army Jawans, one Mr. Haren Das (40) was killed on 30 December 1990 at Gerua Village, P. O. Purandia, P. S. Tingla, District Darrang ?

(b) Whether his widow Mrs. Bharati Das has claimed for payment of ex-gratia money as well as compensation with rehabilirtation from the Government ?

(c) Whether the Government will take necessary action to compensate the victim family ?

Shri Hiteswar Saikia (Chief Minister) replied :

(a) No.

(b) No.

(c) Does not arise.

★ Speech not corrected

বিষয় ঃ চৰকাৰী আৰু বে-চৰকাৰী সংগীত বিদ্যালয় সংখ্যা।

শ্রীজীউ ৰাম বড়োই সুধিছে ঃ

★ ১১৫। মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) অসমত চৰকাৰী আৰু বে-চৰকাৰী সংগীত বিদ্যালয় আছে নেকি ? যদি আছে চৰকাৰী বিদ্যালয়ৰ সংখ্যা কিমান আৰু বে-চৰকাৰী কিমান ?

(খ) সুকুমাৰ কলাৰ বিকাশ চৰ্চ্চাৰ এই সংগীত বিদ্যালয় সমূহৰ বাবে চৰকাৰে কেনে ধৰণে আঁচনি গ্রহণ কৰি আহিছে ?

(গ) এই আঁচনি সমূহত যদি সংগীত বিদ্যালয় গৃহ নির্মাণৰ আঁচনি আছে তেন্তে এই চৰকাৰৰ দিনত কিমান ধন মঞ্জুৰী কৰা হল আৰু কালাই সংগীত বিদ্যালয়ৰ নামত কিয় গৃহ নির্মাণ মঞ্জুৰী কৰা নহব অনুগ্রহ কৰি জনাবনে ?

শ্রীছিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) চৰকাৰী বিদ্যালয় নাই। বে-চৰকাৰী বিদ্যালয় ২৫ খন আছে।

(খ) এই সংগীত বিদ্যালয় সমূহৰ বাবে চৰকাৰৰ দ্বাৰা এক-কালীন সাহায্য আৰু পুনৰাবৃর্তক অনুদান দিয়াৰ আঁচনি গ্রহণ কৰি অহা হৈছে।

(গ) গৃহ নির্মাণৰ বাবে তেনে কোনো আঁচনি নাই।

Re : Ramkrishna Nagar Civil Sub-Division.

Shri Rampyare Rabidas asked :

★ 116. Will the Chief Minister be pleased to state .

(a) Whether the Government has taken step to materialise the Government's declared Ramkrishna Nagar Civil Sub-Division ?

If not. Why ?

If yes. When ?

(b) Whether the fund received for the purpose from the 7th Finance Commission has diverted to other

★ Speech not corrected

development works ?

If yes, When and why ?

What was the amount ?

Shri Hiteswar Saikia (Chief Minister) replied :

(a) Ramkrishna Nagar was not declared as Sub-Division.

Does not arise.

Does not arise.

(b) No fund has been diverted.

Does not arise.

Does not arise.

বিষয় : দুঃস্কৃতিকাৰীৰ দ্বাৰা গৰু মহৰ নিধন।

ডাঃ কমলা কলিতাই সুধিছে :

★ ১১৭। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) কামৰূপ জিলাৰ লটৰীয়া গ্রেজিং ৰিজাৰ্ভৰ পৰা কিমানটা গৰু ম'হ ১৯৯৫ চনৰ জানুৱাৰীৰ পৰা বৰ্ত্তমানলৈ দুঃস্কৃতিকাৰীৰ দ্বাৰা নিধন হল ?

(খ) উক্ত গৰু ম'হ নিখোজ সম্পৰ্কীয় নাইবা দুঃস্কৃতিকাৰীৰ নাম চিনাক্ত কৰি সোনাতলী আৰক্ষী চকীত কিমানটা গোচৰ কৰা হৈছে ?

(গ) উক্ত গোচৰ সমূহৰ পৰিপ্রেক্ষিতত পদকীয়া সকলৰ ওপৰত কি ব্যৱস্থা লোৱা হৈছে ?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিয়ে :

(ক) ৭ টা।

(খ) ৩ টা গোচৰ কৰা হৈছে।

(গ) ৬ জন ব্যক্তিক গ্রেপ্তাৰ কৰা হৈছে। ★

বিষয় : সাংস্কৃতিক পৰিক্রমা বিভাগৰ দ্বাৰা আৰ্থিক সাহায্য।

শ্রীব্রহ্মেন্দ্র নাৰায়ণ কলিতাই সুধিছে :

★ ১১৮। মাননীয় সাংস্কৃতিক পৰিক্রমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) ১৯৯১-৯২, ৯২-৯৩, ৯৩-৯৪ আৰু ৯৪-৯৫ চনত সাংস্কৃতিক পৰিক্রমা

* Speech not corrected

বিভাগৰ দ্বাৰা অসমৰ কোন কোন জিলাৰ কি কি অনুষ্ঠানলৈ আৰ্থিক সাহায্য আগবঢ়াইছে ? (অনুষ্ঠানৰ নাম আৰু অনুদানৰ পৰিমাণৰ তালিকা সদনত দাখিল কৰিব)

(খ) সাংস্কৃতিক অনুষ্ঠানলৈ আৰ্থিক সাহায্য আগবঢ়োৱা নীতি কি ?

(গ) সমষ্টি ভিত্তিত আৰ্থিক সাহায্য আগবঢ়োৱাৰ চিন্তা চৰকাৰে কৰিব নে ?

(ঘ) গুৱাহাটীৰ মাছখোৱা সাংস্কৃতিক প্ৰকল্পৰ বাবে চৰকাৰে কিমান আৰ্থিক সাহায্য আগবঢ়াইছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ১৯৯১-৯২ চনত সাংস্কৃতিক অনুষ্ঠানলৈ আৰ্থিক সাহায্য আগবঢ়োৱা হৈছিল। ১৯৯২-৯৩ চনত আৰ্থিক সাহায্য আগবঢ়োৱা হোৱা নাছিল। ১৯৯১-৯২, ১৯৯৩-৯৪ আৰু ১৯৯৪-৯৫ চনত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ দ্বাৰা দিয়া অনুষ্ঠানৰ নাম আৰু অনুদানৰ পৰিমানৰ তালিকা সদনত দাখিল কৰা হ'ল। ★

(See the Annexure – V)

(খ) সাংস্কৃতিক দিশত উন্নতি সাধন, উৎসাহজনক চ'চা, প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে আৰ্থিক সাহায্য আগবঢ়োৱা ইয়াৰ মূল নীতি।

(গ) সমষ্টি ভিত্তিত আৰ্থিক সাহায্য আগবঢ়োৱাৰ চিন্তা কৰা হোৱা নাই।

(ঘ) এই বিভাগৰ পৰা কোনো আৰ্থিক সাহায্য আগবঢ়োৱা হোৱা নাই।

Re : Fire Brigade Sub-Centre.

Shri Kali Ranjan Deb asked :

★ 119. Will the Chief Minister be pleased to state ?

(a) In reply to unstarred Question No. 527 dt. 3. 4. 95 the Hon'ble Chief Minister had conceded that establishment of a Fire Brigade Sub-Centre at Kalain is necessary. ★

(b) Now in view of the above, whether the Government

* Speech not corrected

will arrange to establish a fire brigade Sub-Centre at Kalain immediately ?

Sri Hiteswar Saikia (Chief Minister) replied :

(a) Yes,

(b) The proposal for opening Fire Station at Kalain is under consideration.

Re : Commission of Enquiry on Assam Disturbances.

Shri Promod Gogoi asked :

★ 120. Will the Chief Minister be pleased to State :

(a) Whether the Government have accepted the report of the Commission of Enquiry of Assam Disturbances, 1983 headed by Shri Tribhuvan Prasad Tewari, I. A. S., and submitted to Assam Government in May, 1984 ?

(b) If so, what were the recommendation under the head 'Special Central Assistance' and action taken on it by Assam Government ?

Shri Hiteswar Saikia (Chief Minister) replied :

(a) The report had been examined by a Cabinet Sub-Committee formed on 24-1-86 The recommendation of the Tewari Commission were found not acceptable by the Sub-Committee and were no accepted when the Cabinet considered the Sub-Committee's findings on 17-5-86.

(b) Does not arise.

(Deferred starred Question Nos. 13 and 19 of 18 9-95)

বিষয় : ষ্টেডিয়ামৰ কাম ।

শ্ৰীদ্ৰুপ কুমাৰ ৰেমে সুধিছে :

★ ১৩০ মাননীয় ক্ৰীড়া বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে •

* Speech not corrected

(ক) ধুবুৰী চহৰৰ ষ্টেডিয়ামৰ কাম কাজ প্ৰায় ৮/১০ বছৰ ধৰি আধকৰা হৈ থকাৰ কাৰণ কি ?

(খ) কিমান বছৰৰ ভিতৰত এই কাম সম্পূৰ্ণ হব অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীইন্দ্ৰ গগৈ (ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) কেন্দ্ৰীয় মঞ্জুৰী আৰু প্ৰয়োজনীয় ৰাজিকৰ অনুদান দিয়াৰ পিছত ধুবুৰী চহৰৰ ষ্টেডিয়ামৰ কাম কাজৰ বাবে আৰ্থিক মঞ্জুৰী সম্পৰ্কে চৰকাৰে কোনো প্ৰস্তাৱ পোৱা নাই।

(খ) নিৰ্দ্দিষ্টকৈ কোৱা টান।

বিষয় ঃ ক্লাব/মহিলা সমিতিৰ জন্য আৰ্থিক অনুদান।

শ্ৰীপ্ৰণব কুমাৰ নাথে জিজ্ঞাসা কৰিছেন :

★ ১১৯। মাননীয় ক্ৰীড়া বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবেন কি :

(ক) দক্ষিণ কৰিমগঞ্জ সমষ্টিৰ বিধায়ক বৰ্ত্তক "Member Secretary State Level Advisory Committee for Students & Youth Welfare, Assam" এৰ নিকট দক্ষিন কৰিমগঞ্জ সমষ্টিৰ অন্তৰ্গত বিভিন্ন ক্লাব/মহিলা সমিতিৰ জন্য টি, ভি ও লাইব্ৰেৰীৰ আৰ্থিক অনুদান মঞ্জুৰ কৰাৰ জন্য যে প্ৰস্তাব দেওয়া হয়েছিল, এবিষয়ে বিভাগীয় কৰ্ত্তৃপক্ষ কি কি কাৰ্য্যকৰি পদক্ষেপ নিয়েছেন বিশদ তথ্য সদনৰ মেজে দাখিল কৰিবেন ?

(খ) যদি মঞ্জুৰ কৰা হয়, তাহলে সংস্থাৰ নাম, ঠিকনা ও অনুদানৰ পৰিমান ইত্যাদি প্ৰকাশ কৰিবেন। যদি না কেন ?

শ্ৰীইন্দ্ৰ গগৈ (ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) দক্ষিণ কৰিমগঞ্জ সমষ্টিত তিনিটা ক্লাবক টি, ভি. দিয়াৰ বাবে ছাত্ৰ আৰু যুৱকল্যাণ উপদেষ্টা কমিটিয়ে ব্যৱস্থা কৰিছে। আনহাতে পুথি ভঁৰাল সমূহক কিতাপ দিয়াৰ আঁচনিখন এতিয়ালৈ কাৰ্য্যকৰী কৰা হোৱা নাই।

(খ) টি-ভি দিয়াৰ বাবে মঞ্জুৰী হোৱা ক্লাব সমূহৰ নাম উল্লেখ কৰা হ'ল।

(১) নয়া বজাৰ ক্লাব, বিলায়েন্স,
নয়া বজাৰ, পোঃ আ বাসুদেব নগৰ।

* Speech not corrected

(২) নেতাজী সংস্কৃতি সংস্থা,
পো: অঃ ববাইগ্রাম, কৰিমগঞ্জ।

(৩) বজাৰ ঘাট ডোকেচনেল ট্রেইনিং ইন্‌ষ্টিটিউট,
পাহাৰটোল বজাৰঘাট, কৰিমগঞ্জ।

Mr. Speaker : The Question Hour is over. Now Short Notice Question No. 2. Questioner Shri Gohin Chandra Das.

বিষয় : হিন্দী শিক্ষকৰ নিয়মীয়া বেতন।

শ্রীগহীনচন্দ্র দাসে সুধিছে :

২। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) ১৯৯২ চনৰ পৰা যিসকল হিন্দী শিক্ষক বিভিন্ন বিদ্যালয়ত নিযুক্তি দিছিল সেই সকলক নিয়মীয়া বেতন দিয়া হৈছে নে ?

(খ) Fix Pay শিক্ষক অসমত কিমান আছে ?

শ্রীজম্বন সিং ব্রহ্ম (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) মজলীয়া আৰু উচ্চ মাধ্যমিক শিক্ষাৰ ক্ষেত্রত হিন্দী শিক্ষকৰ পদ দুই ধৰণে সৃষ্টি কৰা হয়। প্রাদেশীকৃত বিদ্যালয়ৰ বাবে নিয়মীয়া বেতন ক্রমত (time scale) আৰু তদর্থ মঞ্জুৰী প্রাপ্ত বিদ্যালয়ৰ বাবে নির্দ্ধাৰিত হাৰত (fixed pay) সেই হিচাবে time scaleত নিযুক্তি পোৱা শিক্ষক সকলে নিয়মীয়া বেতন পাই আছে আৰু fixed payত নিযুক্তি পোৱা শিক্ষক সকলে সেই হাৰত বেতন ভোগ কৰি আছে। এনে fixed pay পোৱা বহুতো শিক্ষকে প্রাদেশিকীকৃত বিদ্যালয়তো কাম কৰি আছে।

(খ) মুঠতে ৮৮৬ জন। উচ্চ মাধ্যমিক বিদ্যালয়ত—৩৬৬ জন।
মজলীয়া বিদ্যালয়ত—৫০০ জন।
মুঠ— —৮৬৬ জন।

শ্রীগহীনচন্দ্র দাস : মাননীয় অধ্যক্ষ মহোদয়, ফিক্স পে নিযুক্তি দিয়া ক্ষেত্রত ফিক্স পে কিমান দিনলৈ বলবত্‌ হৈ থাকে ? ইয়াৰ কিবা নীতি-নির্দ্ধাৰণ আছে নেকি ? তেতিয়া হলে ১৯৯১ চনত ফিক্স পেত নিযুক্তি দিয়া শিক্ষক সকল ১৯৯৫ চনলৈকে ফিক্স পেত আছে। তেওঁলোকক বেতলাৰ কৰা তেনেকুৱা কিবা নীতি নির্দ্ধাৰণ আছে নেকি ?

★ শ্রীজয়ন্ত সিং ব্রহ্ম (বাজ্যিক শিক্ষা মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, হিন্দী শিক্ষকৰ ক্ষেত্রত কেন্দ্রীয় চৰক ৰৰ পৰা চেংচন পালেহে আমি তেওঁলোকক নিয়মিয়া হাৰত বেতন দিব পাৰো। ১৯৯১ চনৰ ১৯ নবেম্বৰ মাহৰ পিছৰ পৰা শিক্ষা বিভাগে সৃষ্টি কৰা হিন্দী শিক্ষকৰ পদ এনে ধৰণৰ।

উপৰোক্ত ধৰণে সৃষ্টি কৰা পদৰ বিপৰীতে নিযুক্তি পোৱা শিক্ষক সকলে অর্থাৎ ৬০০ জন হিন্দী শিক্ষকে টাইম স্কেল আৰু ৪০০ টা ফিক্স পে পদৰ ভিতৰত নিযুক্তি পোৱা ৩৬৬ জন শিক্ষকে ফিক্স পে পাই আছে।

এলিমেণ্টৰী এডুকেশ্যান

১৯৯১-৯২ চনত মজলীয়া বিদ্যালয়ৰ বাবে সৃষ্টি কৰা হিন্দী শিক্ষকৰ পদ এনে ধৰণৰ : টাইম স্কেল ১০০ টা

ফিক্স পে ৫০০ টা

মুঠ - ৬০০ টা

সেই হিচাবে ১০০ জন শিক্ষকে টাইম স্কেল পাই আছে আৰু ৫০০ জন শিক্ষকে মুঠতে ১১৮৫০০ টকা (ফিক্স পে) পাই আছে।

হিন্দী শিক্ষাৰ ধন শতকৰা এশ ভাগ কেন্দ্রীয় চৰকাৰে বহন কৰে। ইতিমধ্যে পুঁজিৰ বাবে কেন্দ্রীয় চৰকাৰৰ ওচৰত প্রস্তাব দিয়া হৈছে। প্রয়োজনীয় পুঁজি পালে নিয়মীয়া বেতন দিয়াৰ বাবে পৰীক্ষা কৰি চাব পৰা হব।

এওঁলোকক দৰমহা দিয়াৰ বাবে বিভাগে ব্যৱস্থা হাতত লৈছে। ৫০ লাখ টকা চাপ্লিমেণ্টৰী ডিমাণ্ড যোগে চেকেণ্ডাৰীত দিয়া আৰু ১০৮ লাখ টকা এলিমেণ্টৰীৰ বাবে বি, এ প্রোপ্রিয়েচন প্রপোজেল দিয়া হৈছে।

★ শ্রীগহীনচন্দ্র দাস : মাননীয় অধ্যক্ষ মহোদয়, ভেনচাৰ স্কুলৰ কাৰণে যিবিলাক পদ আহিছিল সেইবিলাক পদ প্রভিনচিয়েলাইজ কৰি নিযুক্তি দিয়া হৈছে নে নাই ? সেই বিষয়ে বিভাগীয় মন্ত্রী মহোদয়ে জনাবনে ?

★ Speech not corrected

★ শ্রীজম্বন সিং ব্রহ্ম (বাণিজ্যিক শিক্ষা মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, দিয়া হোৱা নাই।

UNSTARRED QUESTIONS AND ANSWERS

(Unstarred Question No. 216 was postponed.)

বিষয় : সাংস্কৃতিক অনুষ্ঠানলৈ চৰকাৰী সাহায্য।

শ্রীমহেন্দ্র বড়াই সুধিছে :

২১৭। মাননীয় সাংস্কৃতিক পৰিক্রমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) অসমত চৰকাৰী সাহায্য প্রাপ্ত সাংস্কৃতিক অনুষ্ঠান কিমান আছে, বৰ্ত্তমান চৰকাৰৰ শাসন কালত কিমান অনুষ্ঠানক চৰকাৰী সাহায্য দিয়া হৈছে ? সাহায্যৰ পৰিমাণ কিমান আৰু মাহিলী পেঞ্চন পোৱা শিল্পীৰ সংখ্যা কিমানজন ?

(খ) সাংস্কৃতিক অনুষ্ঠানত প্রতিবছৰে কিমান ছাত্র-ছাত্রীয়ে শিক্ষা গ্রহণ কৰিছে আৰু কিমান ছাত্র ছাত্রীয়ে বিভিন্ন পৰীক্ষাত উত্তীর্ণ হৈছে ? এই অনুষ্ঠান সমূহৰ শিক্ষক শিক্ষয়িত্রী সকলক আর্থিক সাহায্য চৰকাৰৰ তৰফৰ পৰা প্রতিজনক কিমান পৰিমানৰ অর্থ দিয়া হয়।

(গ) অসমৰ প্রতিখন সত্রত সাংস্কৃতিক বিভাগে কোনো আর্থিক অনুদান দিয়াৰ চৰকাৰৰ ব্যৱস্থা আছেনে ? যদি আছে তেন্তে প্রতিখন সত্রলৈ প্রতিবছৰে কিমান অনুদান দিয়ে ? (এই বিষয়ৰ তথ্য সমূহ সদনৰ মেজত জিলা ভিত্তিত দিব)।

(ঘ) সাংস্কৃতিক অনুষ্ঠান সমূহত পৰিদর্শনৰ বাবে চৰকাৰৰ কোনো বিষয়া আছেনে ?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

(ক) ১। বৰ্ত্তমান চৰকাৰী সাহায্যপ্রাপ্ত সাংস্কৃতিক অনুষ্ঠানৰ সংখ্যা ২৮৯ খন।

২। সাধাৰণ — ২৫১ খনক

পাৰ্ব্বত্য—৩৮ খনক

---

* Speech not corrected

৩। সাহায্যৰ পৰিমাণ ২,০০০ টকা পৰা ১০ হাজাৰ টকালৈকে অনুষ্ঠান অনুযায়ী দিয়া হৈছে। বিশেষ সাহায্য ছিচাপে দুই লাখলৈকে দিয়া হৈছে।

(See the Annexure—VI)

৪। মাহিলী পেঞ্চন পোৱা শিল্পীৰ সংখ্যা ১৪২ জন।

(খ) সাংস্কৃতিক অনুষ্ঠান সমূহত ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষা দিয়াৰ ব্যৱস্থা নাথাকে. অনুষ্ঠান পৰিবেশনহে কৰে। যিহেতু এই অনুষ্ঠান সমূহত শিক্ষা প্ৰদানৰ ব্যৱস্থা নাই। সেয়েহে ইয়াত কোনো ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষা দিয়া অথবা শিক্ষক শিক্ষয়িত্ৰীক আৰ্থিক সাহায্য দিয়াৰ প্ৰশ্ন নুঠে।

(গ) অসমৰ প্ৰতিখন সত্ৰলৈ সাংস্কৃতিক বিভাগৰ যোগেদি চৰকাৰী অনুদান দিয়াৰ ব্যৱস্থা নাই।

(ঘ) নাই। সংগীত বিদ্যালয় সমূহ পৰিদৰ্শন কৰিবৰ বাবেহে এজন পৰিদৰ্শক আছে।

বিষয় : তৈল ক্ষেত্ৰৰ উপকাৰ।

শ্ৰীগহীনচন্দ্ৰ দাসে সুধিছে :

২১৮। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) কেন্দ্ৰীয় চৰকাৰে আজিলৈকে অসমৰ তৈল ক্ষেত্ৰৰ উপকৰ (Cess Tax) কিমান আদায় কৰিছে চৰকাৰ জ্ঞাত নে ?

(খ) যদি জ্ঞাত তাৰ পৰিমাণ কিমান ?

(গ) যথাবিধিমতে সেই পৰিমাণৰ ধন প্ৰকৃতাৰ্থত অসমত ব্যৱহৃত হৈছে নে ?

(ঘ) যদি হোৱা নাই এই ক্ষেত্ৰত চৰকাৰৰ প্ৰতিক্ৰিয়া কি সদনক জনাবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) কেন্দ্ৰীয় চৰকাৰী তেনে "Cess Tax"ৰ পৰা কিমান টকা সংগ্ৰহ কৰে চৰকাৰৰ হাতত তথাপাতি নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

(ঘ) প্ৰশ্ন নুঠে।

বিষয় : ভোটাৰ সকলৰ পৰিচয় পত্ৰ।

শ্ৰীনিজামুদ্দিন প্ৰামাণিক সুধিছে :

২১৯। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অহা নিৰ্বাচনৰ পূৰ্বে ভোটাৰ সকলক ফটোসহ পৰিচয় পত্ৰ প্ৰদান কৰা হবনে ?

(খ) যদি হয়, কোন চনৰ ভোটাৰ তালিকাক ভিত্তি হিচাপে লোৱা হব ?

(গ) ফটোসহ পৰিচয় পত্ৰ প্ৰদানৰ পূৰ্বে যিসকল ভাৰতীয় নাগৰিকৰ নাম তালিকাভুক্ত হোৱা নাই, সেইসকল ভাৰতীয় নাগৰিকৰ নাম তালিকা ভুক্ত কৰাৰ ব্যৱস্থা লোৱা হবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ভোটাৰ সকলক ফটোসহ পৰিচয় পত্ৰ প্ৰদান কৰাৰ ব্যৱস্থা ইতিমধ্যে হাতত লোৱা হৈছে।

(খ) নিৰ্ব্বাচন আয়োগৰ নিৰ্দ্দেশ ক্ৰমে ইং ১৯৯৪ চনৰ ভোটাৰ তালিকাক ভিত্তি হিচাবে লোৱা হব।

(গ) বৰ্ত্তমানে নিৰ্ব্বাচন আয়োগৰ ইং ১৯৯৫ চনৰ (Intensive Revision ৰ নিৰ্দ্দেশ মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ে স্থগিত ৰাখিছে। কিন্তু ফটোসহ পৰিচয় পত্ৰৰ কাৰণে ভোটাৰ তালিকাত অন্তৰ্ভুক্ত নথকা কোনো ভাৰতীয় নাগৰিক যদি ফটো তোলা স্থানত উপস্থিত হয় তেন্তে নিৰ্ব্বাচন আয়োগৰ নিৰ্দ্দেশ অনুসাৰে সেই নাগৰিক জনে নিৰ্দ্ধাৰিত প্ৰ-পত্ৰত আবেদন কৰিলে আৰু তেওঁক উপযুক্ত পালে তেওঁক ফটো পৰিচয় পত্ৰ দিয়াৰ ব্যৱস্থা লোৱা হব।

বিষয় : আত্মসমৰ্পণকাৰী আলফাৰ সংখ্যা।

শ্ৰীপ্ৰণৱ কুমাৰ নাথে জিজ্ঞাসা কৰিছে :

২২০। মাননীয় মুখ্যমন্ত্ৰী মহোদয় অনুগ্ৰহ কৰিয়া জনাবেন কি :

(ক) সমগ্ৰ আসামে জিলা ভিত্তিক আত্মসমৰ্পণকাৰী আলফাৰ মোট সংখ্যা কত ?

(খ) মাথাপিছু আত্মসমৰ্পণকাৰী আলফাদের জন্য ৰাজ্য চৰকাৰ পুনৰ্বাসনৰ জন্য কত টাকা ও কি কি বণ্টন কৰেছেন বিশদ তথ্য সদনৰ মেজে দাখিল কৰিবেন ?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) সমগ্ৰ অসমত জিলা ভিত্তিক আত্মসমৰ্পণকাৰী আলফাৰ সংখ্যা ১৫/৯/৯৫ পৰ্য্যন্ত তলত উল্লেখ কৰা ধৰণৰ :

১।	কামৰূপ	২৮৯
২।	মৰিগাওঁ	১৩৮
৩।	নগাওঁ	৪৯৭
৪।	গোলাঘাট	৪৫৮
৫।	যোৰহাট	১৯৪
৬।	শিৱসাগৰ	৩৮৬
৭।	ডিব্ৰুগড়	৪৩৭
৮।	তিনিচুকীয়া	২৬৯
৯।	লক্ষীমপুৰ	১৮৮
১০।	শোণিতপুৰ	২০৫
১১।	ধেমাজী	৬৩২
১২।	দৰং	১৪১
১৩।	নলবাৰী	২২৪
১৪।	বৰপেটা	১৯৫
১৫।	বঙাইগাওঁ	২৩১
১৬।	কোকৰাঝাৰ	৫৬
১৭।	গোৱালপাৰা	২৯৮
১৮।	কাৰ্বি আংলং	৬
১৯।	ধুবুৰী	১০১
২০।	কাছাৰ	১

(খ) আত্মসমৰ্পণকাৰী আলফা সকলক পুনৰ সংস্থাপনৰ কাৰণে ১০০ শতাংশ বিশেষ বীজধন আঁচনি ১৯৯২ চনৰ জুন মাহৰ পৰা আৰম্ভ কৰা হৈছে। আঁচনিৰ জৰিয়তে তিনি ধৰণে ঋণ দিয়া হৈছে।

(১) ব্যক্তিগত আচনি : এই আঁচনিৰ সৰ্ব্বোচ্চ মূল্য ২.০০ লাখ টকাতকৈ অধিক হব নোৱাৰিব আৰু ইয়াৰ ৫০,০০০/- টকা বীজধন হিচাবে চৰকাৰে বহন কৰিব। বাকী ১.৫০ লাখ টকা ঋণ হিচাবে বিত্তীয় প্ৰতিষ্ঠানে দিব।

(২) অংশীদাৰ আঁচনি : এই আঁচনিৰ সৰ্ব্বোচ্চ মূল্য ১০.০০ লাখ টকাতকৈ অধিক হব নোৱাৰিব। ইয়াৰে ২৫০ লাখ বীজধন হিচাবে চৰকাৰে বহন কৰিব। বাকী ৭৫০ লাখ টকা ঋণ হিচাবে বিত্তীয় প্ৰতিষ্ঠানে যোগান ধৰিব। এই আঁচনিৰ অংশীদাৰ ৫ জনতকৈ অধিক হব নোৱাৰিব।

(৩) সমবায় আঁচনি : এই আঁচনিৰ সৰ্ব্বোচ্চ মূল্য হব ২০.০০ লাখ টকা। ইয়াৰে ৫.০০ লাখ টকা বীজধন হিচাবে চৰকাৰে বহণ কৰিব। বাকী ১৫.০০ লাখ টকা ঋণ হিচাবে বিত্তীয় প্ৰতিষ্ঠানে যোগান ধৰিব। এই আঁচনিৰ অংশীদাৰ ১০ জনতকৈ অধিক হব নোৱাৰিব।

উক্ত আঁচনিৰ জৰিয়তে আত্মসমৰ্পণকাৰী আলফাৰ সদস্যসকলক পুনৰ সংস্থাপনৰ কাৰণে এই পৰ্য্যন্ত ২১৭৫.৫০ লাখ টকা বীজধন হিচাবে ইতিমধ্যে মুকলি কৰি দিয়া হৈছে আৰু ৩১-৮-৯৫ তাৰিখলৈকে ৩১০৫ জনক পুনৰ সংস্থাপন দিয়া হৈছে।

ইয়াৰ বাহিৰেও আত্মসমৰ্পণকাৰী আলফাৰ সদস্য সকলক পুনৰ সংস্থাপনৰ বাবে চৰকাৰী চাকৰি আৰু কাঠৰ অনুজ্ঞাপত্ৰ দিয়াৰ ব্যৱস্থা কৰা হৈছে। ইতিমধ্যে ৮৭৩ জন আলফা আত্মসমৰ্পণকাৰীক চৰকাৰী চাকৰি আৰু ৩৭ জনক কাঠৰ অনুজ্ঞাপত্ৰ দিয়া হৈছে।

বিষয় : মিনি ষ্টেডিয়াম নিৰ্মাণ।

শ্ৰীচিত্তেন্দ্ৰ নাথ মজুমদাৰ জিজ্ঞাসা কৰিছে :

২২১। মাননীয় ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰিয়া জনাবেন কি :

(ক) মাননীয় মুখ্যমন্ত্ৰী সমগ্ৰ আসামে ১৯৯৫-৯৬ সালে ১৪ টা গ্ৰাম্য মিনি ষ্টেডিয়াম কৰাৰ ঘোষণা কৰিছেন কি ? যদি হা হাইলাকান্দি জেলায় এলে, এ ৬ মধ্যে হাইলাকান্দি নিৰ্বাচন চক্ৰে চা-বাগানে একটি মিনি ষ্টেডিয়াম কৰাৰ কোন পৰিকল্পনা সৰকাৰৰ আছে কি ?

(খ) গত ১৯৯৪-৯৫ সালে খেলোৱাৰ দেৰ উৎসাহিত কৰাৰ বাবে কোন খেলাৰ সামগ্ৰী নো দেওয়াৰ কাৰণ কি ?

(গ) ১৯৯৫-৯৬ চালে খেলার চামগ্রী দেওরা হবে কি ?

শ্রীইন্দ্র গাঁগে (ক্রীড়া আরু যুবকল্যাণ বিভাগর মন্ত্রী) য়ে উত্তর দিছে :

(ক) কবিছে। হাইলাকান্দি জিলার মনিপুর চাহ বাগানত এটা মিনি ষ্টেডিয়াম নির্মাণর কাম হাতত লোরা হৈছে।

(খ) ইতিমধ্যে অক্টোবর মাহর ভিতরত দিয়ার ব্যবস্থা করা হৈছে।

(গ) দিয়া হব।

বিষয় : লোকসেরা আয়োগর সদস্য সংখ্যা।

শ্রীহিতেন্দ্র নাথ গোস্বামীয়ে সুধিছে :

২২২। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কবি জনাবনে ;

(ক) অসম লোকসেরা আয়োগর সভাপতিকে ধবি অন্যান্য সদস্যসকলক সংখ্যা কিমান ?

(খ) এই সকলর ভিতরত পূর্বতে বাজ্য বা কেন্দ্রীয় চরকাবর কোনো চাকরীয়াল আছে নেকি, যদি আছে কেইজন জনাব ?

(গ) সদস্যসকল আরু সভাপতির নাম কি (তেওঁলোকর পূর্ব অভিজ্ঞতা অর্থাৎ কি পদত ক'ত কার্যনির্বাহ কবিছিল বিতং তথ্য সদনত দাখিল কবিব)।

(ঘ) অসম লোকসেরা আয়োগে বছরি কোনো প্রতিবেদন দিয়ার নিয়ম আছেনে ? যদি আছে এই প্রতিবেদন কোন বছর পর্যন্ত আয়োগে কার ওচরত দাখিল কবিছে জনাব। (শেহতীয়া প্রতিবেদনর এটা কপি সদনত দিব)।

শ্রীহিতেশ্বর শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তর দিছে :

(ক) অসম লোকসেরা আয়োগর সভাপতিকে ধবি মুঠ সদসার সংখ্যা ১১ (এঘর) জন, কিন্তু যোরা ২৩/০৯/৯৫ ইং তারিখর পরা সদস্য শ্রীকুমুদ নাথ শর্মাই অবসর গ্রহণ করাত সদ্যহতে এজন সদস্যর পদ খালী হৈ আছে।

(খ) হয় আছে, ৪ (চারি) জন।

(গ) সদস্য সকল আরু সভাপতির নাম, তেওঁলোকর পূর্ব অভিজ্ঞতা অর্থাৎ কি পদত ক'ত কার্যনির্বাহ কবিছিল তার এখন বিতং তথ্য সদনত দাখিল করা হ'ল। ('চ' নিচানত)।

(See the Annexure—VII)

(ঘ) হয় আছে। ইং ১৯৯১-১৯৯২ বছৰ পৰ্য্যন্ত আয়োগৰ বছৰেকীয়া প্ৰতিবেদন আয়োগে চৰকাৰৰ ওচৰত দাখিল কৰিছে। (শেহতীয়া প্ৰতিবেদনৰ মাত্ৰ এটা কপি সদনত পেচ কৰা হ'ল ('ছ' নিচানত কেৱল প্ৰশ্নকৰ্ত্তাৰ বাবে।

(See the Annexure—VIII)

বিষয় : Mini Stadium নিৰ্মাণ আঁচলি।

শ্ৰীবুবুল দাসে সুধিছে :

২২৩। মাননীয় ক্ৰীড়া আৰু যুৱকল্যান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) জাগীৰোডত এটা Mini Stadium থকাৰ কথাটো মন্ত্ৰী মহোদয়ৰ জ্ঞাত নে ?

(খ) যদি জ্ঞাত এই Mini Stadium টো নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে কোন কোন চনত কিমান টকাৰ পুঁজি আৱণ্টন দিয়া হৈছিল জনাবনে ?

(গ) Mini Stadium টোৰ নিৰ্মাণ অসম্পূৰ্ণ হৈ থকাৰ বিষয়ে মন্ত্ৰী মহোদয় অৱগতনে ?

(ঘ) যদি অৱগত চলিত বিত্তীয় বৰ্ষত বাকী থকা নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ কৰিবলৈ পুঁজিৰ অনুমোদন দিবনে ?

(ঙ) অসমৰ বিভিন্ন সমষ্টি তথা জিলা ভিত্তিত ১৯৯৩-৯৪ আৰু ১৯৯৪-৯৫ বছৰত যোগান ধৰা খেলৰ সামগ্ৰীৰ মূল্য কিমান ? সামগ্ৰীসমূহৰ নাম, যোগান ধৰা সংস্থা ও হিতাধিকাৰীৰ বিতং তথ্য সদনৰ মজিয়াত দাখিল কৰিব ?

শ্ৰীইন্দ্ৰ গাগৈ (ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ মন্ত্ৰী) ৰে উত্তৰ দিছে ঃ

(ক) জ্ঞাত।

(খ) ১৯৮৯ চনত ১,০০,০০০.০০ (এক লাখ) টকা।

১৯৯১-৯২ চনত ১,০০,০০০.০০ (এক লাখ) টকা।

মুঠ ২,০০,০০০.০০ (দুই লাখ) টকা।

(গ) অৱগত।

(ঘ) চলিত বিত্তীয় বছৰত ৫০,০০০ টকা ধাৰ্য্য কৰা হৈছে।

(ঙ) এই সম্পৰ্কে জিলা ক্ৰীড়া বিষয়া সকলৰ পৰা তথ্য বিচৰা হৈছে।

বিষয় : পুলিচৰ গুলী চালনা।

শ্রীহিতেশ্বৰ ডেকাই সুধিছে :

২২৪। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) ১৯৯৫ চনৰ ৩ জুন তাৰিখে বঙিয়া মহকুমাৰ হাঁহাৰা গাঁৱত পুলিচে গুলীচালনা কৰিছিল নেকি ?

(খ) যদি কৰিছিল উক্ত গুলীচালনাত কিমান ব্যক্তি নিহত আৰু আহত হৈছিল ?

(গ) উক্ত গুলীচালনাৰ ঘটনাৰ চৰকাৰে তদন্তৰ নিৰ্দেশ দিয়াটো সঁচা নেকি ?

(ঘ) যদি সঁচা তদন্তকাৰী বিষয়াই তদন্তৰ প্ৰতিবেদন দাখিল কৰিলেনে ? (তদন্তৰ প্ৰতিবেদন সদনৰ মেজত দাখিল কৰিব)

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) এজন নিহত আৰু দুজন আহত হৈছিল।

(গ) সঁচা।

(ঘ) কৰিছে। (প্ৰতিলিপি দাখিল কৰা হ'ল)

(See the Annexure—IX)

বিষয় : সাহিত্য, সংস্কৃতি আৰু কলাৰ ক্ষেত্ৰত চৰকাৰী অনুদান।

শ্রীশশকমল সন্দিকৈয়ে সুধিছে :

২২৫। মাননীয় সাংস্কৃতিক বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) অসমৰ সাহিত্য, সংস্কৃতি আৰু কলাৰ ক্ষেত্ৰত বুৎপত্তি থকা ২৬ জন বিশিষ্ট শিল্পীলৈ কেন্দ্রীয় চৰকাৰে ১৯৯২ চনৰ ২৫ নবেম্বৰ আৰু ১৯৯৩ চনৰ ১৪ জানুৱাৰী তাৰিখে ১৯৮৯-৯০ আৰু ১৯৯০-৯১ চনৰ বাবে মুঠ ২,৪৪,৮০০ টকা আৰু ১৯৯১-৯২ আৰু ১৯৯২-৯৩ চনৰ বাবে মুঠ ৩,৫১,০০০ টকা প্ৰেৰণ কৰা কথা সত্যনে ?

(খ) যদি সত্য, তেন্তে অসম চৰকাৰে জনেপ্রতি ৫০০·০০ টকাকৈ বাৰ্ষিক আগবঢ়াৰ লগা অনুদানৰ সৈতে সেই ধন কেতিয়াকৈ মুকলাই দিব ?

(গ) এই অনুদানৰ বাবে অপেক্ষা কৰি স্বনামধন্য শিল্পী পুৰুষোত্তম দাস আৰু হেঁমেন হাজৰিকাৰ মৃত্যু ঘটিল এই তথ্য চৰকাৰ অৱগত নে ?

শ্রীহিতেশ্বর শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তর দিছে :

(ক) বিশিষ্ট শিল্পী সাহিত্যিকলৈ আর্থিক সাহায্য দিয়াৰ আঁচনিত কেন্দ্রীয় চৰকাৰৰ ২৫/১১/৯২ তাৰিখৰ চিঠি নং এফ, আই, চি ৫/৯১ চি, আই, ২ মৰ্মে ১৯৮৯-৯০ আৰু ১৯৯০-৯১ চনৰ বাবে ১,৬২, ২০০/- টকা আৰু ১৪/১/৯৩ তাৰিখৰ চিঠি নং এফ্ ১৬/৮/৯১ চি, এইচ্ চি, এইচ ২ মৰ্ম্মে ১৯৯২/৯৩ চনৰ বাবে ২,৩৪,৭৮০/- টকা মঞ্জুৰ কৰিছিল। তদুপৰি ১১/১২/৯১ তাৰিখৰ চিঠি এফ্ ১৬/৮/৯১-চি, এইচ মৰ্ম্মে ১৯৯১-৯২ চনৰ বাবে ৮১,৬০০/- টকা মঞ্জুৰ কৰিছিল।

(খ) উক্ত ধন কেন্দ্রীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ দ্বাৰা ২ : ১ হাৰত জনেপ্রতি দিয়াৰ নিয়ম। উক্ত নিয়ম অনুসৰি এই ধন মোকোৱাই দিয়াৰ প্রয়োজনীয় ব্যৱস্থা লোৱা হব।

(গ) আর্থিক সাহায্য উক্ত আঁচনিৰ বাবে নির্বাচিত স্বনামধন্য শিল্পী পুৰুষোত্তম দাস আৰু হেমেন হাজৰিকাৰ লোকান্তৰ হোৱা বুলি চৰকাৰ অবগত।

বিষয় : আলফাৰ দ্বাৰা নিহত সকলৰ পৰিয়াললৈ সাহায্য।

শ্রীআতাউদ্দিল চৰকাৰে সুধিছে :

২২৬। মাননীয় মুখ্য মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) ধুবুৰী জিলাৰ গোলকগঞ্জ থানা এলেকাত আলফাৰ দ্বাৰা নিহত হোৱা ব্যক্তিৰ সংখ্যা কিমান? (গাওঁ ভিত্তিত নিহতৰ নাম দিব)

(খ) নিহত সকলৰ পৰিয়াললৈ আর্থিক সাহায্য আগবঢ়োৱাৰ ব্যৱস্থা আছে নেকি?

(গ) নিহত সকলৰ পৰা আর্থিক সাহায্য বিচাৰি আবেদন কৰা হৈছে নেকি?

(ঘ) যদি হৈছে, আর্থিক সাহায্য আগবঢ়োৱা হৈছে নেকি?

শ্রীহিতেশ্বর শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তর দিছে :

(ক) নিহতৰ সংখ্যা 8 জন।

গাওঁ	নাম
১। ৰাউছমাৰী	— আব্দুল হাই বেপাৰী।
২। ৭নং কাইমাৰী	— আনোৱাৰ হুছেইন বিশ্বাস।

৩। বিছনদৈ — সুছেন কর্ম্মকাৰ।

৪। বাওঁছেৱকাটি — মহিবুদ্দিন সেখ।

(খ) আছে।

(গ) হৈছে।

(ঘ) এতিয়ালৈকে আব্দুল হাই বেপাৰীৰ পৰিয়ালক ২টা কিস্তিত মুঠ ৫০,০০০'০০ টকা (পঞ্চাশ হাজাৰ) আৰু আনোৱাৰ হুছেইন বিশ্বাসৰ পৰিয়ালক ১টা কিস্তিত মুঠ ২৫,০০০'০০ টকা (পচিশ হাজাৰ) আৰ্থিক সাহায্য দিয়া হৈছে। বাকী থকা ২ জন মৃত্যুত ব্যক্তি সুছেন কর্মকাৰ আৰু মহিবুদ্দিন সেখৰ পৰিয়াললৈ আৰ্থিক সাহায্য দিয়াৰ ব্যৱস্থা কৰি থকা হৈছে।

বিষয় : মিনি ষ্টেডিয়াম নির্ম্মাণ।

শ্রীজীউ ৰাম বড়োই সুধিছে :

২২৭। মাননীয় ক্রীড়া আৰু যুৱকল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) দৰং জিলাৰ কালাইগাওঁ সমষ্টিৰ কালাইগাওঁত এখনি "মিনি ষ্টেডিয়াম" নির্মাণ কৰিবলৈ ধন মঞ্জুৰী আৰু ষ্টেডিয়াম খনি নির্মাণ কৰিবলৈ এখনি "নির্মাণ কমিটি" গঠন কৰা হৈছে ?

(খ) যদি ধন মঞ্জুৰী কৰা সঁচা পৰিমাণটো কি আৰু নির্ম্মাণ কমিটি খনৰ সদস্য কোন কোন ?

(গ) লগতে নির্মাণ কমিটিয়ে মঞ্জুৰী ধনেৰে কাম আৰম্ভ কৰিছেনে ? যদি কৰা নাই কি উদ্দেশ্যত নির্মাণ কাম আৰম্ভ কৰা হোৱা নাই আৰু এই চেপ্তেম্বৰ মাহতেই কিয় নির্মাণ কাম সম্পূর্ণ কৰা নহব অনুগ্রহ কৰি জনাবনে ?

শ্রীইন্দ্র গাগৈ (ক্রীড়া আৰু যুৱকল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) ১২,০০,০০০'০০ (বাৰ লাখ) টকা।

নির্মাণ কমিটিৰ সদস্য :

(১) উপায়ুক্ত, দৰং — — চেয়াৰমেন।

(২) জিলা ক্রীড়া বিষয়া — — সদস্য — সচিব।

(৩) স্থানীয় বিধায়ক — — সদস্য।

(৪) মুখ্য অভিযন্তা,
গড়কাপ্তানী বিভাগ (গৃহ) — সদস্য।

(৫) সভাপতি/সম্পাদক, কলাইগাঙ
আঞ্চলিক ক্রীড়া সস্থা, — সদস্য।

(গ) নির্মাণৰ বাবে প্রাৰম্ভিক কাম আৰম্ভ কৰা হৈছে।

Re : Police Station at Ramkrishna Nagar.

Shri Rampyare Rabidas asked :

228. Will the Chief Minister be pleased to state :

(a) Whether the Government has completed all formalities to inaugurate the long desired Police Station at Ramkrishna Nagar ?

If Not, why and

If Yes, when it will be inaugurated ?

(b) What are the reasons which made it delay and pending ?

(Give details)

Shri Hiteswar Saikia (Chief Minister) replied :

(a) No. Notification describing the boundaries of the Police Station has yet to be finalised.

(b) The reasons for the delay are that the new Police Station at Ramkrishna Nagar is to be established by splitting up of the existing Ratabari Police Station and by revision of the boundary of the Patharkandi police Station. But the Badshahi Tila Reserve Poresis in part comes under the jurisdiction of both the revised Police Stations, namely Ratabari and Patharkandi and their common boundary cuts through the Reserve Forests. Hence, the matter is under examination whether Badshahi

Tila Resevre Forest can be included within one or the other of the 3 Police Stations.

বিষয় : আত্মসমর্পণকাৰীৰ সংস্থাপন।

শ্ৰীক্ষীৰেণ বৰগয়াৰীয়ে সুধিছে :

২২৯। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে•

(ক) ১৯৯৩ চনৰ ২০ ফেব্ৰুৱাৰীত স্বাক্ষৰিত বড়োলেণ্ড চুক্তি অনুসৰি আত্মসমৰ্পণ কৰা Bodo Militant সকলৰ কিমান জনক পুনৰ সংস্থাপন দিয়া হল ? (নাম ও ঠিকনাৰ তালিকা সদনত দাখিল কৰিবলৈ অনুৰোধ কৰা হ'ল।

(খ) এতিয়ালৈকে কিমানজনৰ আত্মসমৰ্পণকাৰীৰ পুনৰ সংস্থাপন দিবলৈ বাকী আছে ?

(গ) পুনৰ সংস্থাপনৰ কাম কেতিয়া সম্পূৰ্ণ হব ?

(ঘ) বড়োলেণ্ড আন্দোলনকাৰীৰ কিমানজনৰ গোচৰ সমূহ প্ৰত্যাহাৰ কৰা হল (নাম ও ঠিকনাৰ তালিকা সদনত দাখিল কৰিবলৈ অনুৰোধ কৰা হ'ল ?

(ঙ) যদি এতিয়ালৈকে গোচৰ প্ৰত্যাহাৰ কৰা হোৱা নাই — কিয় হোৱা নাই ?

(চ) BLP ৰ তিনিজন সদস্যৰ গোচৰ সমূহ প্ৰত্যাহাৰ কৰা হ'ল নেকি ?

(ছ) যদি হোৱা নাই কেতিয়া কৰা হব ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ১-৯-৯৫ তাৰিখ পৰ্য্যন্ত ৯০৭ জন আত্মসমৰ্পণকাৰী বড়ো উগ্ৰপন্থী ১০০% বিশেষ বীজধন আঁচনিৰ জৰিয়তে পুনৰ সংস্থাপন দিয়া হৈছে। (২৯৫ জনৰ নামৰ তালিকা অনুবদ্ধ সূচী ১'ত দিয়া হ'ল)

(See the Annexure – X)

(খ) ৯৬৭ জন আত্মসমৰ্পণকাৰী বড়ো উগ্ৰপন্থীক পুনৰ সংস্থাপন দিবলৈ বাকী আছে।

(গ) চলিত বিত্তীয় বৰ্ষ অৰ্থাৎ ১৯৯৫-৯৬ চনৰ ভিতৰত পুনৰ সংস্থাপনৰ কাম সম্পূৰ্ণ হব বুলি আশা কৰা হৈছে।

(ঘ) বড়োলেণ্ড আন্দোলনকাৰীৰ মুঠ ১৭২ জনৰ বিৰুদ্ধে থকা গোচৰ সমূহ প্ৰত্যাহাৰ কৰা হৈছে (নাম, ঠিকনাৰ তালিকা অনুবদ্ধ সূচী—২ত দিয়া হ'ল)

(See the Annexure—XI)

(ঙ) গোচৰ প্ৰত্যাহাৰৰ বিবেচনা সংক্ৰান্তত চৰকাৰে জিলা ভিত্তিত Screening Committee, State Level Review Committee আৰু এখন Sub—Committee গঠন কৰি দিছে।

(চ) নাই হোৱা।

(ছ) বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

বিষয় : টাডা আইনত গ্ৰেপ্তাৰ।

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতাই সুধিছে :

২৩০। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰ্ত্তমানলৈকে অসমত টাডা আইনৰ দ্বাৰা কিমানজনক গ্ৰেপ্তাৰ কৰা হ'ল জনাবনে ?

(খ) টাডা আইনত গ্ৰেপ্তাৰ কৰাৰ পিছত কিমানজনৰ মৃত্যু হ'ল আৰু কিমানজন পঙ্গু হ'ল জনাবনে ?

(গ) টাডা আইনখন অসমত যে অপ-প্ৰয়োগ কৰা হৈছে এই সম্পৰ্কত চৰকাৰ অৱগত নে ?

(ঘ) যদি অৱগত, তেনেহলে এই সম্পৰ্কত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছিল ?

(ঙ) বৰ্ত্তমান অসমত টাডা আইনখন প্ৰয়োগ কৰা আছে নে ?

(চ) এই আইনখন প্ৰত্যাহাৰ কৰাৰ বাবে চৰকাৰে কি চিন্তা কৰিছে জনাবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ১৯৮৫ চনৰ টাডা আইন আৰু ১৯৮৭ চনৰ টাডা আইন বলবৎ-হোৱাৰ পৰা বৰ্ত্তমানলৈকে ৰাজ্যখনত মুঠ ১৪৫০০ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে।

(খ) টাডা আইনত গ্ৰেপ্তাৰ কৰাৰ পিছত আত্মহত্যাকে আদি কৰি বিভিন্ন কাৰণত মুঠ ২১ জন লোকৰ মৃত্যু হয়। কোনো লোক পঙ্গু হোৱা নাই।

(গ) অসমত টাডা আইনখনৰ অপ-প্ৰয়োগ হোৱা নাই।

(ঘ) প্ৰশ্ন নুঠে।

(ঙ) নাই হোৱা।

(চ) টাডা আইনৰ ম্যাদ ইতিমধ্যে উকলি গৈছে।

বিষয় : বেচম প্রশিক্ষণ কেন্দ্র।

শ্রীমহেন্দ্র বৰাই সুধিছে :

২৩১। মাননীয় বেচম বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) তিতাবৰ বেচম প্রশিক্ষণ কেন্দ্রত ১৯৯১-৯২ পৰা ১৯৯৫-৯৬ লৈকে যোৰহাটস্থ কিমান জন লোকক প্রশিক্ষণ দি, কিমান জনক নিযুক্তি দিলে ?

(খ) তিতাবৰ বেচম ফার্মত কিমানজন সম্প্রসাৰণ বিষয়া আছে ? তেওঁলোকে ১৯৯১-৯২ পৰা ১৯৯৫-৯৬ লৈকে কোন এলেকাত, কোন গাওঁত, কোন লোকক, মুনি, চোম, কেছেক, সোঁৱালো, এডা আদি কিমান পুলি যোগান ধৰিলে ? আৰু এই শিতানত কিমান টকা ব্যয় কৰিলে ? আৰু কোনো লোকক বেহাই মূল্যৰ ধন বিতৰণ কৰিছিল নে ?

(গ) প্রতিখন ফার্মৰ বছৰি পাট আৰু মুগা উৎপাদনৰ সীমা আছে নে ? বৰ্ত্তমান পাঁচ বছৰৰ প্রতিবছৰত লাভ লোকচান কিমান ? (যোৰহাট জিলা ভিত্তিত প্রকাশ কৰিব)।

(ঘ) যোৰহাট জিলাৰ প্রতিখন ফার্মৰ পর্য্যায়ক্রমে চাকৰিয়াল সকলক দৰমহা দিওঁতে বৰ্ত্তমান পাঁচ বছৰৰ প্রতিবছৰ কিমান টকা ব্যয় হয় ?

(ঙ) যোৰহাট জিলাৰ ফার্মৰ কার্য্যালয় ভাড়াত লোৱা হৈছে নেকি ? প্রতিটো কার্য্যালয়ৰ নাম আৰু ভাড়াৰ মাহিলী পৰিমান উল্লেখ কৰি সদনৰ মজিয়াত টোকা দাখিল কৰিবনে ?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

(ক) তিতাবৰ বেচম প্রশিক্ষণ কেন্দ্রত ১৯৯১-৯২ ৰ পৰা ১৯৯৫ ৯৬ লৈকে যোৰহাট জিলাৰ মুঠ ৩৬ জন প্রশিক্ষার্থীক বেচম প্রশিক্ষণ দিয়া হয়। এই ৩৬ জন প্রশিক্ষার্থীৰ ভিতৰত ১ জন প্রশিক্ষার্থীক (১৯৯১-৯২) নিযুক্তি দিয়া হৈছে।

(খ) তিতাবৰ, বেচম পামত সম্প্রসাৰণ বিষয়াৰ কোনো পদ নাই। গতিকে তাত সম্প্রসাৰণ বিষয়াৰ দ্বাৰা মুনি গছ, চোম, কেছেকু, সোঁৱালো আদি পুলি যোগান ধৰা আৰু চগতে এই শিতানত

ব্যয়, বেহাই, মূল্যৰ ধন বিতৰণৰ প্ৰশ্ন নুঠে।

(গ) প্ৰতিখন ফাৰ্মৰ বছৰি পাট পলুৰ লাট আৰু মুগা লাটৰ উৎপাদন সীমা (লক্ষ্য) বান্ধি দিয়া হয়। যিহেতু বেচম শিল্পৰ বাবে হোৱা খৰচ পলুপালক সকলৰ সুবিধাৰ্থে আৰু সম্প্ৰসাৰণ কাম হিচাবে গণ্য কৰা হয়, সেয়ে প্ৰত্যক্ষ লাভ লোকচানৰ পৰ্য্যালোচনা কৰা নহয়। গতিকে যোৰহাট জিলা ভিত্তিত তেনে লাভ লোকচানৰ প্ৰতিবেদন দিব পৰা নাযায়।

(ঘ) যোৰহাট জিলাৰ প্ৰতিখন ফাৰ্মৰ চাকৰিয়াল সকলক ১৯৯১-৯২ ৰ পৰা দৰমহা দিওঁতে হোৱা খৰছৰ তালিকা ইয়াৰ লগত গাঁঠি দিয়া হ'ল। (১ নং তালিকা)

(See the Annexure—XII)

(ঙ) যোৰহাট জিলাৰ বেচম ফাৰ্মৰ কাৰ্য্যালয়ৰ কোনো ঘৰ ভাড়াত লোৱা নাই। গতিকে প্ৰতিটো কাৰ্য্যালয়ৰ নাম আৰু ভাড়া পৰিমানৰ টোকা দাখিল কৰাৰ প্ৰশ্ন নুঠে।

যোৰহাট জিলাৰ সহকাৰী বেচম সঞ্চালকৰ কাৰ্য্যালয় সহ পাট পলুৰ সঁচ ভড়াল, গৃহ এটা ভাড়াত লোৱা হৈছে।

(১) সহকাৰী বেচম সঞ্চালকৰ বাবদ মাহিলী ঘৰ ভাড়া ১৬০২'০০ টকা।

বিষয়ঃ শোভা যাত্ৰাৰ ওপৰত গুলিচালনা।

শ্ৰীদিপেন্দ্ৰ বৰপাত্ৰে সুধিছে :

২৩২। মাননীয় মুখ্যমন্ত্ৰীয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) লক্ষীমপুৰ জিলাৰ বিলমুখত ২১/৪/৯৫ তাৰিখে TMPK আৰু MMK ৰ এটা শোভা যাত্ৰাৰ ওপৰত পুলিচে গুলি চলনা কৰা ঘটনাৰ চৰকাৰে কিবা তদন্তৰ নিৰ্দেশ দিছিল নেকি ?

(খ) যদি দিছিল তেন্তে তদন্ত হ'লনে ?

(গ) তদন্তৰ প্ৰতিবেদন সদনক জনাবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) যে উত্তৰ দিছে।

(ক) হয়।

(খ) তদন্ত এতিয়াও আৰম্ভ হোৱা নাই।

(গ) সময়ত জনোৱা হব।

বিষয় : থানা স্থাপন।

শ্রীমতী রূপম্ন কুর্মীয়ে সুধিছে :

২৩৩। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) মৰিয়নী সমষ্টিৰ ন কছাৰী (Out Post) ক পূৰ্ণ পৰ্য্যায়ৰ থানালৈ ৰূপান্তৰ কৰি, হেমলাই, ছামতলং নতুবা গাভক নতুবা বৈছাহাবি বাগিছাৰ খেল পথাৰত এটি (Out Post) থানাৰ প্ৰয়োজন বোধ কৰি ৰাইজে বিভাগীয় মন্ত্ৰী মহোদয়ক জনোৱাটো সঁচানে?

(খ) যদি সঁচা ইয়াৰ ব্যৱস্থা মন্ত্ৰী মহোদয়ে কৰিবনে?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

(ক) ন-কছাৰীত অৱস্থিত ডেবেৰাপাৰা আৰক্ষী চকীটো পূৰ্ণ পৰ্য্যায়ৰ আৰক্ষী থানালৈ উন্নীত কৰাৰ কথা জনোৱা নাই। হেমলাই ছামতলত এটি আৰক্ষী চকী স্থাপনৰ বাবে আবেদন পোৱা হৈছে।

(খ) প্ৰাপ্ত আবেদনখন বিবেচনাধীন হৈ আছে।

বিষয় : স্থায়ী ৰাজধানী নিৰ্মাণ সম্পৰ্কে।

শ্রীৰজমুল হকে সুধিছে :

২৩৪ মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) অসমৰ স্থায়ী ৰাজধানী কোন ঠাইত নিৰ্মাণ কৰা হব তাৰ চূড়ান্ত সিদ্ধান্ত চৰকাৰৰ হাতত আছেনে?

(খ) পৰিকল্পিত আধুনিক নগৰ হিচাবে নতুন ৰাজধানীখন নিৰ্মাণ কৰা হবনে?

(গ) নতুন ৰাজধানী নিৰ্মাণ কৰোতে মুঠ কিমান টকাৰ প্ৰয়োজন হ'ব? কেন্দ্ৰীয় চৰকাৰে ৰাজধানী নিৰ্মাণৰ মুঠ টকাৰ কিমান শতাংশ ব্যয় বহন কৰিব?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

(ক) হয়, আছে।

(খ) হয়।

(গ) আনুমানিক ৫০০ (পাচশ) কোটি টকা। এতিয়ালৈকে কেন্দ্ৰীয় চৰকাৰে কিমান শতাংশ ব্যয় বহন কৰিব সেই সম্পৰ্কে কোনো সিদ্ধান্ত পোৱা হোৱা নাই।

বিষয় : খেলৰ সামগ্ৰী বিতৰণ।

শ্ৰীপাৰীৰাম ৰাভাহে সুধিছে :

২৩৫। মাননীয় ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ক্ৰীড়া বিভাগে খেলৰ সামগ্ৰী বিতৰণ কৰে নেকি ?

(খ) যদি কৰে, ১৯৯১ ইং চনৰ পৰা বৰ্ত্তমানলৈ কোন জিলাত কিমানকৈ খেলৰ সামগ্ৰী বিতৰণ কৰিছে জনাবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) কৰে। বিকেন্দ্ৰীকৃত পৰিকল্পনা আঁচনিৰ অধীনত দিয়া ধনেৰে জিলা ক্ৰীড়া বিষয়াই খেলৰ সামগ্ৰী কিনি যোগান ধৰে।

(খ) জিলা ভিত্তিত এই সম্পৰ্কে তথ্য বিচৰা হৈছে।

Re : Tamulpur Civil Sub-Division.

Shri Derhagra Mochahary asked :

236. Will the Chief Minister be pleased to state :

(a) Whether Government have decided to declare Tamulpur as Civil Sub-Division as assured in the last Budget session of 1995 by the Hon'ble Chief Minister of Assam ?

(b) If so, when it will be declared ?

Shri Hiteswar Saikia (Chief Minister) replied :

(a) Though it was decided the matter is kept in abeyance due to resource constraint of the State.

(b) We shall have to wait for improvement in the resource position and such other allied matters.

Re : Recruitment of Constables.

Shri Promode Gogoi asked :

237. Will the Chief Minister be pleased to state :

(a) Whether Government constituted a Special Recruitment Committee headed by a D. I. G., police, for

recruitment of constables for the newly created Police Battalions ?

(b) What are the Criteria laid down for the Selection of Candidates ?

(c) Whether the Government is aware of the allegations made against the D. I. G. P. heading the Selection Committee ?

Shri Hiteswar Saikia (Chief Minister) replied :

(a) Yes.

(b) Criteria for Selection of candidate is laid down in the O. M. No. FB/ I/125/pt/116, dtd. 8.7.95 and Memo No. FB/I/125/88/pt dtd. 11.6.91 appended at Annexure "A".

(See the Annexure—XIII)

(c) No.

বিষয় ঃ বলৎকারে ঘটনা।

শ্রীচিত্তেন্দ্র নাথ মজুমদার জিজ্ঞাসা করছেন :

২৩৮। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জানাবেন কি :

(ক) গত ১৯৯৩ ইং ১৯ মার্চ কাছাড় জেলার মাছিমপুরে (শ্রীকোনা) রাখাল খালের পার গ্রামে শ্রীপ্রমোদ চন্দ্র নাথ মহাশয়ের মেয়ে জি, সি কলেজের ছাত্রী শ্রীমতী বিজয়া নাথকে রাত্র অনুমানিক ১-৫০ মিঃ তাহাদের নিজ বাড়ীতে ঘরের দরজা ভেঙ্গে বলৎকার করা হয়েছিল সে ঘটনা সত্যি কি ?

(খ) যদি সত্যি হয় তবে উক্ত ঘৃন্য ঘটনার সাথে জড়িত অপরাধি দের গ্রেপ্তার করা হয়েছে কি ?

(গ) অপরাধি দের নাম কি ?

(ঘ) সরকার কি ব্যবস্থা নিয়েছেন সদনে মেঝে লিখিত ভাবে জানাবেন ?

শ্রীহিতেশ্বর শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তর দিছে ঃ

(ক) সত্য নহয়।

(খ) প্রশ্ন ওঠে।

(গ) প্রশ্ন নুঠে।

(ঘ) প্রশ্ন নুঠে।

Re : Declaration of Naharkatia Civil Sub-Division.

Shri Sasha Kamal Handique asked :

239. Will the Chief Minister be pleased to state :

(a) Whether the active examination of the Government for declaring Naharkatia as a Civil Sub-Division of Dibrugarh District has been completed.

(b) If so, what is the out-come of the examination ?

(c) If the result is positive when the Sub-division will be declared ?

Shri Hiteswar Saikia (Chief Minister) replied :

(a) Not completed.

(b) Does not arise.

(c) Does not arise.

বিষয় : তালাচী চকী।

শ্রীগহীনচন্দ্র দাসে সুধিছে :

২৪০। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) প্রত্যেক আৰক্ষী চকীৰ ওচৰে পাজৰে বিশেষকৈ ৰাষ্ট্রীয় ঘাই পথৰ ওপৰত Check gate সাজি দিনে নিশাই বিশেষকৈ নিশা পুলিচে ট্রাক বখা দেখা যায় ইয়াৰ বাস্তৱ উদ্দেশ্য কি ?

(খ) এই Check gate সমূহৰ জৰিয়তে ১/১/৯৫ পৰা ২/৯/৯৫ তাৰিখলৈকে কিমানজন উগ্রপন্থী ধৰিছে জনাবনে ?

(গ) এই Check gate ৰ দ্বাৰ কিমান উক্ত সময়ৰ ভিতৰত চোৰাং মাল ধৰা পেলাইছে জনাবনে ?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

(ক) উগ্রপন্থী, সন্ত্রাসবাদীৰ যাতায়ত তথা নিষিদ্ধ অস্ত্র সৰবৰাহ, চোৰাং কাৰবাৰ আৰু নিয়ম বহিভূতভাৱে পণ্য, সামগ্রী আদি কঢ়িওৱাৰ দৰে বে-আইনী কাম ৰোধ কৰাৰ বাবে যান-বাহনত আৰক্ষীয়ে তালাচী চলায়।

(খ) ২১ জন।

(গ) ছটা চেম্বাৰযুক্ত আমেৰিকাত নিৰ্মিত ·২২ ৰ'ৰ এটা বিভলভাৰ, ইয়াৰ ৪ ৰাউণ্ড সজীৱ গুলী, ৫ ৰাউণ্ড গুলিবে সৈতে হস্তনিৰ্মিত এটা বিভলভাৰ, ২২ ৰাউণ্ড গুলীবে সৈতে এটা ৯ মিঃ মিঃ পিষ্টল, ১৭৯ কিল'গ্ৰাম গাজা, এখন মাকতী ভান, ১৮০ খণ্ড কাঠৰ টুকুৰা আৰু বহু অৰ্নুজ্ঞাবিহীন মদৰ বটল।

বিষয় ঃ গোষ্ঠী সংঘর্ষ, সাম্প্রদায়িক সংঘর্ষ ইত্যাদি।

শ্রীবিজামুদ্দিন প্রধানে সুধিছে :

২৪১। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) ১৯৯১ চনৰ ১ জুলাইৰ পৰা ১৯৯৫ চনৰ ১ চেপ্তেম্বৰলৈ গোষ্ঠী সংঘর্ষ, সাম্প্রদায়িক সংঘর্ষ, উগ্রপন্থী আৰু আৰক্ষী / সেনাবাহিনী আদিৰ আক্রমণত নিহত লোকৰ সংখ্যা কিমান? (নিহতৰ সংখ্যা আক্রমণ হিচাবে বেলেগ বেলেগকৈ উল্লেখ কৰিব)

(খ) এই নিহত লোকৰ পৰিয়াললৈ চৰকাৰী নীতি অনুযায়ী সাহায্য দিয়া হৈছেনে?

(গ) যদি হৈছে, কিমান পৰিয়াললৈ কিমানকৈ দিয়া হৈছে?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

(ক) ৯২৬ জন।

আক্রমণ	নিহতৰ সংখ্যা
১। সাম্প্রদায়িক সংঘর্ষ	৮৬ জন।
২। গোষ্ঠীগত সংঘর্ষ	১৬২ জন।
৩। উগ্রপন্থী আক্রমণ	৫২০ জন।
৪। আৰক্ষী তথা নিৰাপত্তা বাহিনীয়ে পৰিস্থিতি নিয়ন্ত্রণ আৰু উগ্রপন্থীৰ আক্রমণ প্রতিৰোধৰ বাবে বাহিনীৰ তৎপৰতাত	১৫৮ জন।

(খ) হৈছে।

(গ) ৮১৯ টা পৰিয়ালক মুঠ ৬,৫৭,৮০,০০০ টকা দিয়া হৈছে।

বিষয় : নতুন কমাণ্ডো বাহিনী।

শ্রীপ্রণব কুমাৰ নাথে জিজ্ঞাসা কৰিছে :

২৪২। মাননীয় মুখ্যমন্ত্রী মহোদয় অনুগ্রহ কৰিয়া জানাবেন কি :

(ক) রাজ্য সরকার 'কমাণ্ডো বাহিনী' গঠন করার জন্য যে সিদ্ধান্ত নিয়েছেন, তার সদর কার্য্যালয়র স্থান নির্ণয় সম্বন্ধে কি সিদ্ধান্ত নিয়েছেন ?

(খ) করিমগঞ্জ জিলার 'ইরালীগুল' নামক স্থানে কমাণ্ডো বাহিনীর সদর কার্য্যালয় স্থাপন করার ব্যবস্থা গ্রহণ করবেন কি ? যদি হয় কখন, যদি না কেন ?

শ্রী হিতেশ্বর শইকীয়া (মুখ্যমন্ত্রী) যে উত্তর দিছে :

(ক) সিদ্ধান্ত লোৱা নাই ।

(খ) বর্ত্তমান এই বিষয়টো চৰকাৰৰ বিবেচনাধীন নহয় ।

বিষয় : ভোটাৰৰ পৰিচয় পত্ৰ ।

শ্রীমহেন্দ্র বড়াই সুধিছে :

২৭৩ । মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) অসমৰ আগন্তুক সাধাৰণ নিৰ্ব্বাচনৰ ভোটাৰ পৰিচয় পত্ৰ ছপা কৰাৰ ব্যবস্থা লৈছে নে ?

(খ) যদি লৈছে কি ভিত্তিত লৈছে, ইয়াৰ যোগান কোন ব্যক্তিক দিলে ? (তেওঁলোকৰ নাম ঠিকনা উল্লেখ কৰি সদনৰ মেজত দাখিল কৰিবনে ?)

শ্রী হিতেশ্বর শইকীয়া (মুখ্যমন্ত্রী) যে উত্তর দিছে :

(ক) ব্যবস্থা লোৱা হৈছে ।

(খ) নিবিদা যোগে । ফটো সহ পৰিচয় পত্ৰ তৈয়ায় কৰা কাম ১। বাগমাৰী টি কোম্পানী, কলিকতা, ২ । লোহিয়া জুট প্রেছ. কলিকতা আৰু ৩। সৰস্বতী প্রেছ, কলিকতা এই তিনিটা প্রতিস্থানক দিয়া হৈছে ।

বিষয় : লাঠি আৰু গুলি চালনাৰ ঘটনা ।

শ্রীমনসিং ব্রংপী,

শ্রীহলিৰাম টৈৰাং যে সুধিছে :

২৪৪ । মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) যোৱা এপ্রিল ১৯৯৫ ৰ পৰা বর্ত্তমানলৈকে লক্ষীমপুৰ আৰু ধেমাজী জিলাত TMPK-TMMK ৰ আন্দোলন সংক্রান্তত এতিয়ালৈ

কিমানবোৰ গুলি চালনা আৰু কিমানবাৰ লাঠিচালনাৰ ঘটনা ঘটিছে ?

(খ) উক্ত আন্দোলন সংক্রান্তত এতিয়ালৈ কিমান সংখ্যক লোকক গ্রেপ্তাৰ কৰা হৈছে ?

(গ) উক্ত আন্দোলনৰ শান্তিপূর্ণ মীমাংসাৰ বাবে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

(ক) ২ বাৰ গুলি চালনা আৰু ২ বাৰ লাঠিচালনাৰ ঘটনা ঘটিছে।

(খ) মুঠ ৩১ জন।

(গ) সকলো আন্দোলনৰ শান্তিপূর্ণ মীমাংসাৰ বাবেই চৰকাৰে আলোচনাৰ পথ সদায়েই মুকলি বাখিছে।

বিষয় ঃ নাৰী ধর্ষণ আৰু আত্মহত্যাৰ সংখ্যা।

শ্রীলজমুল হকে সুধিছে ঃ

২৪৫। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কবি জনাবনে :

(ক) ১৯৯৫ চনৰ ১ লা জানুৱাৰীৰ পবা ৩১ আগষ্টলৈকে অসমত মুঠ কিমান টা নাৰী ধর্ষণ হৈছে আৰু তাৰ মাজত পুলিচ আৰু সামৰিক বাহিনীৰ হাতত কিমানটা ধর্ষণ হৈছে ?

(খ) যৌতুকৰ দাবীত স্বামী আৰু শাহুৰ হাতত কিমান নাৰী নির্য্যাতীত হৈ আত্মহত্যা কৰাৰ গোচৰ কজু কৰা হৈছে ?

(গ) নাৰী ধর্ষণ আৰু বোৱাৰী হত্যা বোধ কৰিবলৈ চৰকাৰে কিবা নতুন আইন প্রণয়ন কৰিবনে ?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

(ক) পঞ্জীভূক্ত গোচৰৰ সংখ্যা = ৩২০ টা, পুলিচ আৰু সামৰিক বাহিনীৰ লগত জড়িত কোনো ধর্ষণৰ গোচৰ নাই।

(খ) ৬ টা।

(গ) এনে প্রস্তাৱ নাই।

বিষয় : Police Out Post স্থাপন।

শ্রীচিত্তেন্দ্র নাথ মজুমদাৰ জিজ্ঞাসা কৰিছেন :

২৪৬। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰিয়া জানাবেন কি ?

(ক) হাইলাকান্দি জেলায় কালাছড়া ও মনাছড়ার Police Out Post স্থাপনের কোন পরিকল্পনা সরকারের আছে কি ?

(খ) যদি না থাকে তবে প্রয়োজন অনুসারে Out Post স্থাপন করা হবে কি ?

শ্রীহিতেশ্বর শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তর দিছে :

(ক) কালাছড়াত এটা Police Out Post স্থাপনৰ প্রস্তাৱ পোৱা হৈছে আৰু পৰীক্ষা কৰি থকা হৈছে। মনাছড়াৰ কোনো প্রস্তাৱ পোৱা নাই।

(খ) মনাছড়াৰ কাৰণে প্রস্তাৱ পালে পৰীক্ষা কৰি চোৱা হব।

Re : Financial approval to the Fire Service Station at R. K. Nagar.

Shri Rampyare Rabidas asked :

247. Will the Chief Minister be pleased to state :

(a) Whether the Finance Department was made any provision to sanction necessary fund to the proposed Fire Service Station at Ram Krishna Nagar from the non-plan fund in this current financial year ?

(b) If yes, what is the amount and, If not, why ?

Shri Heteswar Saikia (Chief Minister) replied :

(a) No.

(b) Does not arise.

বিষয় : কমাণ্ডো বাহিনীৰ অত্যাচাৰ।

শ্রীমতী রূপম কুমৰীয়ে সুধিছে :

২৪৮। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) ডেবগাওঁ চাহ বাগিছাৰ কণিকা তাঁতীৰ ৮ মাহ গৰ্ভধাৰণ কৰি থকা অৱস্থাত, কমাণ্ডো বাহিনী অত্যাচাৰত গৰ্ভস্থ শিশুটি মৃত্যু হয়, চৰকাৰ অৱগত নে ?

(খ) যদি অৱগত ঘটনাটোৰ স্পষ্টিকৰণ দাঙি ধৰিবনে ?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) য়ে উত্তৰ দিছে :

(ক) এই বিষয়ে তদন্ত কৰা হৈছে। অভিযোগ সত্য নহয়।

(গ) প্রশ্ন নুঠে।

(Unstarred question No. 249 was disalved)

বিষয় ঃ বাৰ্ষিক আয় ব্যয়।

শ্রীনজমুল হকে সুধিছে :

২৫০। মাননীয় গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) গুৱাহাটী পৌৰ নিগমৰ বাৰ্ষিক আয় কিমান টকা আৰু বাৰ্ষিক ব্যয় কিমান টকা যোৱা তিনি বছৰৰ ভিত্তিত ?

(খ) নিগমৰ নিজা আয়ৰ উৎস সমূহ কি কি ? আৰু কোন শিতানৰ পৰা কিমান টকা বছৰি নিগমৰ তহবিলত জমা হয় ?

(গ) মেয়ৰ আৰু ডেপুটী মেয়ৰৰ বেতন আৰু ভ্রমণ বাবদ বছৰি কিমান টকা ধাৰ্য্য কৰা হৈছে ?

(ঘ) গুৱাহাটী পৌৰ নিগমে ১৯৯৫-৯৬ চনৰ বাবে নিগমৰ উন্নয়নৰ বাবে কি কি আঁচনি গ্রহণ কৰিছে আৰু তাৰ বাবে মুঠ কিমান টকা খৰছ কৰা হব ?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) মুঠ আয় = ১৬২৫·২৯ লাখ টকা।

মুঠ ব্যয় = ১৬৯৩·৯১ লাখ টকা।

(খ) নিগমৰ আয় উৎস সমূহৰ তালিকা তলত দিয়া হ'ল। এই উৎস সমূহৰ পৰা বছৰি সাধাৰণতে গড়ে প্রায় ১৬০৫·০৭ লাখ সংগৃহীত হয়।

আয়ৰ উৎস আৰু আয়ৰ পৰিমান এনে ধৰণৰ—

(১) স্থাৱৰ সম্পত্তি কৰ (Property tax & Urban tax)

যানবাহন প্রবেশ কৰ— (entry tax)

যানবাহন ৰখা স্থানৰ কৰ (Parking tax)

মুঠ = ৯৪৩·১৩ লাখ টকা।

(২) চৰকাৰৰ পৰা পোৱা কৰ—

যানবাহন কৰ (M. V. Tax)

আমোদ কৰ (Entertainment tax)

মাটিবাড়ী হস্তান্তৰৰ কৰ (Land mutation etc. tax)

মুঠ = ৫০৮ ৯১ লাখ টকা

(৩) চৰকাৰৰ পৰা পোৱা ঋণ আৰু অনুদান = ৪৫·১৪ লাখ টকা।

(৪) অন্যান্য প্ৰাপ্য = ১৮·৫ লাখ টকা।

(৫) বজাৰৰ পৰা সংগৃহীত কৰ = ২১·৪২ লাখ টকা।

(৬) পানী যোগানৰ পৰা সংগৃহীত কৰ = ২৮·৪২ লাখ টকা।

(গ) ১৯৯৫-৯৬ চনৰ বাবে বাজেট ৮ (আঠ) লাখ টকা ধৰা হৈছে।

(ঘ) ১৯৯৫-৯৬ চনৰ পৌৰ নিগমে লোৱা আঁচনি সমূহ তলত উল্লেখ কৰা হ'ল আৰু এই আঁচনি সমূহৰ বাবে প্ৰায় দহ কোটি টকা প্ৰয়োজন হব। আঁচনি সমূহ হল—

(১) বানপানীত ক্ষতিগ্ৰস্ত ৩৮৬ টা ৰাস্তাৰ মেৰামতিৰ বাবে ৪·২৩ কোটি টকাৰ এখন আঁচনি প্ৰস্তুত কৰিছে। এই শিতানত ইতিমধ্যে ১ (এক) কোটি টকা চৰকাৰে অনুমোদন দিছে।

(২) নৰ্দ্দমা নিৰ্মাণৰ বাবে মুঠ ২·১০ কোটি টকাৰ আঁচনি গ্ৰহণ কৰা হৈছে।

(৩) নিগমৰ ১৭৯ টা মুখ্য ৰাস্তা আৰু দলং ইতিমধ্যে গড়কাপ্তানি বিভাগলৈ নিৰ্ম্মাণৰ বাবে হস্তান্তৰ কৰিছে। গড়কাপ্তানি বিভাগে এই ৰাস্তা দলঙৰ কাম আৰম্ভ কৰিছে।

(৪) পানী যোগান আঁচনিৰ অন্তৰ্গত কালাপাহাৰ আৰু বিৰুবাৰী অঞ্চলৰ বাবে গোপীনাথ নগৰত এটা গভীৰ নলী নাদৰ কাম সম্পূৰ্ণ হৈছে। ১৪ টা নতুন গভীৰ নলীনাদৰ বাবে ২ কোটি টকাৰ আঁচনি গ্ৰহণ কৰা হৈছে।

(৫) বৰ্ত্তমান নুমাই থকা বিজুলী বাতিবোৰ পুনৰ জ্বলাবলৈ ইতিমধ্যে বিদ্যুৎ পৰিষদক ৩ লাখ টকাৰ সামগ্ৰী যোগান ধৰা হৈছে। তাৰোপৰি নতুন ৰাস্তা সমূহত বিজুলী বাতিৰ ব্যৱস্থাৰ বাবে ৯০ লাখ টকাৰ এখন আঁচনি গ্ৰহণ কৰা হৈছে।

বিষয় : শিলচাঙত আৰক্ষীৰ গুলি চালনা ।

শ্রীনমসিং ৰংপী
শ্রীহুলিৰাম টেৰাং
শ্রীদীপেঞ্জ ৰংপি
শ্রীষাবু ৰংপি

য়ে সুধিছে :

২৫১। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) যোৱা ইং ২২ জুন তাৰিখে লালুং আৰু মিচিং স্বায়ত্ব শাসনৰ চুক্তি বাতিলকৰণৰ দাবীত ''ট্রাইবেল পিপুলছ ফ্রন্ট'' এ পুৱা ৫ বজাৰ পৰা ১২ ঘণ্টীয়া জনজাতীয় অসম বন্ধ আহ্বান দিছিল । সেই বন্ধৰ কালছোৱাত মৰিগাওঁ জিলাৰ জাগীৰোড থানাৰ অন্তর্গত শিলচাং গাওঁত আৰক্ষীয়ে গুলিচালনা কৰিছিল । উক্ত ঘটনাৰ সন্দর্ভত চৰকাৰ অৱগতনে ?

(খ) যদি অৱগত হয় তেন্তে চৰকাৰে তদন্তৰ ব্যৱস্থা গ্রহণ কৰিছেনে ?

(গ) যদি কৰিছে, তেন্তে কিমানজন আহত হৈছিল নাম সহ জনাবনে ? আৰু আহত সকলক চৰকাৰৰ তৰফৰ পৰা ক্ষতিপূৰণ দিয়া হৈছিলনে ? যদি দিয়া হৈছিল কিমান ক্ষতিপূৰণ দিয়া হৈছিল ?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

(ক) হয় ।

(খ) কৰা হৈছে ।

(গ) আৰতি পাটৰ নামৰ এগৰাকী ছোৱালী আঘাতপ্রাপ্ত হৈছিল । ক্ষতিপূৰণ দিয়া হোৱা নাই ।

বিষয় : আৰক্ষী বিভাগত নিযুক্তি ।

শ্রীমহেন্দ্র বড়াই সুধিছে :

২৫২। মাননীয় মুখ্য মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

১৯৯১-৯২ চনৰ পৰা ১৯৯৪-৯৫ লৈকে পর্য্যায়ক্রমে আৰক্ষী বিভাগত কিমান লোকক নিযুক্তি দিয়া হল ? ইয়াৰ ভিতৰত পুৰুষ আৰু মহিলাৰ সংখ্যা কিমান ?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

১৯৯১-৯২ চনৰ পৰা ১৯৯৪-৯৫ লৈকে পর্য্যাক্রমে আৰক্ষী বিভাগত

নিযুক্তি পোৱা মুঠ কর্মচাৰীৰ (অৱাজপত্রিত) সংখ্যা হ'ল ৭৬২৮ জন। ইয়াৰ ভিতৰত ৭৫০১ জন পুৰুষ আৰু ১২৭ গৰাকী মহিলা।

বিষয় : ৰেচম মহাবিদ্যালয়।

শ্রীমহেন্দ্র বড়াই সুধিছে :

২৫৩। মাননীয় ৰেচম বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) তিতাবৰ সমষ্টিত ৰেচম মহাবিদ্যালয়ৰ বাবে কিমান মাটি অধিগ্রহণ কৰা হল ? মহাবিদ্যালয়ৰ গৃহ নির্ম্মাণৰ কাম কেতিয়া আৰম্ভ হব ? গৃহ নির্মাণৰ বাবে কিমান টকা ধার্য্য কৰা হ'ল ?

(খ) তিতাবৰ ৰেচম ফার্মত কিমান জোপা মুনি, চোম, সোঁৱালো আদি গছ আছে ? ফার্মখনৰ মেৰামতিৰ বাবদ বছৰি কিমান টকা ব্যয় কৰা হয় ? সেই অনুপাতে বিষয়া, কর্মচাৰীক দর্মহা দিওঁতে কিমান টকা ব্যয় হয় ? (মাহিলী হিচাবত) সদনৰ মজিয়াত টোকা দাখিল কৰিবনে ?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

(ক) তিতাবৰ সমষ্টিত ৰেচম মহাবিদ্যালয়ৰ বাবে ১৫৪ বিঘা মাটি অধিগ্রহণ কৰা হৈছে। মহাবিদ্যালয়ৰ নির্মাণৰ কাম প্রস্তাৱিত পুঁজিৰ যোগান নিশ্চিত হোৱাৰ পিচতহে আৰম্ভ কৰিব পৰা হ'ব। প্রস্তাৱিত প্রকল্পত গৃহ নির্মাণৰ শিতানত ৪০৮·৫৩ লাখ টকা ব্যয় নির্দ্ধাৰণ কৰা আছে।

(খ) ৮৬২০ জোপা মুনি গছ, ১,২২৭ জোপা চোম গছ আছে। সোঁৱালো গছ নাই। বছৰেকীয়া মেৰামতিৰ বাবদ নির্দ্ধাৰিত ধনৰ পৰিমান নির্দ্দিষ্ট কৰি ধৰা নহয়।

১৯৯৫-৯৫ চনত মেৰামতিৰ বাবদ ২০ হেজাৰ টকা খৰচ কৰা হৈছে। বিষয়া কর্মচাৰীক দর্মহাৰ বাবদ মাহিলী গড়ে ২৮৫০০ টকা খৰচ কৰা হয়।

(Deferred unstarred question Nos. 9 and 17 of 18-9-95)

বিষয় : ষ্টেডিয়াম নির্ম্মাণ।

ম্মঃ মহিবুল হক্কে সুধিছে :

৯। মাননীয় ক্রীড়া আৰু যুৱকল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) ধুবুৰীৰ প্ৰস্তাৱিত ৰৱদলৈ ষ্টেডিয়ানখন নিৰ্মাণ কৰিবলৈ চৰকাৰে আজিলৈ কোন কোন তাৰিখত সৰ্বমুঠ কিমান টকা আৱণ্টন আৰু কিমান টকা মোকলাই দিছিল, জনাবনে ?

(খ) ইয়াৰে কিমান টকা খৰছ কৰা হৈছে আৰু এই খৰছ সম্পৰ্কে সংশ্লিষ্ট বিভাগৰ হাতত খৰছৰ কিবা হিচাব আছেনে ?

(গ) যদি আছে, সদনৰ মেজত দাখিল কৰিব ?

(ঘ) যদি নাই, কি কাৰণত নাই, চৰকাৰে এই সম্পৰ্কে কিবা অনুসন্ধান কৰি তৎকালীনভাৱে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীইন্দ্ৰ গগৈ (ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ধুবুৰী জিলাত ৰৱদলৈ ষ্টেডিয়াম নামেৰে কোনো ষ্টেডিয়াম নিৰ্মাণৰ প্ৰস্তাৱ থকা বুলি চৰকাৰ অৱগত নহয় । সেয়েহে উক্ত টকা আৱণ্টনৰ প্ৰশ্ন নুঠে ।

(খ) প্ৰশ্ন নুঠে ।

(গ) প্ৰশ্ন নুঠে ।

(ঘ) প্ৰশ্ন নুঠে ।

Re : Recognization of Chess game :

Shri Karendra Basumatary asked :

228. Will the Minister of Sports be pleased to state :

(a) Whether the Government would be pleased to recognise and patronise the Chess game which is an international game and which has been recognised by some of the States of India ?

(b) If so, when and if not why ?

Shri Indra Gogoi (Minister, State (Ind) Sports and Youth Welfare) replied :

(a) Chess competitions orginised by different organisations are being patronised by the Government, but the question of any formal recognisation has not been considered so far.

(b) The Game has not figured in the list of School Games Federation of India which is the basis for such recognisation.

Discussion During Zero Hour

Mr. Speaker: I have received as many as 6 zero Hour ?

★ শ্রীহলিৰাম টেৰাং : মাননীয় অধ্যক্ষ মহোদয়, এটা কথা মই কব বিচাৰিছো—যোৱা ২২ তাৰিখে এটা লিখিত প্ৰশ্ন নং ১৯২ আছিল। সেই প্ৰশ্নটো আমি ৪ জন বিধায়কে মাননীয় জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰীক দিছিলো। কেইটামান গোষ্ঠীক জনজাতি হিচাবে অনুসূচীকৰণ কৰিবলৈ স্বায়ত্ব শাসিত কাৰ্বি আলং জিলা পৰিষদে প্ৰেৰণ কৰা প্ৰস্তাৱটো তেওঁলোকৰ হাতত নাই। মোৰ হাতত ডিমাণ্ডটো আছে। সেই প্ৰস্তাৱটো যোৱা ২১ তাৰিখে বিচিভ কৰিছে।

মাননীয় অধ্যক্ষ : সদনৰ কাম শেষ হোৱাৰ পিচত আজি আমি মন্ত্ৰী সকলৰ লগত আলোচনাত বহিম তেতিয়া আমি এই বিষয়ে আলোচনা কৰিম। আপোনাৰ প্ৰস্তাৱটো তাতে দিব।

I have received as many as 6 zero hour notices for 25.9.95 from the Hon'ble Members—

(1) Shri Mohibul Haque.
(2) Shri Hitendra Nath Goswami.
(3) Shri Ramendra Narayan Kalita
(4) Shri Pani Ram Rava.
(5) Shri Mission Ranjan Das,
(6) Shri Hiteswar Deka,

As per Rules, I have selected only 3 Zero Hour notice for discussion today. I now call upon the

* Speech not corrected

Hon'ble Member Shri Mohibul Haque to raise his zero hour notice which was published in "Ajir Asom" dtd-22-9-95 under the caption" কম মজুৰিৰ শ্ৰমিকক শোষণ :

★ শ্ৰীমহিবুল হক : মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২২ চেপ্তেম্বৰ তাৰিখে আজিৰ অসম বাতৰিত প্ৰকাশিত "কম মজুৰিৰ শ্ৰমিকৰ শোষণ" বাতৰিটোৰ প্ৰতি ৰাজ্য চৰকাৰ তথা মাননীয় শ্ৰম মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো । মাননীয় অধ্যক্ষ মহোদয়, মাজবাট অঞ্চলৰ বিলবস্তী পৰিচালিত কেইখনমান চাহবাগিছা আছে। সেই চাহ বাগিছা বিলাকত মহিলা শ্ৰমিক আৰু শিশু শ্ৰমিকক ২৩ টকাৰ পৰিবৰ্ত্তে ১১ টকাকৈ দিন মজুৰি দি শ্ৰমিক সকলক শোষণ কৰি আছে। মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে মই আজি এই পৱিত্ৰ সদনত অৱগত কৰিব বিচাৰিছো যে আজি এই মাজবাট চাহ বাগিছা অঞ্চলত নহয় গোটেই অসমত যিমান চাহ বাগিছা আছে তাত কেৱল শ্ৰমিক সকলকে নায্য প্ৰাপ্য পৰা বঞ্চিত কৰাই নহয় সকলোবিলাক সা-সুবিধাৰ পৰাও বঞ্চিত কৰি তেওঁলোকক শোষণ কৰি ৰাখিছে। অসমত বহুতো উদ্যোগ আছে। সেই উদ্যোগবোৰত কাম কৰা শ্ৰমিক সকলে পাবলগীয়া সুবিধাৰ পৰা বঞ্চিত কৰি ৰখা হৈছে। গতিকে মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰৰ ফালৰ পৰা লেবাৰ ওৱেলফেয়াৰ অফিচাৰ নিয়োগ কৰা হৈছে। সেই অফিচাৰ সকলৰ যিটো এক্টিভিটিজ হব লাগে, সেইটো হোৱা নাই। শ্ৰমিকসকলে খোৱা পানী, মেডিকেল আদিৰ যিখিনি সা-সুবিধা পাব লাগে সেইখিনিৰ পৰাও বঞ্চিত হৈ আছে। তাৰোপৰি অফিচাৰ সকলে বাগানৰ মালিক পক্ষকহে সহায় কৰি আছে বুলি আমি জানিবলৈ পাইছো। শ্ৰমিক সকলৰ সা-সুবিধা পোৱাৰ প্ৰতি লক্ষ্য নাৰাখি লেবাৰ অফিচাৰ সকলে মালিকৰ লগত হাত মিলোৱা বুলি আমি অভি-যোগ পাইছো। আইন ৰূপায়ণ সমিতি আছে। এই আইন সমিটি এখন গঠন কৰিবৰ কাৰণে পৱিত্ৰ সদনত জনাইছো। ধুবুৰীত প্লাইউদ জুইশলা কাৰখানা আছে। তাতো লেবাৰ এক্টখন প্ৰয়োগ কৰা হোৱা নাই ।

★ Speech not corrected

আমাৰ এই লেবাৰ এক্ট সম্পৰ্কে ধুবুৰী মেচ ফেক্টৰী, প্লাইউড ফেক্টৰী, হোলাৰ মিল আদি উদ্যোগ প্ৰতিষ্ঠান পৰিদৰ্শন কৰি প্ৰতিবেদনত জনাইছিলো। তেওঁলোকে উচিত মজুৰী, শ্ৰমিক সকলৰ নিম্নতম্ সা-সুবিধা যিখিনি পাব লাগিছিল তেওঁলোকক দিয়া হোৱা নাই। গতিকে মই ভাবো আজি যেনেকৈ আমাৰ ইয়াত এচ, চি, এচ, টি সকলৰ কাৰণে এচ, চি সদন কমিটি আছে ঠিক তেনেকৈ লেবাৰ ওৱেলফেয়াৰ কমিটিও গঠন কৰিব লাগে। অনমত চাহ উদ্যোগ সমূহৰ শ্ৰমিক সকলৰ ওপৰত যিখিনি অন্যায় অবিচাৰ চলি আছে, তেওঁলোকে যিদৰে ন্যায্য প্ৰাপ্তিৰ পৰা বঞ্চিত হৈ আছে যিখিনি নিম্নতম্ সা-সুবিধা তেওঁলোকে পাব লাগে সেইখিনিৰ পৰাও বঞ্চিত হৈ আছে সেই সকলো বিলাক ন্যায় বিচাৰৰ কাৰণে পৰামৰ্শ দিবলৈ সদনৰ জৰিয়তে পৰামৰ্শ দিবলৈ এচ, চি ওৱেলফেয়াৰ কমিটিৰ দৰে এখন লেবাৰ ওৱেলফেয়াৰ কমিটি গঠন কৰি দিব লাগে। শ্ৰমিক সকলৰ ন্যায্য প্ৰাপ্তিৰ বাবে বা তেওঁলোকে যিখিনি সা-সুবিধাৰ পৰা বঞ্চিত হৈ আছে সেই ব্যৱস্থা মমূহ কাৰ্য্যকৰি কৰিবলৈ বিভাগৰ তৰফৰ পৰা যি লেবাৰ ওৱেলফেয়াৰ অফিচাৰ, লেবাৰ ইন্সপেক্টৰ আদি নিয়োগ কৰিছে, আমাৰ শ্ৰমিক সকলৰ তেওঁলোকৰ ওপৰত বিশ্বাস হেৰাই গৈছে। তেওঁলোকে মালিক গোষ্ঠী লগত হাত মিলাই চলিছে। গতিকে আমাৰ জিলা ভিত্তিক উপায়ুক্তই হওক বা স্থানীয় বিধায়ক, ৰাজনৈতিক নেতা বা মন্ত্ৰীয়ে হওক এজনক সভাপতি হিচাবে ৰাখি এখন লেবাৰ ওৱেলফেয়াৰ কমিটি গঠন কৰা হওক। যাতে চাহ উদ্যোগ প্ৰতিষ্ঠান সমূহে, শ্ৰমিক সকলৰ পাবলগীয়া নিম্নতম সা-সুবিধাৰ পৰা বঞ্চিত কৰি ৰাখিব নোৱাৰে। মই মোৰ বক্তৃতাৰ সামৰণি মাৰিব খুজিছো—কিন্তু এই খিনিতে এটা কথা কব বিচাৰিছো যে ভাৰত চৰকাৰ তথা অসম চৰকাৰে দৰিদ্ৰ দূৰিকৰণৰ যি আঁচনি লৈছে সেই আঁচনি ফলপ্ৰসূ কৰিবলৈ শ্ৰমিক সকলৰ দিন মজুৰী ক্ষেত্ৰত যি সংশোধনী প্ৰস্তাৱ লৈছে যে দিন মজুৰী ২৩ টকা পৰ্য্যন্ত দিব। কিন্তু সেই সিদ্ধান্ত কাৰ্য্যকৰী কৰা হোৱা নাই। এতিয়াও দিন মজুৰী ১১ টকা দি থকা হৈছে। তাৰোপৰি তেওঁলোকক যিখিনি নিম্নতম্ সা-সুবিধা

দিয়াব ব্যৱস্থা কবিব লাগিছিল। সেই খিনিব পবাও বঞ্চিত বখা হৈছে। গতিকে শ্রমিক সকলব ওপবত যদি দৃষ্টি বাখিব নোৱাবে তেন্তে চবকাবে লোৱা সকলো আঁচনি ফলপ্রসূ ভাবে ব্যস্তবত পবিণত কবিব নোৱাবিব। তাক চবকাব তথা অসম চবকাবে ১৯৭৫/৭৬ চনত যেতিয়া ইন্দিবা গান্ধী প্রধান মন্ত্রী আছিল তেতিয়া গবিবী হাতাও আঁচনি হাতত লৈছিল অর্থাৎ দবিদ্রতা দূবীকবণ। এই ক্ষেত্রত মই কব খোজো যে বাজ্যিক চবকাবে তথা সংশ্লিষ্ট মন্ত্রীয়ে ভবা যদি এই আঁচনিত শ্রমিক সকলক সাঙুবি লব নোৱাবে তেন্তে সেই আঁচনি ফলপ্রসূ কবিব নোৱাবিব। গতিকে শ্রমিক সকলব ন্যায্য দাবীব ক্ষেত্রত বিহিত ব্যৱস্থা লবলৈ বুলি অনুবোধ কবি মোব বক্তব্য সামবণি মাবিলোঁ।

★ শ্রীভিলেশ্বব ভাঁতী (মন্ত্রী): মাননীয় অধ্যক্ষ মহোদয়, আমাব মাননীয় সদস্য শ্রীমহিবুল হক ডাঙবীয়াই ২২/৯/৯৫ তাবিখে আজিব অসম বাতবি কাকতত প্রকাশিত "কম মজুবীত শ্রমিকক অন্যায়" শীর্ষক বাতবিটোব প্রতি দৃষ্টি আকর্ষণ কবায়। মই ইতিমধ্যে ২২ তাবিখব বাতবি কাকতত পবিবেশন কবা বাতবিটো পাই তৎকালীন ভাবে সংশ্লিষ্ট বিষয়া এচিচটেন লেবাব কমিচনাবব লগত যোগাযোগ কবো। কিন্তু ভেনে ধবণব কোনো অভিযোগ বা বাতবি সেই অঞ্চলব চাহ ইষ্টনিয়ন বা চাহ মজদুব সংঘব ফালব পবা মোব হস্তগত পোৱা নাই। তথাপিতো বিষয়টো অনুসন্ধান কবি প্রতিবেদন দাখিল কবিবলৈ কোৱা হৈছে। সেই প্রতিবেদন পালেহে মই গম পাম। আমাব মাননীয় সদস্য মহিবুল হক ডাঙবীয়াই এই ইণ্টিমেনটেচন কমিটিব চেয়াবমেন হিচাবে ধুবুৰী আৰু অন্যান্য ঠাই সমূহত ভ্রমণ কবি যি পাইছে প্রতিবেদন দিছে। সেই বিষয়ব লগত সম্পর্ক নাই। গতিকে এতিয়া মন্তব্য দিয়াটো সম্ভব নহব। অধ্যয়ন কবিব লাগিব। মই জনাত মাজবাট চাহ বাগিছা বিবলা গোষ্ঠী আদিকে কবি কেইখনমান চাহ বাগিছাই মহিলা আৰু শিশুক ১১ টকা দিন মজুবী দিয়ে। মই সেই দিনা আলোচনাত কৈছিলো যে ২৩.৬০ পইচা এডাল টক আৰু নয় এডাল টক অর্থাৎ ১৪ ব*

* Speech not corrected

পৰা ১৮ বছৰৰ কম বয়সৰ শ্ৰমিক সকলক কাম কৰা অৰ্থে দিন মজুৰী পায় বোধকৰো এডাল্ট শ্ৰমিকৰ আধা হৈছে ১১.৮০ পইচা। পাৰ লাগে। সেই খিনি শ্ৰমিকৰ অৰ্থে ফ্ৰী চাউল আদিও দিয়া হয়। গতিকে ১১.৮০ পইচাৰ লগত ৬ টকা যোগে দি ১৮ টকা হয়। সেইটো তেওঁলোকে পাব লাগে। মোৰ অনুমান হৈছে যিখিনি শিশু শ্ৰমিক আছে বয়স বাটি আছে, তেওঁবিলাকৰ কথা কোৱা হৈছে। যিহেতুকে মই লেবাৰ ইউনিয়নৰ ফালৰ পৰা কোনো তথ্য নাপালো বা পোৱা নাই। সেয়ে মই একো কব নোৱাৰিলো। মই ব্যক্তিগত ভ্ৰমণত চাহ বাগিছালৈ যাওঁতে, এনে কিছুমান ক্ষেত্ৰত পোৱা হৈছে যে যদিও আমাৰ চৰকাৰে ১৮ বছৰ ছোৱালী আৰু ২১ বছৰৰ লৰাৰ বিয়াৰ বয়স ধৰি দিছে। তথাপি চাহ বাগিছাবিলাকত দেখা যায় ছোৱালী গাভৰু হলেই বিয়া পাতে। গতিকে স্বাভাৱিকতে ১৮ বছৰৰ আগতে এটা সন্তানৰ মাক হয় আৰু দেখিবলৈ এডাল্ট যেন দেখা যায়। কিন্তু আচলতে ১৮ বছৰ হোৱা নাই। এনেকুৱা ধৰণৰ ঘটনা থাকিব পাৰে। গতিকে অনুসন্ধান কৰিলে ডিটেইল কব পৰা যাব। সেইটো কথা।

(Mr. Speaker Vacated the Chair and Mr. Deputy Speaker occupied it).

Mr. Deputy Speaker : I now call upon the Hon'ble Member Shri Hitendra Nath Goswami to raise his Zero Hour Notice Published in "Ajir Batori" dtd. 23-9-95 under the caption.

"আজিৰ বাতৰিত প্ৰকাশিত অসমত বিদ্যুতৰ মূল্য সৰ্ব্বাধিক লোদ চেদিং হৈ আছে"।

★ শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামীয়ে : সাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে আজিৰ বাতৰিত প্ৰকাশিত 'অসমত বিদ্যুতৰ মূল্য সৰ্ব্বাধিক, লোদ চেদিং হৈ আছে এই সম্পৰ্কত বিদ্যুৎ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। বিদ্যুৎ ব্যৱহাৰৰ বাবদ বাজ্যখনৰ গ্ৰাহক সকলে দেশৰ ভিতৰত সৰ্ব্বাধিক মূল্য ভৰিব লগা হৈছে।

* Speech not corrected

বুলি ইতিমধ্যে কাকতখনত উল্লেখ কবিছে। প্রতি কিলোৱাটত বিদ্যুৎ যোগানৰ গড় ব্যয় অসমত ১২৭ ৪০ পইচা, পশ্চিমবঙ্গত ১৩৯.৫০ আৰু বিহাৰত ১৫১.৮০ পইচা। বিদ্যুৎ যোগানৰ গড় ব্যয় অসমত আটাইতকৈ কম। অথচ তাৰ বিপৰীতে গ্ৰাহকে ভৰিব লাগে অসমত ৩৫১,৪০ ফিক্স, পশ্চিমবঙ্গত ১৭৫.৮৯ আৰু বিহাৰত ২০৩.৪০ পইচা। অসমত বিদ্যুৎ যোগানৰ ক্ষেত্ৰত দুগুণ ভৰিব লগা হৈছে। তৎসত্ত্বেও গাৱেঁ ভূঞে লোদ চেদিং হৈ আছে। কেন্দ্ৰিয়াৰা প্ৰভাৱশালী মন্ত্ৰী যোৱাৰ সময়খিনি বাদ দি অন্য সময়ত লোদ চেদিং সাধাৰণ ঘটনা হৈছে। ডাঙৰ কথা হ'ল বিদ্যুৎ বৃদ্ধি কৰিব লাগিলেই কৰিব নোৱাৰে। আমাৰ যিধৰণে পদ্ধতিটো উন্নত কৰিব লাগে, সেই প্ৰচেষ্টা অব্যাহত আছে নে নাই যোৱা চাৰিটা বছৰে বিধান সভাত এই বিষয়টো উত্থাপন কৰা হৈছে। বিদ্যুৎ মন্ত্ৰী সলনি হ'ল। বিদ্যুতৰ উৎপাদনৰ হাৰ বৃদ্ধি হব লাগিছিল। কিন্তু হোৱা নাই। ফলত শিক্ষা জগত উদ্যোগ জগতৰ ব্যাপক ক্ষতিৰ সম্মুখীন হৈছে। মাননীয় উচ্চ ন্যায়ালয়ে এটা ৰীট পিটিচনৰ ৰায়ত বিদ্যুৎ পৰিষদে নিৰ্দ্ধাৰণ কৰা নিৰিখ বাহাল ৰাখছে। বিদ্যুৎ পৰিষদে বিচৰামতে মূল্য ভৰিব লাগিব। প্ৰতিটো পৰিয়ালৰ দুইশ টকাৰ তলত বিদ্যুতৰ বিল নাহে। এনে পৰিস্থিতিত গ্ৰাহকে ভৰিব লাগিব নহলে লাইন কাটি দিব। তাৰ বিপৰীতে যোগাতা দেখুৱাব লাগিছিল, লোদ চেদিং কমাব লাগিছিল। ৰাজধানী চৌহুদত থাকিলে বুজা নাযায়। আমাৰ অঞ্চল বিলাকত ভয়ানক অৱস্থা হৈছে। যোৰহাটত দেখিছো ২ ঘণ্টা থাকে আৰু ২৫ মিনিট সময় কাটে। আগতে নিৰ্দ্দিষ্ট সময় আছিল। অসমত ইন্সটল ক্ষমতা ৫ শ মেগাৱাট আৰু আমাক লাগে হিচাব মতে ৪২০ মেগাৱাট। ১৯৯০ চনত তলৈলৈ নামি গৈছিল। এতিয়া কিছু উন্নত কৰিছে। ৪২০ মেগাৱাটৰ বিপৰীতে কিমান পাইছো। পশ্চিমবঙ্গ, বিহাৰৰ তুলনাত অসমত দুগুণ অধিক। পি, এ চিত পশ্চিমবঙ্গলৈ যাওঁতে কৈছিল ১০ বছৰে ৰাষ্ট্ৰ হৈছে। তাত বিদ্যুতৰ এই ব্যৱস্থা শেষ হৈছে। অসমত কেবিনেট বেংকিং দি এজন যোগ্য ব্যক্তিক চেয়াৰমেন হিচাবে অনা হৈছে। তেখেতে কৈছিল লোদ চেদিং

নহব। এতিয়াও লোদ চেদিং হৈ আছে। বাধ্য হৈ গ্রাহকে বিদ্যুতৰ নিৰিখ দি আছে। যোগ্যতা বৃদ্ধি, লোদ চেদিং কমাই শিক্ষা জগতৰ খেলি মেলি কমাই গ্রাহকক সুবিধা দিব নে নিদিয়ে। ইয়াত জেনেৰেটৰ সম্ভৱ নহয়। এইখিনি কথাৰ উত্তৰ বিচাৰিছো।

★ শ্রীগোলোক চন্দ্র ব্রাহ্মবংশী (বিদ্যুৎ মন্ত্রী): মাননীয় অধ্যক্ষ মহোদয়, বিদ্যুতৰ মূল্য সর্বাধিক, লোদ চেদিং এই খবৰটো ভুল। চাৰ্টখনত গ্রাফিক কৰি দেখুৱাইছে। The Statement is wrong. The statement is made on the basis of the graphic chart This is a graphic chart. It gives the average cost. of supply and average realisation in Assam, west Bengal and Bihar except Maharastra. But the average cost of supply and the average realisations are wrongly stated in the news paper. পেপাৰত ৰিপোৰ্ট কৰিছে ওলোটা। চাপ্লাই কষ্ট দিছে ১২৭.৪ আৰু ৰিয়েলাইজেচন ৩৫১ টকা। এটা ডাঙৰ হিচাব দিছে। এইখন মাৰ্চৰ আগতে দিয়া। আমাৰ নটিফিকেচন হাইকোৰ্টে মানি লৈছে। কেতিয়া ভালকৈ নপঢ়াত, বুজি নোপোৱাটোক ৰিপোৰ্ট দি দিয়ে আৰু ভুলস্থূল লাগি যায়। মই শিক্ষা মন্ত্রী হৈ থাকোতে এলটমেন্ট আৰু এপইটমেন্টৰ অর্থ একে কৰাত মুখ্যমন্ত্রীৰ লগত কাজিয়া লগাই দিলে। ১৯৭২ চনত ৰাজ্যিক ভাষাৰ কাৰণে আন্দোলন কৰিছে। অসমীয়া মাধ্যম হ'ল। এতিয়া বেছি ভুল হৈছে। অসমীয়া বুজাত ভুল কৰে। নিম্নতম এটকা আৰু সর্বোচ্চ ২.২৫। পশ্চিমবঙ্গত নিম্নতম ১.৯৫ আৰু সর্বোচ্চ ২.৭৪ টকা। মহাৰাষ্ট্রৰ বাহিৰে বাকীবিলাক ৰাজ্যত আমাতকৈ খুব কম নহয়। লোদ চেদিং হৈছে। আমাক যিমান পাৰাৰ লাগে, ধাৰ কৰিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ ইয়াত খৰচ কৰিবৰ বাবে যিমানখিনি পাৰাৰ লাগে সেই পৰিমাণৰ পাৰাৰ আমাৰ নাই। আমি কেতিয়াবা মণিপুৰৰ পৰা ধাৰ কৰো, কেতিয়াবা মেঘালয়ৰ পৰা ধাৰ কৰো আৰু সেইদৰে আমি পুৰাই

* Speech not corrected

থাকো পিক পিৰিয়দত আমি বেলেগ বেলেগ ধৰণে পাৱাৰ খৰচ কৰো। কিন্তু আমাৰ দিপজিচন নাই মেঘালয়ত যেতিয়া ৰৱাপানী প্ৰজেক্টত পানী থাকে তেতিয়া পাৱাৰ পোৱা যায় আৰু পানী শুকায় গলে প্ৰদাকশান নহয়। গতিকে কেতিয়াবা আমি ৩০ মেগাৱাটৰ ঠাইত ২০ মেগাৱাটৰে চলাব লাগে আৰু পাৱাৰ কাটিব লাগে। তেনেকৈয়ে লগটকৰ পৰা পাৱাৰ আমি পাওঁ। কিন্তু এইবাৰ তাৰ চিফ্ মিনিষ্টাৰ আহি কৈছে 'আমাক ৰচাওক' গতিকে পাৱাৰ উৎপাদনৰ ক্ষেত্ৰত আমি যেতিয়ালৈকে স্বাৱলম্বী নহওঁ তেতিয়ালৈকে আমাৰ সমস্যা থাকিব। নামৰূপ, লাকুৱা, কঠালগুৰি আদিৰ পৰা পাৱাৰ পাই আছো। কিন্তু উৎপাদন যেনে ধৰণে কৰিব লাগে সেই ধৰণে কৰিব পৰা নাই।

★ শ্ৰীলগেন শর্মা ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাব লাগে যে বৰ্ত্তমান আমাৰ মুঠ প্ৰদ কশ চন কিমান?

★ শ্ৰীগোলোক চন্দ্ৰ ৰাজবংশী (বিদ্যুৎ মন্ত্ৰী) ঃ মাননীয় উপাধ্যক্ষ মহোদয়, এইটো সদায়ে একে নহয়। লিষ্টখন পঢ়ি দিলে সময় লাগব আমি যিখিনি পাব লাগে সেইখিনি বোপোৱাৰ বাবে লোদ চেদিং কৰিব লগা হয়। তাৰোপাৰ ১ হাজাৰৰ ওপৰত ট্ৰেন্সফৰ্মা বেয়া হৈ আছে। এই খিনি ভাল কৰিবৰ বাবে প্ৰায় ৭/৮ কোটি টকা লাগে। তাৰোপৰি বুকিং চিষ্টেমটো মাৰাত্মক হৈছে লগতে আজিকালি পাৱাৰ চোৰ হৈ আছে। কল্পত অৰাজকতা হৈছে। মই ডিব্রুগড়ত নিজে গৈ চাইছো আৰু অধীক্ষক অভিযন্তাক কলো যে আপোনালোকৰ ইয়াত পাৱাৰ চোৰ হৈছে। মই আপোনালোকক এড্রেচ দি আছো আপোনালোকে গৈ চাওঁক। সেই দি-াই তেখেতে গৈ দেখিলে যে, এঠাইত ১০/১৫ জন লৰাই জি, টি, ভি চাই আছে কিন্তু পাৱাৰটো বেগুলাৰ পাৱাৰ লাইনৰ পৰা চাপ্লাই হোৱা নাই। চিলচৰতো একে অৱস্থা। তাৰ অধীক্ষক অভিযন্তাই কৈছে আমি ২৮ টা কেচ ধৰি পুলিচক দিছো কিন্তু পুলিচে কাকো এৰেষ্ট কৰিব পৰা নাই। চিলচৰত এটা অঞ্চলত একেদিনাই ৩ টা চোৰ ধৰা পৰিছে। তাৰোপৰি সদায়ে আমাৰ ৫/৬ লাখ টকাৰ ওৱাৰ চোৰ হৈ আছে। সেই কাৰণে আমি কিছুমান ঠাইত লোদ চেদিং কৰিব লাগে।

★ Speech not corrected

★ শ্রীহিতেশ্বৰ ডেকা : মাননীয় উপাধ্যক্ষ মহোদয়, প্রয়োজন হলে আমাৰ দিহপুখুৰীতে লোদ চেদিং কৰক কিন্তু হস্পিতাল বিলাকত লোদ চেদিং কৰাতো বন্ধ কৰিব লাগে।

★ শ্রীগোলোক চন্দ্র ৰাজবংশী (শক্তি মন্ত্রী) : মাননীয় উপাধ্যক্ষ মহোদয়, কথাটো সঁচা। অকল হস্পিতালতে নহয় অন্যান্য বহুতো আৱশ্যকীয় স্থানতো লোদ চেদিং কৰিব লগা হৈছে। উপায় নাই। গতিকে পাৱাৰৰ পজিচনটো উন্নত কৰাৰ বাবে চেষ্টা কৰা হৈছে। তেতিয়া লোদ চেদিং কমি যাব। আমি তাৰ বাবে ব্যৱস্থা লব খুজিছো। এতিয়ালৈক আমাৰ প্রায় ৯০০ কোটি টকা ধাৰ হৈছে। দৈনন্দিন ৭০০ কোটি একচেচ হৈছে। ২৩ হাজাৰ কৰ্ম্মচাৰী আছে। আমাৰ ইনকামেৰে তেওঁলোকক দৰমহা দিব নোৱাৰো। তথাপি আমি চেষ্টা কৰিছো লাকুৱা আৰু কঠালগুৰি প্রজেক্ট যদি উৎপাদন ভাল ধৰণে কৰিব পাৰে তেনেহলে কিবা এটা হব। নামৰূপৰ পাৱাৰ প্রদাকচন মেচিনটো ৰিপ্লেচ কৰিব লগা হৈছে। এতিয়া বেন্দেজ কৰি মেচিনটো চলাই থাকিব লগা হৈছে। সেই কাৰণে প্রাইভেটেজাইচনৰ কথাটো উঠিছে। প্রাইভেটেজাইচন কৰিলে আমি কব পাৰিম যে আমাক এইখিনি পাৱাৰ দিব লাগে। উপাধ্যক্ষ মহোদয়, ৰেট সম্পর্কত যোৱা ২২ তাৰিখে হাইকোৰ্টে ভাৰদিক্টি দিছে। মই উত্তৰ দিদিলেও হব—Actually the minimum and maximum rates are shown here.

★ শ্রীহিতেশ্বৰ ডেকা : মাননীয় উপাধ্যক্ষ মহোদয়, আমি য'ত থাকো তাত লোদ চেদিং নহয়।

★ শ্রীগোলোক চন্দ্র ৰাজবংশী (শক্তি মন্ত্রী) : মাননীয় উপাধ্যক্ষ মহোদয়, লোদ চেদিং আগতে হোৱা নাছিল যদিও মই অহাৰ পিচত ৩ বাৰ হৈছে। কাৰণ দিহপুখুৰীতো লোদ চেদিঙৰ অভিজ্ঞতা লব লাগে। এবাৰ ট্রেন্সফর্মাৰ জ্বলি গ'ল, এবাৰ ডাঙৰ পাৱাৰ লাইন এটা উঠাই লৈ গ'ল। এইদৰে ৩ বাৰ লোদ চেদিং হৈছে। লোদ চেদিং নোহোৱাৰ বাবে দিক্টিক্ট চেন্টাৰ বিলাক ইমপুত কৰিব লাগিব। আমি আশা কৰিছো অহা বছৰত পাৱাৰৰ ক্ষেত্রত আমি চেলফ চাফিচিয়েন্ট হব পাৰিম।

* Speech not corrected

★ শ্রীনগেন শর্মা : মাননীয় উপাধ্যক্ষ মহোদয়, এতিয়া লোদ চেদিংটো জেনেৰেল হৈছে। ৬ বজাৰ পিচৰ পৰা ৰাতি ৯ বজালৈ পাৱাৰ নাথাকে।

★ শ্রীগোলোক চন্দ্র ৰাজবংশী (শক্তি মন্ত্রী) : মাননীয় উপাধ্যক্ষ মহোদয়, আমি মেঘালয়ক ২০ কোটিৰো ওপৰ টকা দিবলৈ বাকী আছে। টকা দিব নোৱাৰিলে আমাৰ পাৱাৰ কাটি দিব।

★ শ্রীনজমুল হুক : মাননীয় উপাধ্যক্ষ মহোদয়, শালাকাঠিৰ উৎপাদনটো বিলো প্রডাকচন হৈছে নেকি ?

★ শ্রীগোলোক চন্দ্র ৰাজবংশী (শক্তি মন্ত্রী) : মাননীয় উপাধ্যক্ষ মহোদয়, যিবিলাক ক'ল বেচ প্রজেক্ট তাত ক'লৰ দাম দিব লাগে। তেনে ধৰণে গেচ চাপ্লাই কৰিলেও দাম দিব লাগে।

★ শ্রীযতীন মালি : মাননীয় উপাধ্যক্ষ মহোদয়, চৰকাৰে আন বিষয়ৰ প্রতি যি ধৰণে গুৰুত্ব দিয়ে আৰু কার্য্যক্ষমো নহয়। কিন্তু পাৱাৰৰ ক্ষেত্রত গুৰুত্ব দিয়াটো দৰকাৰ। দিল্লীত প্রায় ১১ শ মেগাৱাট পাৱাৰ লাগে যদিও তাত লোদ চেদিং নহয়। আমাৰ ইয়াত প্রায় ৪৪০ মেগাৱাট লাগে তথাপি লোদ চেদিং হয়। আমাৰ ৰাজ্যখনৰ সকলো মানুহে সকলো ৰাজনৈতিক দলৰ সকলো মানুহে সহযোগ কৰি অসমৰ ইলেকট্রিছিটিটো ভাল কৰি লব লাগে।

★ শ্রীগোলোক চন্দ্র ৰাজবংশী (শক্তি মন্ত্রী) : মাননীয় উপাধ্যক্ষ মহোদয়, দিল্লী, মহাৰাষ্ট্র আদিত পাৱাৰ ক্রাইচিচ নাই, বিহাৰৰ পৰা এই অঞ্চলতহে পাৱাৰ ক্রাইচিচ হয়। আৰু, ই, চি আঁচনিটো হৈছে কেন্দ্রীয় চৰকাৰৰ। আমি কাম কৰি বিল দিলে টকাটো কেন্দ্রীয় চৰকাৰে আমাক ঘূৰাই দিয়ে। কিন্তু বিত্তীয় নাটনিৰ কাৰণে আমি এই টকাটোও পোৱা নাই।

মাননীয় উপাধ্যক্ষ : আপুনি চমু কৰক।

★ শ্রীগোলোক চন্দ্র ৰাজবংশী (শক্তি মন্ত্রী) : মাননীয় উপাধ্যক্ষ মহোদয়, মই চমু কৰিছো। মই কোন বিভাগৰ পৰা কিমান টকা পাবলৈ আছে কিছু উল্লেখ কৰিব খুজিছো। জি, এ, ডিৰ পৰা পাব লাগে

★ Speech not corrected

৪৪৪ লাখ টকা, পুলিচৰ পৰা ৭৫ লাখ, শিক্ষা বিভাগৰ পৰা ৮৯৭ লাখ, স্বাস্থ্য বিভাগৰ পৰা ১১৪ লাখ, ডি, টি, এচ, ডি, অ' আৰু বি, ডি, অ'ৰ পৰা প্লাব লাগে ৭৬ লাখ, ইৰিগেচন বিভাগৰ পৰা ১৬৭২ লাখ, পি, এইচ, ই বিভাগৰ পৰা ১৩৪৪ লাখ, বাউন কমিটি, মিউনিচিপেল বোৰ্ডৰ পৰা ২৯৯৩ লাখ, টাউন ওৱাটাৰ চাপ্লাইৰ পৰা ৪০ লাখ এ, টি, চিৰ পৰা ১০৫ লাখ ইত্যাদি কৰি বহুতো টকা আমাৰ বোৰ্ডে বিভিন্ন বিভাগৰ পৰা পাবলৈ বাকী আছে। ইয়াৰ বাহিৰেও আৰ, ই, শিতানত কেন্দ্ৰীয় চৰকাৰৰ পৰা চাবচিদি পাবলৈ বাকী আছে।

(ভয়চ— সকলো লাইন কাটি দিয়ক, টকা নিদিয়ে যেতিয়া)

কাটিলে সকলোবে কাটিব লাগিব -- কিন্তু হেলথ্ আৰু এডুকেচন বিভাগক ৰ'দ দিব লাগিব। আমি ক'ৰবাত কাৰোবাৰ লাইন কাটিলেও পাৰ্টি হাইকোৰ্টলৈ যায়। কোৰ্টে ষ্টে অৰ্ডাৰ দিয়ে।

★ শ্ৰীমতীন ঘাস্ত্রী : মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰৰ পৰা কিমান টকা পাবলৈ বাকী আছে ?

★ শ্ৰীগোলোক চন্দ্ৰ ব্ৰাজবংশী (শক্তি মন্ত্ৰী) : মাননীয় উপাধ্যক্ষ মহোদয়, প্ৰায় ৬০০ কোটি টকা পাবলৈ আছে।

★ শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় উপাধ্যক্ষ মহোদয়, জি, এ, ডিৰ পৰা কিমান টকা পাবলৈ বাকী আছে।

★ শ্ৰীগোলোক চন্দ্ৰ ব্ৰাজবংশী (শক্তি মন্ত্ৰী) : মাননীয় উপাধ্যক্ষ মহোদয়, ৪৪৪ লাখ টকা।

(সদনত গণ্ডগোল, কেইবাজনো মাননীয় সদস্যই একেলগে কবলৈ ধৰাত কাৰো বক্তব্য লিপিবদ্ধ কৰিব পৰা নগ'ল।)

★ শ্ৰীমতীন ঘাস্ত্রী : মাননীয় উপাধ্যক্ষ মহোদয়, আপুনি কেটমাচনটো। আলোচনা কৰিবলৈ নিদিব, এতিয়াও আলোচনা কৰিবলৈ নিদিব। আমি এই সমস্যাটো কেতিয়া আলোচনা কৰিম। অথচ বিভাগে আমাৰ গাওঁ অঞ্চলত লাইট দিব পৰা নাই। এনেকৈ চলিলে নহব। পাৰ্ৱাৰ দিব নোৱাৰিলে বিভাগীয় মন্ত্ৰীয়ে ৰিজাইন দিয়ক।

* Speech not corrected

মাননীয় উপাধ্যক্ষ : মন্ত্রীয়ে উত্তৰ দি আছে নহয়। This is Zero Hour. I will not allow this. (সদনত গণ্ডগোল)

★ শ্রীচন্দ্রমোহন পাটোৱাৰী : মাননীয় উপাধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে এতিয়া যিবোৰ তথ্যপাতি ডাঙি ধৰিছে দেখা যায় বিভিন্ন বিভাগে বহুত টকা বোৰ্ডক দিবলৈ বাকী আছে। বোৰ্ডে লাইন কাটি দিয়ক। আজি গাওঁ অঞ্চলত লাইট পায় বাতি ১০ বজাৰ পিচত তাকো ভলটেজ নাথাকে। গাওঁ অঞ্চলৰ লৰা-ছোৱালী বা অন্যক যি সময়ত লাইটৰ প্ৰয়োজন হয়, সেই সময়ত নেপায়। আজি গাৱঁত থকা ইৰিগেশ্যচনৰ পাম্পবোৰ পাৱাৰ নোহোৱাৰ কাৰণে বন্ধ হৈ আছে, ক'ৰবাত দুই এটাহে চলিছে। জলসিঞ্চন আঁচনিৰ কাম-কাজ সম্পূৰ্ণৰূপে বন্ধ হৈ আছে, খেতিয়কে সুবিধা পোৱা নাই। এ, জি, পি চৰকাৰৰ দিনত ইৰাণৰ ফুটবল টীম এটা ভাৰতীয় টীমৰ লগত খেলাৰ কাৰণে গুৱাহাটীলৈ আহিছিল। ইৰাণৰ টীমটোক ষ্টেডিয়াম গেষ্ট হাউচত ৰখা হৈছিল। কিন্তু গেষ্ট হাউচ বোৰ্ডক লাইটৰ বিলৰ টকা দিবলৈ বাকী থকাৰ কাৰণে গেষ্ট হাউচৰ লাইন কাটি দিছিল। চৰকাৰে তেতিয়া ইৰাণৰ ফুটবল টীমটোক বেলেগ ঠাইলৈ নিবলগীয়া হৈছিল। তেতিয়া বোৰ্ডৰ চেয়াৰমেন আছিল— শ্রীজে, পি. ৰাজখোৱা। এতিয়া জি এ ভি বিভাগে বোৰ্ডক ইমানবোৰ টকা দিবলৈ বাকী আছে গতিকে বোৰ্ডে লাইন কাটি দিব লাগে, জনতা ভৱন সচিবালয়, মন্ত্রী বিধায়কৰ কোৱাৰ্টাৰ আদিৰ লাইন কাটি দিদিয়ে কিয় ? এই লাইন কাটি বাহি হোৱা পাৱাৰ গাৱঁৰ জনসাধাৰণক দিব লাগে। শিক্ষা আৰু স্বাস্থ্য বিভাগৰ বাহিৰে সকলো বিভাগৰ লাইন বোৰ্ডে কাটি দিব লাগে।

★ শ্রীগোলোক চন্দ্র ব্রাজবংশী (শক্তি মন্ত্রী) : মাননীয় উপাধ্যক্ষ মহোদয়, কাটি দিলে সমস্যাৰ সমাধান নহয়, যোগান ধৰিব পাৰিলেহে চলুচন সমাধান হব।

(সদনত গণ্ডগোল লাগে)

★ শ্রীচন্দ্রমোহন পাটোৱাৰী : মাননীয় উপাধ্যক্ষ মহোদয়, যোগান ধৰিব

* Speech not corrected

পাৰিবনে নাই কব লাগে ? যদি গাওঁ অঞ্চলত পাৱাৰ যোগান ধৰিব নোৱাৰে তেন্তে মন্ত্ৰীয়ে পদত্যাগ কৰক।

(সদনত গণ্ডগোল কেইবাজনো সদস্যই একেলগে কবলৈ ঠিয় হয়)

মন্ত্ৰী মহোদয়ে সদনত স্পষ্ট ভাবে কব লাগে লাইট যোগান ধৰিব পাৰিবনে নোৱাৰে।

(Mr. Speaker ascended the chair.)

(সদনত গণ্ডগোল)

M. Speaker : It is enough for discussion. Today, there are some other business. It is Zero Hour and minimum should be discussed, You should realise that it is Zero Hour. (Noise) I have listened everything.

(সদনত গণ্ডগোল কাৰো কথা শুনা নগল)

★ শ্ৰীমতীন মালী : মাননীয় অধ্যক্ষ মহোদয়, আলোচনা হব লাগিব, জিৰো আৱাৰ হলেও এইটো বিষয় ইয়াত আলোচনা হব লাগিব।

★ শ্ৰীৰন্মেন্দ্ৰ নাৰায়ণ কলিতা : মাননীয় অধ্যক্ষ মহোদয়, এইটো বৰ জৰুৰী বিষয়। আজি গাওঁত লাইট বুলিবলৈ নাযেই, আলোচনা কৰিবলৈ দিবই লাগিব।

মাননীয় অধ্যক্ষ : আপোনালোকে যদি এনেকৈ কাৰো কথা কোনেও শুশুনা অৱস্থা কৰে তেন্তে কেনেকৈ হব ? সদন কেনেকৈ চলিব ?

The Speaker in his discretion, may allow a member to raise the matter and the concerned Minister may give his reply if required information and other materials are available with Minister otherwise the replies shall be given by the Minister according to his convenience and the matter shall be treated as raised.

শ্ৰীগোলাক চন্দ্ৰ ৰাজবংশী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষণত আমি কি ব্যৱস্থা হাতত লৈছো সেইটো এনে ধৰণৰ —

* Speech not corrected

To increase availability of power to eliminate load-shedding during off-peak hours and to restrict load-shedding to 10-20% during peak hours commrencing from July, I995.

To bring about drastic deduction of Transmission and distribution losses from the present appallingly high level of 40% during the current year.

To increase the plant Lond Factor in ASEB's Power stations from the present level of 20% to least 30% during the current year.

To operate and maintain its generation, transmission and distribution facilities efficiently at an optional level so as to ensure regular and reliable distribution of available power with minimum of forced outages and disruptions.

To introduce structural reforms and modern management policies and practices with a view to enhancing organisational efficiency, performance and productivity,

To increase revenue collection and out costs rapidly with the objective of attaining financial self-reliance in the shortest possible time.

To retrain and redeploy surplus personal and to create an organisational climate characterised by a high degree of motivation, commitment and result-orientation.

Mr. Speaker : I now call up the Hon'ble Member Shri Hitesawr Deka to raise his Zero Hour motion which was published in "Asomiya Pratidin" dated

★ Speech not corrected

24 9-95 under the caption. "এইডছ পৰীক্ষা অবিহনে ৰক্তদান : অপ্রশিক্ষিত লোকেৰে চলিছে চিকিৎসালয়"

★ শ্রীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২৪ চেপ্তেম্বৰৰ 'অসমীয়া প্রতিদিন' নামৰ বাতৰি কাকত খনত এটা বাতৰি প্রকাশ পাইছে 'তেজ পৰীক্ষা নকৰাকৈ ৰক্তদান, অপ্রশিক্ষিত লোকেৰে চলিছে চিকিৎসালয়'। এই বাতৰিটোৰ সম্পর্কত মই এটা 'জিৰ' আৱাৰ নোটিছ দিছিলো। অধ্যক্ষ মহোদয়, আমাৰ সকলোৱে জানে যে আজি বিশ্বৰ সকলোতকৈ ভয়াবহ ৰোগ হৈছে 'এইডচ' আৰু এই ক্ষেত্রত সমগ্র বিশ্বত এই ৰোগ প্রতিৰোধ কৰাৰ কাৰণে সজাগ হৈ উঠিছে। এই ৰোগ আমাৰ ভাৰতবর্ষতো ৰিয়পিছে আৰু আমাৰ অসমতো এই ব্যাধিত বহুতো লোক মৃত্যু বৰণ কৰা বুলি খবৰ ওলাইছে। ইতিমধ্যে অসমত আৰু ১৪০ জন লোক এই ব্যাধিত ভুগি থকা বুলিও খবৰ ওলাইছে। এই ক্ষেত্রত ৰাজ্যিক ব্যৱস্থা হাতত লোৱাৰ কাৰণে এন, এ, চি, অ, ই সতর্কতা কৰি দিয়া স্বত্বেও আমাৰ ৰাজ্য খনে যাজ্ঞীয় ৰাৱস্থা হাতত নোলোৱাৰ কাৰণে এই ব্যাধিয়ে এটা ভয়াবহ অৱস্থাৰ সৃষ্টি কৰিছে। আজি আমাৰ ৰাজ্য খনৰ প্রায় ৭০০ জন লেবৰেটৰী টেকনিচিয়ানে কাম কৰে। কিন্তু তেওঁলোকৰ ভিতৰত মাত্র ১৫ জনকহে এইডচৰ প্রশিক্ষণ দিয়া হৈছে। সেইদৰে চেকসুৱেল ডিজিজৰ ক্ষেত্রত ৭০০ জন ডাক্তৰৰ ভিতৰত মাত্র ৭ জন ডাক্তৰকহে এই ৰোগ প্রতিৰোধ সম্পর্কীয় প্রশিক্ষণ দিয়া হৈছে। কিন্তু এন, এ, চি, অ, ই এই ৰোগ সম্পর্কীয় ডাক্তৰ, টেকনিচিয়ান আদি সকলোকে প্রশিক্ষণ দিয়'তো বাধ্যতামূলক কৰি দিছে যদিও ৰাজ্য চৰকাৰে সেই নির্দ্দেশনা মানি চলা নাই। নীতি নির্দ্দেশনা পালন নকৰাৰ ফলত ৰাজ্য খনৰ নতুন প্রজন্ম সকলৰ স্বাস্থ্যৰ প্রতি যিটো ভয়াবহতা আহিব তাৰ কাৰণে অ'মিয়েই বেছি ভগৰীয়া হব লাগিব আৰু সেই কাৰণে এই পবিত্র বিধান সভাত মই আন্তৰিকতাৰে অনুৰোধ জনাব খুজিছো যাতে এইডচ প্রতিৰোধ কৰাৰ কাৰণে চৰকাৰে গুৰুত্ব সহকাৰে ব্যৱস্থা গ্রহণ কৰে। এই ক্ষেত্রত মই এটা কথা

* Speech not corrected

কব খুজিছো যে ১৯৯৪ চনত ওৱৰ্ল্ড্ হেল্থ্ অৰ্গেনাইজেচনব ফালব পবা এই বোগ প্রতিবোধব কাবণে কেন্দ্রীয় চবকাবক ওৱৰ্ল্ড বেংকব পবা যথেষ্ট টকা দিয়া হৈছিল আৰু সেই মর্মে আমাব বাজ্য খনলৈও টকা আহিছিল। কিন্তু আমাব স্বাস্থ্য বিভাগে সেই ধন ব্যয় কবা ক্ষেত্রত নির্দিষ্ট ভাবে হিচাব দিব নোৱাৰাব কাবণে ওৱৰ্ল্ড বেংকব ফালব পবা সতর্ক কবি দিয়া হৈছিল। এই ক্ষেত্রত আমাব মুখ্যমন্ত্রী ডাঙবীয়াই কিবা প্রকাবে বিষয়টো মোকাবিলা কবে। আন এটা কথা হ'ল—এইডচ্ প্রতিবোধ কবা কামত ব্যবহাব কবা কাবণে গাড়ীও যোগান ধবা হৈছিল। কিন্তু সেই গাড়ী নির্দিষ্ট কামত ব্যবহাব নকবি ব্যক্তিগত কামত ব্যবহাব কবা দেখা গৈছিল।

অধ্যক্ষ মহোদয়, আজি আমাব বাজ্য খনব বহুতো চিকিৎসালয় অপ্রশিক্ষিত লোকেবে চলায় থকা হৈছে। বিশেষকৈ নার্চিং হোম বিলাকত উপযুক্ত প্রশিক্ষন নোলোৱাকৈ নার্চ সকলে কাম কবি আছে। সেইদবে বহুতো ক্ষেত্রত উপযুক্ত জ্ঞান নথকা লেববেটবী টেকনিচিয়ানব বিপোর্টব ওপবত ভিত্তি কবিয়েই ডাক্তব সকলে বিপোর্ট লিখি বোগী চিকিৎসা কবি থকা দেখা যায়। সেই কাবণে মই অনুবোধ কবিছো য'ত এইডচ্ প্রতিবোধ কবাব কাবণে বিশ্ববেংকব পবা যিটো টকা আহিছে সেইটো এইডচ্ প্রতিবোধ কবা কামতে ব্যবহাব কবক।

অধ্যক্ষ মহোদয়, এই খিনিতে মই আৰু এটা কথা উল্লেখ নকবি নোৱাবিলো। পাঠশালাব পবা 'কহিনুব' থিয়েটাবে এইবাব এইডচ্ প্রতিবোধ সম্পর্কীয় এখন নাটক প্রদর্শনব ব্যবস্থা কবিছে। সেইখনব নাম দিছে "দাইনীব প্রেম"।

মাননীয় অধ্যক্ষ মহোদয়, এই কহিনুব থিয়েটাবে 'এইডচ্' বোগব প্রতিবোধব বাবে যিখিনি প্রচাব কবিছে সঁচাকৈয়ে ভাল হৈছে। এই কহিনুব থিয়েটাব চোৱাব কাবণে স্বাস্থ্য বিভাগব পবা কেইজনমান বিষয়াক পঠিওৱা হৈছিল কিন্তু তেওঁলোকে থিয়েটাব চাওঁক চাবি নির্দিষ্ট ঠাই পালেগৈনে নাই সন্দেহ। তেওঁলোকে মদ খাই কবৰাব বাস্তাব পবা ঘুবি আহিল। আচল ঠাই

নেপালেগৈ। অধ্যক্ষ মহোদয়, আজি গুৱাহাটী মহা নগৰখনত কি চলিছে। "বিউটি-পার্লাৰ' খোলাৰ নামত ভাত বেয়া কাম চলি আছে। চিনেমা হলত বেয়া কাম চলি আছে। সেই বিলাকৰ ভাল ব্যৱস্থা নকৰিলে আমাৰ দেশখন কেতিয়াও ভাল নহব। শেষত মই স্বাস্থ্য বিভাগক অনুৰোধ কৰিছো যে তেখেত সকলে 'এইডচ্' ৰোগৰ কাৰণে ভাল ব্যৱস্থা গ্ৰহণ কৰক।

* ডাঃ ভূমিধৰ বৰ্মন (স্বাস্থ্য মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীডেকা ডাঙৰীয়াই স্বাস্থ্য বিভাগৰ ওপৰত যিটো 'এইডচ্' ৰোগৰ প্ৰতিৰোধৰ যিটো কথা কৈছে সেইটো আমাৰ দৃষ্টিগোচৰ হৈছে। সেই সন্দৰ্ভত মই কব বিচাৰো যে 'ট্ৰেইনিং'ৰ কাৰণে আমি যথেষ্ট গুৰুত্ব দিছো। আমাৰ অসমৰ তিনিখন মেডিকেল কলেজত একোটাকৈ ব্লাড বেংক আছে। বাকী ৬ খন জিলাটো একোটাকৈ ব্লাড বেংক আছে আৰু তাত বৰ্ত্তমান কাম কৰি আছে। ইয়াৰোপৰি আমাৰ ২২ টা লেবৰেটৰী টেক্নিয়ানক দিল্লীত আমি ট্ৰেইনিং দি আনিছো। আমাৰ এচ, টি, ভি চেণ্টাৰ আছে ৭ টা। প্ৰত্যেক মেডিকেল কলেজত একোটাকৈ—আৰু বাকী ৪ টা নগাওঁ, ধুবুৰী, গোৱালপাৰা আৰু হাফলং হস্পিতেল বিলাকত আছে। আজি 'এইডচ্' ৰোগৰ প্ৰতিৰোধৰ ব্যৱস্থা সম্পূৰ্ণ ভাবে লৈছো। অসমত এতিয়ালৈকে এই কেচ মাত্ৰ তিনিটা হৈছে। ১০ টা কেচৰ ভিতৰত বাকী ৭টা বাহিৰৰ পৰা আহা। আমাৰ মেডিকেল কলেজখন ভাল বুলি বাহিৰৰ মানুহে জানে। সেই কাৰণে গুৱাহাটী মেডিকেল কলেজ থৈলৈ চিকিৎসাৰ কাৰণে বহুতো পেচেণ্ট আহে। নগালেণ্ডৰ পৰা মেঘালয়ৰ পৰা ত্ৰিপুৰাৰ পৰা আহে এই চিকিৎসা কৰিবৰ কাৰণে। এই এইডচ্ ৰোগত মৰা সংখ্যা পাচ জন। তাৰে এটা অসমৰ বাকী ৪ টা বেলেগ ষ্টেটৰ। এইডচ্ ৰোগীক চোৱাৰ কাৰণে মহেন্দ্ৰমোহন চৌধুৰী হস্পিতেলটো চেণ্টাৰ খোলা হৈছে। কনফৰমেচনৰ ব্যৱস্থা অসমত এতিয়ালৈকে কৰিব পৰা নাই। কনফৰমেচনৰ কাৰণে বাহিৰলৈ পঠিয়াব লাগে। তাৰ বাবে

* Speech not corrected

আমাৰ বিভাগৰ পৰা ট্ৰেইনিং দি আছে।

★ শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, ক'ত দিছে। এই মানুহ ক'ৰ পৰা আহিছে।

★ ডাঃ ভূমিধ্ৰৱ বৰ্ম্মন (স্বাস্থ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ মানুহকেই ট্ৰেইনিং দিয়া হৈছে। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ আজি নাৰ্চিং হোম বিলাক ঠিক হোৱা নাই। ডাষ্টিক্ট টাউনত 'এইডচ্' ৰোগ পৰীক্ষা কৰাৰ কাৰণে ব্যৱস্থা আছে। বাকী 'নাৰ্চিং হোম' বিলাকত ইয়াৰ ব্যৱস্থা নাই। বাকী ইনজুৰী বিলাকৰ পৰা আজি যথেষ্ট সহায় পাইছো। আৰু কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰাও সহায় কৰি আছে। বাকী 'কহিনুৰ' থিয়েটাৰৰ যিটো কথা কৈছে সেইখন চোৱাৰ কাৰণে আমাৰ স্বাস্থ্য বিভাগৰ পৰা মানুহ পঠিওৱা হৈছিল আৰু তেওঁলোকে আমাক চাই অহা বুলিয়েই ৰিপোৰ্ট দিছে।

★ শ্ৰীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, আমি গম পাইছো তেওঁলোকে গণ্ডগোল কৰিছে।

★ ডাঃ ভূমিধ্ৰৱ বৰ্মন (স্বাস্থ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, বাটত কৰবাত কিবা এটা হৈছে বেলেগ কথা, মদ কৰবাত খাইছে সেইটো খাব পাৰে।

★ শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, পইণ্ট অৱ ক্লিয়েৰিফিকেচন। আমাৰ স্বাস্থ্য মন্ত্ৰীয়ে যিখিনি কথা কলে সেইখিনি আমি ভাল পাইছো। প্ৰশ্ন হৈছে—

মই মন্ত্ৰী মহোদয়ৰ পৰা ব্লাড বেংকৰ সম্পৰ্কত দুটা ক্লেৰিফিকেচন বিচাৰিছো, মন্ত্ৰী মহোদয়ে অন্তৰৰ পৰা উত্তৰ দিলে ভাল হয়; যিহেতু ইয়াত মানুহৰ জীৱন-মৰণৰ সমস্যা জড়িত হৈ আছে। এক নম্বৰত, আজি ব্লাড ট্ৰেন্সমিচন্ বিষয় এটা হৈছে। এই বিষয়টো পি, জি, আই, এইমচ্ টাটা, হিন্দুজা আদি হস্পিতাল বিলাকত আছে, আমাৰ ইয়াত এই বিষয়ত ডিগ্ৰী লোৱা কোনো ডাক্তৰ আছে নেকি ? যদি নাই ব্লাড বেংকৰ বাবে এটা এই বিষয়ক বিশেষ পদৰ সৃষ্টি কৰি বিজ্ঞাপন দিছে নেকি, যদি দিছে কোনো

* Speech not corrected

প্রার্থী আহিছে নেকি ? মই জনাত চণ্ডীগড়ৰ পৰা ব্লাড টেনচ্-মিচনত পি এইচ, ডি কৰি এজন অসমৰে ডাক্তৰ ইয়ালৈ আহিছিল কিন্তু ইয়াত কোনো চাকৰি নাপাই আকৌ চণ্ডীগড়তে 'এচিষ্ট্যেণ্ট প্ৰফেচাৰ হব লগা হৈছে। দুই নম্বৰ কথা-যিবিলাক ব্লাড বেংক আছে সেই বিলাকৰ অৱস্থা বৰ বেয়া। অতি লেতেৰা। মই নিজে দেখি আহিছো। এই ব্লাড বেংক বিলাকৰ অৱস্থাৰ উন্নতিৰ ব্যৱস্থা কৰিব নেকি ? আৰু ট্ৰেইনিঙৰ যিটো কথা কৈছে কোনে ক'ত ট্ৰেইনিং দিছে।

★ শ্ৰীভূমিধৰ বৰ্মন (স্বাস্থ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ব্লাড বেংকৰ উন্নয়ণৰ কাৰণে আমি ব্যৱস্থা লৈছো। এই বিষয়ত ভাৰত চৰকাৰে এভিয়া আমাক সহাৰি দেখুৱাইছে। আৰু ব্লাড ট্ৰেনচ-মিচনৰ ডাক্তৰৰ ক্ষেত্ৰত আমাৰ ব্লাড বেংকত ডাঃ শৰ্মা আছে। তেখেতে এই ক্ষেত্ৰত ট্ৰেইনিং লৈ আহিছে (ডাইৰেক্টৰ ডিগ্ৰী আছে নে নাই)। ডিগ্ৰীৰ কথাটো মই ভালদৰে নাজানো, কিন্তু ট্ৰেইনিং লৈ আহিছে, মই জনাত তেখেত পি, এইচ, ডি, পেথ'লজি। ব্লাড ট্ৰেনচ্ মিচনত, পি এইচ, ডিৰ ব্যৱস্থা বৰ্ত্তমান ইয়াত নাই। বাহিৰৰ পৰা আনিব পাৰি নেকি, আমি চাম।

Notice Of Privilege Motion

Mr. Speaker : I now take notice complaint of breach of privilege moved by Dr. A K. Dey, Minister, Food & Civil Supplies under Rule 159 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly against the Editor, Publisher and Printers of daily news paper 'Asomitya Pratidin' for publishing a news under the caption up পৃথিৰাজ

* Speech not corrected

ছুবাণা কোন সদনত মুখ্যমন্ত্রী আৰু অৰ্ধেন্দুৰ ভুৱা তথ্য" ।

Now Dey to raise :

Dr. Ardhendu Kumar Dey (Minister, F&CS) : Mr Speaker Sir, notice under Rule 159 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly is given against the Editor, Publisher and Printers of daily newspaper, "Asomiya Pratidin" for publishing a news with a caption "পৃথিৰাজ ছুবাণা কোন ? কোন সদনত মুখ্যমন্ত্রী আৰু অৰ্ধেন্দুৰ ভুৱা তথ্য" published on 22nd September, 1995 in the said paper and thereby committing breach of privilege of the House on the following grounds that the Editor, Printers and Publishers has published the news incorporating as follows. অসমত প্ৰয়োজন অনুসৰি ভাৰতীয় খাদ্য নিগমে চাউল যোগান ধৰিৰ নোৱাৰাতহে নিয়ম অনুসৰি ছুবাণা নামৰ ব্যৱসায়ী জনক চাউল যোগান ধৰাৰ ঠিকা দিয়া হৈছে । Which is not true that the news has been published with a motive to malign me though actually I did not make such statement. That the Editor, Printers and Publishers have committed the breach of privilege of the House by conecting the news as stated above to malign the dignity of the members under the circumstances.

Permission may be given to make this complaint under Rule 159 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly and after giving through this complaint referred to me under Rule 162 of the Committee of Privileges for enquiry and other necessary action.

অধ্যক্ষ মহোদয় এই পবিত্ৰ সদনত এইটো পৰিষ্কাৰ ভাৱে কোৱা

হৈছিল। আমাৰ মাননীয় মুখ্যমন্ত্রী শ্রীহিতেশ্বৰ শইকীয়া দেৱে কেন্দ্রীয় খাদ্য মন্ত্রী শ্রীকল্পনাথ ৰায়লৈ ১০।৩।৯৪ তাৰিখে চিঠি লিখিছিল—খোলা বজাৰত চাউল মুকলি কৰি দিবলৈ। এই চিঠিৰ উত্তৰত শ্রীকল্পনাথ ৰায়ে আমাৰ মুখ্যমন্ত্রীলৈ চিঠি লিখিছিল। যেতিয়া আমাৰ ষ্টেট-ফেডে টেণ্ডাৰ কল কৰিছিল, তেতিয়া এই কেইটা চহাইটিয়ে টেণ্ডাৰ দিছিল।

National Co-operative consumers Federation of India Ltd,, Delhi State Co-operative M & S Federation Ltd. Haryane State Co-operative Supply and Marketting Federation Ltd, Delhi Civil Supplies Corporation, U. P. Co-operative Federation Ltd.

Arrangement for purchase of stocks from Feb'95 have been made from U. P. Co-operative Federation Ltd. and Delhi State Co-operative M & S Federation Ltd at the rate Rs. of 727·00 per quintal (gross) Ex-Delhi. In this regard we would like to submit photo copies of the challan-cum-bill for favour of your perusal and necessary action : এই কেইটা চেম্বাৰৰ ভিতৰত ৰি কেইটাৰ বেট কম ভাক বাছনি কৰিছে।

Manager, NCCF of India, Ltd., Chief Executive, The Delhi State Co-op. M & S, Federation Ltd,, Manager, Punjab State Civil Supplies Corporation Ltd., Regional Manager, U.P. Co-op. Federation Ltd., Manager, Haryana State Co-op. Supply & Marketting Federation Ltd , General Manager, Delhi. Civil Supplies Corporation Ltd ,

তেখেত সকলে এইদৰে টেণ্ডাৰ ক'ল কৰিছে আৰু যিসকলৰ বেট কম সেই সকলক চিলেক্ট কৰিছে। ১৯৯২ চনতো সেইদৰে টেণ্ডাৰ ক'ল কৰা হৈছিল। গতিকে আমি কোনো ব্যক্তিক এনেয়ে চাউল যোগান ধৰিবলৈ দিয়া নাই। কোনো ভেটি আদি

নোৱাৰো কথা নাহে। আমাৰ ষ্টেটফেডে টেণ্ডাৰ কল কৰিছে তাৰ মাজত যিসকলৰ লৰেষ্ট ৰেট তেওঁলোকক বাচনি কৰা হৈছে আৰু তেওঁলোকক চাপ্লাই কৰিবলৈ দিয়া হৈছে। এই বিষয়ত অসমীয়া 'প্ৰতিদিনত' ভুল অসত্য বক্তব্য দি সদনক বিপথগামী কৰিব বিচৰা হৈছে। গতিকে মই এই বিশেষাধিকাৰ প্ৰস্তাৱটো উত্থাপন কৰিলোঁ।

Mr. Speaker : New, Hon'ble Minister for Parliamentary Affairs to offer his views.

☆ শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, পইণ্ট অব অৰ্ডাৰ। কথাটো হ'ল—বিশেষাধিকাৰ ভঙ্গৰ প্ৰস্তাৱৰ সম্পৰ্কত ক'বলৈ যোৱাৰ আগমুহূৰ্ত্তত মই এটা কথা ক'ব বিচাৰিছো। কথাটো হ'ল যিজন মাননীয় মন্ত্ৰীয়ে বাতৰি কাকতৰ ওপৰত বিশেষাধিকাৰ ভঙ্গৰ প্ৰস্তাৱ আনিছে সেই মাননীয় মন্ত্ৰী গৰাকীয়ে ইয়াতে পবিত্ৰ সদনত যোৱা ১৬ মাৰ্চ তাৰিখে যি ষ্টেটমেণ্ট দিছিল। সেই একেই বিষয়ে ২৮ তাৰিখে যিটো কথা দাঙি ধৰিছিল তাৰ পৰিপ্ৰেক্ষিতত আলোচনা কালত সদন স্থগিত ৰাখিবলগীয়া অৱস্থাৰ সৃষ্টি হৈছিল। মাননীয় অধ্যক্ষ মহোদয়, আপুনি কৈছিল যে যদি সদনক ভুল পথে পৰিচালিত কৰিব পৰা তথ্য দাঙি ধৰিছে তেনেহলে বিষয়টো আপুনি চাই বিহিত ব্যৱস্থা লব। ৰুল ১৯৮ মতে যদি ব্ৰীচ কৰে আপুনি বিষয়টো লব পাৰে। এইটো কমিটি কৰিছিল কাৰণে ব্ৰীচ অব প্ৰিভিলেজ প্ৰস্তাৱ অনা নাই।

★ শ্ৰীগোলোক চন্দ্ৰ ৰাজবংশী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, কথাটো তেনেই সহজ। আমি সদনত যিখিনি কথা কওঁ মন্ত্ৰী হিচাবেই হওক বা মাননীয় বিধায়ক হিচাবেই হওক সেইমতে প্ৰকাশ কৰিব লাগে। তাকে নকৰি বাতৰিত ভুল কৰি প্ৰকাশ কৰিবৰ কাৰণে মন্ত্ৰীয়ে বিশেষাধিকাৰ ভঙ্গৰ প্ৰস্তাৱ আনিছে। According to rules of breach of privilege, you consult the Proceding Sir and if it fund that what has been stated in the Assembly has been

* Speech not corrected

connected by the reporter, then it is a matter of Breach of Privilege.

★ শ্রীচন্দ্রমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্রীহিতেন গোস্বামীয়ে যিটো কথা আনিছে সেইটোৰ ওপৰত স্পষ্টীকৰণ দিব লাগে।

মাননীয় অধ্যক্ষ : নহব।

★ শ্রীচন্দ্রমোহন পাটোৱাৰী : মাননীয় অধক্ষ্য মহোদয়, নহব বুলি কলেই কেনেকৈ হব চাব ?

মাননীয় অধ্যক্ষ : মই কৈছো এই বিষয়ত কোনো কাগজ দিয়া নাই। মই কোনো নটিছ পোৱা নাই।

★ শ্রীচন্দ্রমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়. কল ১৫৮ ৰ কি হব চাব ?

মাননীয় অধ্যক্ষ : নোটিছ পোৱা নাই। মই একো কাগজ পোৱা নাই।

★ শ্রীচন্দ্রমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, কল ১৫৮ ৰ কি হব চাব ?

মাননীয় অধ্যক্ষ : মই বাৰে বাৰে কৈছো ৰিপোর্ট পোৱা নাই। একো কাগজ পোৱা নাই।

(তালেকেইজন মাননীয় সদস্যই কবলৈ থিয় হয়। কাৰো মাত ভালকৈ শুনা নাযায়।)

★ শ্রীগোলোক চন্দ্র ব্রাজবংশী (সংসদীয় পৰিক্রমা মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, কল ১৫৮ ৰ কথা কৈছে। ইয়াতে স্পেচিয়েল কল আছে।

★ শ্রীহিতেন্দ্র নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, মই পার্লিয়ামেণ্টৰি মন্ত্রী ডাঙনীয়াৰ লগত এই বিষয়ত আৰও কথিব বিচাৰিছো। তেখেতে ভুল কৈছে। আমি কমপ্লেইন ফিনি প্রকাৰে দিব পাৰো। আমি কমপ্লেইন নোটিছ দিয়া নাই সঁচা কিন্তু বিষয়টো মদনত উত্তাপন আৰু আলোচনা হৈছিল।

সেই ক্ষেত্রত আপোনাৰ পৰা ব্যৱস্থা লোৱাটো বিচাৰিছিলো। কিন্তু যিহেতু কাগজ পোৱা নাই বুলি কৈছে। আমি প্রস্তাৱ দিম।

★ Speech not corrected

মাননীয় অধ্যক্ষ ঃ আলোচনা হোৱা নাছিল। মই কাগজ পোৱা নাই। I have heard the submission of Dr. Ardhendu Kumar Dey, Minister for Food and Civil Supplies on his breach of privilege motion. I have also heard the Minister for Parliamentary Affairs in the matter. I find that this matter requires the intervention of House. I refer the matter to the Committee of privilege for examination. investigation and report.

Report of the All Party Delegation

I inform the House that in pursuance of the unanimous decision of the House an All Parti Delegation of the Assam Legislative Assembly under the leadership of the Speaker, Assam Legislative Assembly went to Delhi and met the Hon'ble Prime Minister of India, Shri P. V. Narashingha Rao, the Deputy Chairman, Planning Commission of India, Shri Pranab Kumar Mukherjee and the Union Finance Minister Dr. Monmohan Singh on 28th and 29th August, 1995 and submitted memorandum to them for sanctioning adequate Grant-in Aid by providing Special Central Assistance from the Centre to the State of Assam for the prevention of Flood erosion and also recurrence of Flood.

Durring the course of submission of the memoradum the Delegation urged the Hon'ble Prime Minister to sanction 90 percent grant and 10 percent

loan to the State of Assam for permanent solution of flood control problems. The Hon'ble Prime Minister gave a patient hearing to the Delegation and assured that the Centre has all sympathy to Assam and all possible help will extended to tackle the flood problems of Assam.

When the All Party Delegation met the Union Finance Minister, he had disclosed that the Centre had agreed to a two-year moratorium on the repayment of the Financial assistance provided to Assam for tackling the problems of recurring floods in the State. It has also been decided to provide Rs. 25 crores as grant and not as loan in 1996-97.

The All Party Delegation pleased for higher allocation and conversion to Central Loan Assistance into Grants. Considering the demand of the Delegation, The Union Finance Minister assured the Delegation that their demand to waive the huge accumulated debt under the Central Loan Assistance of Rs. 179.21 crores would be considered.

The out come of the Delegation reveals that the Government of India in the Ministry of Water Resources have recently sanctioned to the payment of Loan of Rs. 25.00 crores to the Government of Assam towards expenditure on flood management work in the Brahmaputra Valley during 1995-96 for financing the execution of 20 approved schemes. The Ministry of Finance, Government of India

have also informed the Delegation that the moratorium on repayment of outstanding loan for the remaining period of the Eight Five year plan has been allowed to enable the Government of Assam to utilise the whole amount of Rs. 25 crores.

During the course of submission of the Memorandum to the Deputy Chairman, Planning Commission of India, Shri Pranab Kumar Mukherjee, it has been transpire that the priority has not been mentioned to the Plannig Commission of India for granting or sanctioning adequate special Central Assistance. The Delegation feels that the State Government of Assam may intimate the Planning Commission their priority for allocation of fund from the Planning Commission to fight the menace of regular flood damage and flood erosion in the State of Assam. The Delegation has also urged upon the Deputy Chairman, Planning Commission to consider granting of 90 percent grant and 10 percent loan to the State of Assam. The Delegation further urged upon him to place Assam as a Special Category State for the purpose of sanctioning Special Central Assistance.

The Delegation also feels that within the limited resources, the state Government may see that more fund is allocated to the Flood Control Department from the State Plan and priority, if possible, may be indicated for flood control measures.

Now, I request Shri Hitendra Nath Goswami

to call upon the Minister, Assam Accord to a new item in 'Dainik Asom' dated 25th August, 1995 under the caption "বাংলাদেশ সীমান্তত কাঁইটীয়া তাঁৰৰ বেৰ উন্নত কৰাত গুৰুত্ব"।

☆

Calling Attention Notice

শ্রীহিতেন্দ্র নাথ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় অসম চুক্তি ৰূপায়ণ মন্ত্রীৰ ২৫/৮/৯৫ ইং তাৰিখৰ "দৈনিক অসম" কাকতত প্রকাশিত "বাংলাদেশ সীমান্তত কাঁইটীয়া তাঁৰৰ বেৰ উন্নত কৰাত গুৰুত্ব" শীৰ্ষক বাৰ্তাবিটোৰ প্রতি দৃষ্টি আকৰ্ষণ কৰিলোঁ।

Dr. Bhumidhar Barman (Minister, Assam Accord) : According to information received regarding the construction of barbed wire fencings, roads and bridge on the Indo-Bangladesh border in Dhubri, Karimganj and Cachar districts, out of the proposed 152.31 K.M. of barbed wire fencings 123.485 K.M. were completed, out of proposed 145.723 K.M. of roads 97.727 K.M. were completed and out of proposed 99 bridges 44 bridges were completed on the Indo-Bangladesh border in the three districts till 31.8.95. Construction work on the fencings and roads are expected to be completed by 31.3.98, some information are not readily available and are being collected.

I shall make a detailed statement during the current session.

☆ শ্রীহিতেন্দ্র নাথ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ যে যিখিনি ২৬২ কিলোমিটাৰ সীমান্ত

☆ Speech not corrected

পি, ডব্লিউ ডিব পৰা আৰু কেন্দ্ৰীয় চৰকাৰব পৰা জানিব লাগিব। মই তথ্য আনি আছো। এই বিধান সভাতে ষ্টেটমেণ্ট দিম।

★ শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা: মাননীয় অধ্যক্ষ মহোদয়, বাংলাদেশ সীমান্তত কিমান পথ, জলপথ আৰু কিমান স্থলপথ আছে জনাব নেকি ?

★ ডাঃ ভূমিধৰ বৰ্ম্মন (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে গড়কাপ্তানি বিভাগৰ পৰা আনিব লাগিব। তেওঁলোকৰ পৰা তথ্য পালেহে জনাব পাৰিম।

Matter Under Rule 301

Mr. Speaker: Item no 3. Hon'ble Member Maulana Abdul Jalil Ragibi to draw the attention of the Minister of state, Education by raising the matter under Rule 301.

★ মৌলানা আব্দুল জলিল ৰাগিবী: মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ ৩০১ নং অধীনত এম, ই, স্কুলত আৰবিক শিক্ষক নিযুক্তি সম্পৰ্কত উত্থাপন কৰি আমাৰ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। অধ্যক্ষ মহোদয়, কথাটো হৈছে আজি বহু বছৰ ধৰি অসমৰ মজলীয়া ইংৰাজী বিদ্যালয় সমূহত ক্লাছিক টিচাৰ আৰবিক বিষয়ত দিয়াৰ দাবী চলি আছে। আৰু বহু সময়ত শিক্ষা মন্ত্ৰী আনকি মুখ্য মন্ত্ৰীকো লগ ধৰি বাৰে বাৰে দাবী জনাই আহিছে য'ত এম, ই স্কুলত মুছলিম ছাত্ৰ ছাত্ৰী আছে তাত আৰবিক শিক্ষাৰ কাৰণে আৰবিক শিক্ষক নিযুক্তি দিব লাগে। সেইটো বিবেচনা কৰা হব আৰু চিন্তা কৰা হব বুলি আশ্বাস দি আহিছে। মই জনা মতে কেইদিনমান আগতে আমাৰ প্ৰতিনিধি দলে মুখ্য মন্ত্ৰী মহোদয়ক লগ ধৰিছিল। তেখেতে বিবেচনা কৰিব বুলি আশ্বাস দিছে। অধ্যক্ষ মহোদয়, এম, ই স্কুলত দুটা স্তৰ আছে। কিছুমান এম, ই স্কুল আছে য'ত ভেনচাৰ অৱস্থাৰ পৰা আৰবিক

* Speech not corrected

শিক্ষক লৈছিল আৰু শিক্ষাও দিছিল। কিন্তু যেতিয়া চৰকাৰীকৰণ কৰা হয় তেতিয়া এম. ই স্কুলৰ পদ চৰকাৰীকৰণ কৰা হ'ল কিন্তু আৰবিক পদটো দিয়া নহ'ল। তেনেকুৱা স্কুল ১৭৭ খন আছে। যিসকলে দাবী জনাইছিল যে আমাৰ পদ চেনচন কৰিব লাগে। আজিলৈকে কিন্তু কোনো ব্যৱস্থা লোৱা হোৱা নাই। অসমৰ বিভিন্ন জিলাত য'ত মুছলিম ছাত্ৰী ছাত্ৰী আছে তাত আৰবিক শিক্ষক দিব লাগে। এই গোটেই বিষয়টো পেণ্ডিং হৈ আছে। সেই কাৰণে এই পবিত্ৰ সদনতে শিক্ষা মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। বোধহয় এই অধিবেশনেই শেষ অধিবেশন হব। সেই কাৰণে উত্থাপন কৰিছো আৰু বহুদিন স্থগিত হৈ পৰি থকা অসমৰ মুছলমান সম্প্ৰদায়ৰ দাবী সম্পৰ্কে মই ভাবো শিক্ষা মন্ত্ৰী মহোদয়ে স্পষ্ট ভাৱে ঘোষণা কৰি এম, ই স্কুলৰ আৰবিক শিক্ষক সকলৰ পদ চৰকাৰীকৰণ কৰাৰ ব্যৱস্থা কৰিব। যিবিলাক স্কুল ইতিমধ্যে চৰকাৰীকৰণ কৰা হ'ল সেই বিলাকৰো আৰবিক পদ সোনকালে মঞ্জুৰী কৰাৰ ব্যৱস্থা কৰিব বুলি আশা ৰাখি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

★ শ্ৰীজয়ন্ত সিং ব্ৰহ্ম (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, ৩০১ নং নিয়মৰ অধীনত এম, ই, স্কুল সম্পৰ্কত যি প্ৰস্তাৱ উত্থাপন কৰিছে সেই সম্পৰ্কত চৰকাৰৰ মন্তব্য এনে ধৰণৰ। মধ্য ইংৰাজী পৰ্য্যায়ৰ বিদ্যালয়ত আৰবী বা সংস্কৃত আদি শিক্ষক নিযুক্তিৰ বিষয়টোৰ সৈতে সমগ্ৰ শৈক্ষিক বিষয়টো জৰিত হৈ আছে। প্ৰকাশ থাকে যে বৰ্ত্তমানৰ পাঠ্যক্ৰমত মধ্য ইংৰাজী/এম, ভি/ উচ্চ বুনিয়াদী আদি বিদ্যালয়ত বৰ্ত্তমানে কোনো ক্লাছিকেল ভাষা শিকোৱাৰ ব্যৱস্থা নাই যদিও অসমৰ সংখ্যালঘু সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ বাবে মধ্য ইংৰাজী মাদ্ৰাছা সমূহত আৰবী ভাষা শিকোৱাৰ ব্যৱস্থা আছে। মজলীয়া স্তৰৰ শিক্ষা বিষয়ক পাঠ্যক্ৰম যুগুটোৱাৰ দায়িত্ব অসম মাধ্যমিক শিক্ষা পৰিষদৰ। পাঠ্যক্ৰমত নথকা বিষয় এটাৰ বিপৰীতে শিক্ষক নিযুক্তি দিব পৰা নাযায়।

প্ৰকাশ থাকে যে অসমৰ মজলীয়া স্তৰৰ শিক্ষাত বৰ্ত্তমানে

---

* Speech not corrected

ত্রি ভাষা সূত্র প্রয়োগ কৰা হৈছে। সেইমতে প্ৰথম স্থানত মাতৃ ভাষা, ২য় স্থানত ইংৰাজী আৰু ৩য় স্থানত হিন্দী ভাষা শিকোৱা হয়। তাৰোপৰি অন্য অসমীয়া মাধ্যমৰ বিদ্যালয় বোৰত অসমীয়া ভাষা শিকোৱাৰ ব্যৱস্থা আছে। আনহাতে মধ্য ইংৰাজী মাদ্ৰাছা বোৰত উক্ত ভাষা শিক্ষাৰ বাহিৰেও আৰবী ভাষাৰ শিক্ষা দিয়া হয় উল্লেখিত উক্ত ভাষা শিক্ষাৰ পৰিপ্ৰেক্ষিতত ছাত্ৰ ছাত্ৰী সকলক অসমীয়া মাধ্যমৰ মধ্য ইংৰাজী /এম, ভি/ উচ্চ বুনীয়াদি বিদ্যালয় সমূহত ৩টা ভাষা শিকোৱাৰ বিপৰীতে একে পৰ্য্যায়ত অনা অসমীয়া বিদ্যালয়ত ৪টা আৰু মাদ্ৰাছা বোৰত ৫টা ভাষা শিকাবলগীয়া হয়। এনে পৰিপ্ৰেক্ষিতত, প্ৰাথমিক স্তৰত মাতৃ ভাষাৰ সম্পূৰ্ণ জ্ঞান লাভ কৰিব নোৱাৰা কম বয়সীয়া ছাত্ৰ ছাত্ৰীসকলে ত্ৰি ভাষা সূত্ৰ মতে শিকিবলগীয়া ভাষা সমূহৰ উপৰিও অন্যান্য ক্লাছিকেল ভাষা শিকোৱাটো বোজা স্বৰূপ হৈ অন্যান্য বিষয়ৰ শিক্ষাত কিবা পয়মাল হব পাৰে নেকি সেই সম্পৰ্কেও অধ্যয়ন কৰাৰ প্ৰয়োজন আছে। গতিকে সমগ্ৰ বিষয়টো বিবেচনা কৰিবৰ বাবে অসম মাধ্যমিক শিক্ষা পৰিষদলৈ প্ৰেৰণ কৰা হৈছে।

প্ৰকাশ থাকে যে অসমত বৰ্ত্তমানে থকা ৬৭৩০ মুজলীয়া স্তৰৰ অনুষ্ঠানৰ প্ৰায় এক পঞ্চমাংশ অনুষ্ঠানেই মধ্য ইংৰাজী মাদ্ৰাছা আৰু প্ৰতিষ্ঠান তেনে অনুষ্ঠানতেই আৰবিক শিক্ষক নিযুক্তি দিয়া হৈছে। ইতিমধ্যে ভূগোলকে ধৰি সংস্কৃত বিষয়টো পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰাৰ বাবে দাবী উঠি আছে।

★ শ্ৰীদেৱান জয়নাল আবেদিন : মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় শিক্ষা মন্ত্ৰীৰ উত্তৰত কেইটামান ক্লেৰিফিকেশ্যান বিচাৰিছো। প্ৰথমতে আমি দেখা পাইছো - ডেখেতে ঠিকেই লৈছে। বৰ্ত্তমান যিবিলাক এম ই স্কুল আছে তাত আৰবীক বা সংস্কৃত পাঠ্যক্ৰম নাই বুলি কৈছে। বৰ্ত্তমান নাই যদিও এটা কথা স্পষ্ট কৰি দিব লাগে যে আগতে এম ই স্কুল বিলাকত সংখ্যালঘু ছাত্ৰ-ছাত্ৰীৰ বাবে এই আৰবীক বিষয়টো আছিল। সেই কাৰণে সেই অঞ্চল বিলাকত ভেঞ্চাৰ স্কুল বিলাকত আৰবীক শিক্ষক নিয়োগ কৰা

* Speech not corrected

হৈছিলে। যিবিলাক ভেঞ্চাৰ স্কুল এতিয়া চৰকাৰীকৰণ কৰা হৈছে সেই এম ই স্কুল বিলাকৰ অন্যান্য শিক্ষক সকলৰ চাকৰী চৰকাৰী-কৰণ কৰা হৈছে কিন্তু আৰবীক শিক্ষক সকলৰ কিয় হোৱা নাই. তাৰ এটা স্পষ্টীকৰণ লাগে।

★ শ্রীআনোৱাৰা তুচেইন : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় শিক্ষা মন্ত্রী মহোদয়ে জনাইছে যে এম ই স্কুল কিছুমান লোৱা হৈছে। সেই এম ই স্কুল বিলাকত নীতিগত ভাবে আৰবীক আৰু সংস্কৃত পাঠ্যক্রম অন্তৰভূক্তি কৰিব নোৱাৰে। কিন্তু এইটো প্রশ্ন হৈছে ভাৰতীয় সংবিধান মতে আৰবীক পাঠ্যক্রম অন্তৰভূক্তি কৰিব নেকি সেইটোৰ মোক এটা ক্লেয়াৰিফিকেশ্যন লাগে।

★ শ্রীজয়ন্ত সিং ব্রহ্ম (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, এম ই স্কুলৰ সংক্রান্তত বৰ্ত্তমানলৈকে একো সিদ্ধান্ত হোৱা নাই। পাঠ্যক্রমৰ সংক্রান্তত মাধ্যমিক শিক্ষা পৰিষদে কাম কৰে যদি মাধ্যমিক শিক্ষা পৰিষদে পাঠ্যক্রম দিয়ে সেইটো কৰা হব।

★ মৌলানা আব্দুল জেলিল ৰাগিবী : মাননীয় অধ্যক্ষ মহোদয়, এই সংক্রান্তত মাননীয় মুখ্য মন্ত্রীৰ লগত আলোচনা কৰিছিলো তাৰ জ্ঞাতাৰ্থে আজি মই এই কথাটো আনিছিলো। এইটো হলে মুছলমান ছাত্র ছাত্রীৰ বাবে অসুবিধা নহব। তেখেতে যিটো কৈছে সেইটো নহয়।

★ শ্রীজয়ন্ত সিং ব্রহ্ম (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, মই ইতিমধ্যে কৈছো স্কুল বিলাকত ৫টা ভাষা পঢ়াবলগীয়া হলে এইটো অভাব-লডিং হব। এম ই স্কুল বিলাকত সেইটো কৰিব পৰা নাই। মাধ্যমিক শিক্ষা পৰিষদক এই বিষয়ে চাবলৈ দিয়া হৈছে যদি দিবলৈ দিয়ে দিয়া হব। ইতিমধ্যে ২৫১ খন মাদ্রাছা স্কুল আছে।

Laying of Statement

Mr. Speaker : Now, Item No. 4. Hon'ble Chief Minister to lay.

★ Speech not corrected

Shri Hiteswar Saikia (Chief Minister) Sir, I beg to lay a Statement under Rule 69 (1) of Rules of Procedure and Conduct of Business in Assam Legislative Assembly explaining the circumstances which had necessitated Legislation by Ordinance.

Introduction of Government Bills.

Mr. Speaker : Now Item No. 5 Hon'ble Chief Minister to move the motion for introduction of the Bill.

Shri Hiteswar Saikia (Chief Minister) : Sir, I beg to introduce 'The Guwahati Municipal Corporation (Amendment) Bill, 1995.

Mr. Speaker : Is it the Pleasure of the House to grant leave to introduce the Bill ?

Leave is granted

Now, Hon'ble Chief Minister of introduce the Bill.

Secretary : Assam Legislative Assembly to read out the Title of the Bill.

"The Guwahati Municipal Corporation (Amendment) Bill. I995".

Mr. Speaker : Now, Item No. 6 Hon'ble Chief Minister to move the motion for introduction of the Bill,

Shri Hiteswar Saikia (Chief Minister) : Sir, I beg leave to introduce The Guwahati Metropolitan Development Authority (Amendment) Bill, 1995.

Mr. Speaker : Is it the pleasure of the House to grant leave to introduce the Bill ?

Leave is granted

Now, Hon'ble Chief Minister to introduce the Bill.

Shri Hiteswar Saikia (Chief Minister) : Sir, I beg to introduce 'The Guwahati Metropolitan Development Authority (Amendment) Bill, 1995

Secretary, Assam Legislative Assembly to read out the Title of the Bill.

"The Guwahati Metropolitan Development Authority (Amendment) Bill, 1995".

Laying of Statement.

Mr. Speaker : Now, Item No. 7. Hon'ble Minisier of State, WPT & BC to lay.

Shri Gomeswar Pegu (Minister of State WPT & BC) : Sir, I beg to lay a Statement under Rule 69 (1) of the Rules of Legislative Assembly explaining the circumstances which had necessitated immediate Legislation by Ordinance,

Introduction of Government Bills.

Mr. Speaker : Now Item No. 8: Hon'ble Minister of State WPT & BC to move the motion for introduction of the Bill.

Shri Gomeswar Pegu (Minister of State WPT & BC) : Sir, I beg leave to introduce the Lalung (Tiwa) Autonomous Council Bill, 1995.

Mr. Speaker : Is it the pleasure of the House to grant leave to introduce the Bill ?

Leave is granted

There is a message from the Governor of Assam.

Dated September 06, 1995. Raj Bhawan, Guwahati,

Under the provision of Article 207 (I) of the Constitution of India. I, Loknath Misra, Governor of Assam recomend the introduction of the Lalung (Tiwa) Autonomous Council Bill, 1995 in the Assam Legislative Assembly.

Now, Minister of State WPT & BC to introduce the Bill.

Shri Gomeswar Pegu (Minister of State WPT & BC): Sir, I beg to introduce 'The Lalung (Tiwa) Autonomous Council Bill, 1995.

Secretary, Assam Legislative Assembly to read out the Title of the Bill—

"The Laiung (Tiwa) Autonomous Council Bill. 1995

Laying of Statement.

Mr. Speaker: Now, Item No. 9. Hon'ble Minister of State WPT & BC to lay.

Shri Gomeswar Pegu (Minister of State WPT & BC): Sir, I beg to lay a Statement under Rule 69 (I) of the Rules of Procedure and Conduct of Busines in Assam Legislative Assembly explaining the circumstances which had necessitated immediate legislation by ordinance.

Introduction of Government Bills.

Mr. Speaker: Now, Item No. 10, Hon'ble Minister of State WPT & BC to move the motion for introduction of the Bill.

Shri Gomeswar Pegu (Minister of State WPT & BC): Sir, I beg leave to introduce 'The Mising Autunomous Council Bill, 1995".

Mr. Speaker: Is it the Pleasure of the House to grant leave to introduce the Bill ?

Leave is granted.

There is a message from the Governor of Assam,

Dated September, 12, 1995. Raj Bhawan, Guwahati,

Under the provision of Article 207 (I) of the Constitution of India, I, Loknath Misra Governor of Assam recommend the introduction of the Mising Autonomous Council Bill, 1995 in the Assam Legislative Assembly.

Now, Minister of State WPT & BC to introduce the Bill,

Shri Gomeswar Pegu (Minister of State WPT & BC): Sir, I beg leave to introduce 'The Mising Autonomous Council Bill, 1995.

Secretary, Assam Legislative Assembly to read out the Title of the Bill—

"The Mising Autonomous Council Bill, 1995".

Mr. Speaker: Now, Item No. 11. Hon'ble Minister, Muncipal Administration to move the motion for introduction of the Bill.

Shri Jiba Kanta Gogoi (Minister, Municipal Administration) : Sir, I beg leave to introduce 'The Assam Municipal (Amendment) Bill, 1995.

Mr. Speaker : Is it the pleasure of the House to grant leave to introduce the Bill.

Leave is granted.

Now, Hon'ble Minister, Municipal Administration to introduce the Bill.

Shri Jiba Kanta Gogoi (Minister, Municipal Administration) : Sir, I beg leave to introduce the 'The Assam Municipal (Amendment) Bill, 1995.

Secretary, Assam Legislative Assembly to read out the Title of the Bill—

"The Assam Municipal (Amendment) Bill 1995.

Mr. Speaker : Now, item no. 12. Hon'ble Minister of State, Education to move the motion for introduction of the Bill.

Shri Abu Saleh Najmuddin (Minister of State Education) : Sir, I beg leave to introduce 'The Assam Madrassa Education (Provincialisation) Bill, 1995.

Mr. Speaker : Is it the pleasure of the House to grant leave to introduce the Bill ?

Leave is granted

There is a message from the Governor of Assam.

Dated September 20, 1995

Under the Provision of Article 207 (3) of the Constitution of India, I, Loknath Misra, Governor of Assam, recommend that the Introduction of the Assam Madrassa Education (Provincialisation) Bill, 1995 in the Assam Legislative Assembly.

Now, Hon'ble Minister of State Education to introduce the Bill,

Shri Abu Saleh Najmuddin (Minister of State Education) : Sir, I beg leave to introduce 'The Assam Madrassa Education (Provincialisation) Bill, 1995.

Secretary, Assam Legislative Assembly to read out the Title of the Bill --

'The Assam Madrassa Education (Provincialisation) Bill, 1995.

Consideration and Passing of Government Bills.

Mr. Speaker : Now, Item No. 13. Hon'ble Minister Finance to move the motion for introduction of the Amusement and Betting Tax (Amendment) Bill, 1995.

Shri Jiba Kanta Gogoi (Minister, Finance) : Sir, I beg to move that 'The Assam Amusement and Betting Tax (Amendment) Bill, 1995 be taken into consideration.

Mr. Speaker : Is it the pleasure of the House to grant leave to introduce the Bill ?

Leave is granted

There is a message from the Governor of Assam.

Dated September 12, 1995. Raj Bhawan, Guwahati.

Under the provision of Article 207 (3) of the constitution of India, I, Loknath Misra, Governor recommend that Assam Amusement and Betting Tax

(Amendment) bill, 1995 be taken into consideration by the Assam Legislative Assembly.

Now, Hon'ble Minister Finance to introduce the Bill.

Shri Jiba Kanta Gogoi (Minister, Finance): Sir, I beg to move that 'The Assam Amusements and Betting Tax (Amendment) Bill, 1995 be taken into considaration.

★ শ্রীযতীন ম্বাম্বী : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টোৰ ওপৰত আমাৰ বক্তব্য আছে। মাননীয় বিত্ত মন্ত্রী মহোদয়ে যিখন বিল আনিছে এই সম্পর্কে চৰকাৰৰ স্পষ্ট নীতি এটা আমি বাঞ্ছা কৰিছো।

অধ্যক্ষ মহোদয়, চৰকাৰে যেতিয়া নতুন নীতি ঘোষণা কৰে দেখা যায় যে কেতিয়াবা কেতিয়াবা কয় ফাইনেনচিয়েল ক্রাইচিছ হৈছে তাক মীট কৰিবৰ কাৰণে টেক্স লগোৱা হয়, একে সময়তে দেখা যায় যে কোনো কোনো বিভাগৰ কোনো কোনো আইটেমৰ ওপৰত টেক্স বেহাই দিছে। চেল টেক্স বেহাই দিয়াৰ দৃষ্টান্তও আছে। এই ক্ষেত্রত চৰকাৰে স্পষ্ট নীতি ঘোষণা কৰিব লাগে। কি ধৰণে চৰকাৰে গোটেই অর্থনৈতিক বিষয়টো আগুৱাই নিব বিচাৰিছে। আমি দেখিছোঁ। যিখন বিল আনিছে তাত যি এইমচ এণ্ড অবজেক্ট আছে তাত উল্লেখ কৰিছে, মিবিলাকক বেহাই দিব বিচৰা হৈছে। তাৰ পৰা চৰকাৰৰ কিমান ৰাহি হব বা লোকচান হব জনাব লাগে। এই ক্ষেত্রত দুই এটা কথা লুকাই থকা যেন হৈছে। এই সম্পর্কে ব্যাখ্যাৰ প্রয়োজন। কিছু দিন আগতে মমবাতিৰ ওপৰত চেল টেক্স বেহাই দিছিল, এই মমবাতিৰ চেলটেক্স কিয় বেহাই দিব লগা হ'ল ? এই কাৰণে চৰকাৰে স্পষ্ট ব্যাখ্যা দিব লাগে। এই সম্পর্কে বহুত কথাই শুনা যায়, আমি আনুমানিক কথা কব যোৱা নাই। কি কাৰণে বেহাই দিছে

* Speech not corrected

ব্যাখ্যাৰ প্ৰয়োজন। গ্ৰীণ লিফৰ ওপৰত টেক্স ৰেহাই দিয়া হৈছে, এইটো আলোচনা কৰাৰ প্ৰয়োজন আছে। চৰকাৰে হঠাতে গাখীৰৰ দাম বঢ়াই দিছে, আনহাতে মদ্যপাতি, গ্ৰীণ লিফৰ ওপৰত কৰ উঠাই দিছে। গুৱাহাটীত প্ৰায় ৫০ হাজাৰ লিটাৰ গাখীৰৰ প্ৰতি দিনে প্ৰয়োজন হয় বুলি আনুমানিক তথ্য পোৱা যায়।

মাননীয় অধ্যক্ষ : বিল যিটো হয়, তাৰ ওপৰত কৰ লাগে, গাখীৰ আদিৰ কথা ইয়াত নাহে। মদ্য পাতিৰ কথাও বেলেগ, বিলৰ ওপৰত কওক।

☆ শ্ৰীযতীন মালী : মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে ক'ৰবাত টেক্স ৰেহাই দিছে আৰু ক'ৰবাত বঢ়াইছে। এই ক্ষেত্ৰত খেলি মেলি হৈছে, চিনেমা, টি ভি, আদিৰ ওপৰত যিটো আনিছে এই গোটেইটো চৰকাৰৰ পৰা ক্লিয়াৰিফিকেচন হব লাগে, এইখিনিয়ে মোৰ বক্তব্য।

☆ শ্ৰীজীৱকান্ত গগৈ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীযতীন মালী ডাঙৰীয়াই দুটা কথা হৈছে, যিখন এক্ট দাখিল কৰা হৈছে সেইখন ভেখেতে ভালদৰে পঢ়া নাই নেকি? কি ক্ষেত্ৰত কি পৰিস্থিতিত টেক্স কমাব লগীয়া হৈছে। চিনেমাৰ টিকটৰ আগতে শতকৰা দুটকা আছিল। এতিয়া শতকৰা ২০ ভাগ কমাব বিচৰা হৈছে। এইটো পৰিস্থিতি সাপেক্ষে কৰিব লগা হৈছে, এতিয়া কেবুল টি, ভি, আহিছে, মানুহে চিনেমা নোচোৱা হৈছে। মানুহ চিনেমা চাবলৈ কমি গৈছে। সেই কাৰণে চিনেমা নিৰ্ম্মাণ কৰাটো বন্ধ হৈ গৈছে। আমাৰ হাতত তথ্য থকা মতে ১২ টা চিনেমা হল বন্ধ হৈছে। কোকৰাঝাৰ, বংজুলি, অনুপমা টকীজ, প্ৰাগজ্যোতিষ চিনেমা, গুৱাহাটী অৰুণা আদি চিনেমা বন্ধ হৈ গৈছে। কেবুল টি, ভি, হোৱাৰ কাৰণে মানুহে নোচোৱা হৈছে। চিনেমা হল এটাত ২০/২৫ জন মানুহে কাম কৰে। তেওঁলোকৰ জীৱিকা বন্ধ হৈ গৈছে। এইটো যাতে সকলোতে নহয় চাব লাগিব। কেবুল টি, ভি, হোৱাৰ পৰা মানুহে ঘৰতে বহি চাব পৰা হৈছে। সেই কাৰণে চিনেমা হলত চাবলৈ নেযায়। গতিকে চিনেমা উদ্যোগটো

* Speech not corrected

ৰক্ষা কৰিবৰ কাৰণে এইটো কৰা হৈছে। আগতেকৈ টেক্স সামান্য কৰিছে। মই আগতেই কৈছো যে এইখন জনপ্ৰিয় চৰকাৰ, এই চৰকাৰে ৰাইজক কি লাগে চাব লাগিব। এই ক্ষেত্ৰত বিধায়কৰ ফালৰ পৰা ৰিপ্ৰেজেনটেচন আহিছে। কিবা এটা অনুৰোধ কৰিলে তাক গুৰুত্বপূৰ্ণ ভাবে বিবেচনা কৰিব লাগিব। আমি ৰাইজক সুবিধা দিয়াটো আমাৰ কৰ্ত্তব্য। বেটাৰ ইনটাৰেষ্ট চাব লাগিব। যিখিনি কমোৱা হৈছে ক্ষুদ্ৰ উদ্যোগৰ কাৰণেই কৰা হৈছে। সেই কাৰণে এই বিলখন মাননীয় সদস্য সকলে পাছ কৰিব বুলি আশা ৰাখি মোৰ বক্তব্য সামৰিছোঁ। ধন্যবাদ।

Mr. Speaker : I now put the motion before the House. The motion is that 'The Assam Amusements and Betting Tax (Amendment) Bill, 1995 be taken into consideration.

'Ayes' have it,
'Ayes' have it,
'Ayes' have it
The motion is passed.

There is no amendment to the Clause II of the Bill. So Clause II do form part of the Bill.

I now put Clause II, Preamble. enacting formula do stand part of the Bill.

'Ayes' have it,
'Ayes' have it,
'Ayes' have it.

Clause II, Preamble, enacting formula and short title of the Bill do from part of the Bill.

Shri Jiba Kanta Gogoi (Minister, Finance) : Mr, Speaker Sir, I beg to move that 'The Assam Amusements and Betting Tax (Amendment) Bill. 1995 'be passed.

Mr. Speaker : I now put the motion before the House for approval. The motion is that "The Assam Amusements and Betting Tax (Amendment) Bill. 1995 be passed.

'Ayes' have it,

'Ayes' have it,

'Ayes' have it'

The motion is passed. The Bill is passed.

Now, Item No. 14 Hon'ble Minister, Labour, to move.

Shri Dileswar Tanti (Minister, Labour) : Mr. Speaker Sir, I beg to move that "The Assam Tea Plantations Provident Fund (And Pension Fund) (And Deposit Linked Insurance Fund) Scheme (Amendment) Bill, 1995 be taken into consideration.

★ শ্রীপ্রমোদ গগৈ : মাননীয় অধ্যক্ষ মহোদয়, এই সংক্রান্তত মই আপত্তি কৰিব বিচৰা নাই। কিন্তু এটা কথা লৈ মাননীয় শ্রম মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিলে ভাল হব বুলিয়েই সদনত দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো। প্রভিডেন্ট ফাণ্ডৰ যিটো টকা যিবিলাক চাহবাগানৰ শ্রমিক আছে সেই সকলক মালিকৰ পৰাই বেচৰকাৰী পক্ষই দিছে নে নাই। আমি জনাত প্রতিখন চাহবাগানৰ প্রভিদেণ্ট ফাণ্ডৰ যিটো টকা জমা দিব লাগে সেই টকাতো কেবা বছৰো ধৰি জমা দিব দিয়া নাই আৰু এই টকাতোৰ মূল্য ১ লক্ষ বা ২ লক্ষ নহয় তাতোকৈ বহুত বেচি পৰিমানৰ হব। বহুত বেচি পৰিমানৰ টকা জমা নিদিয়াকৈ আছে। সেই প্রভিডেণ্ট ফাণ্ডৰ টকাতো জমা নিদিয়াৰ ফলত চাহ বাগানৰ বনুৱা সকলে বা চাহবাগানৰ বনুৱা সকলৰ যিটো প্রাপ্য সেই প্রাপ্যৰ পৰা তেখেত সকল বঞ্চিত হৈছে আৰু এইটো অত্যন্ত দুর্ভাগ্য জনক কথা যে চৰকাৰে বা চৰকাৰৰ শ্রম বিভাগৰ ফালৰ পৰা যিবিলাক চাহবাগানে এতিয়ালৈকে

* Speech not corrected

প্রভিডেন্ট ফাণ্ডৰ টকা জমা দিয়া নাই সেইবিলাক চাহবাগানৰ বিৰুদ্ধে আইন সঙ্গত ভাবে কোনো ব্যৱস্থা নাই। অথচ এই ক্ষেত্ৰত আইন সঙ্গত ব্যৱস্থা আছে। কিন্তু সেই ব্যৱস্থা লালোৱাতো অতি পৰিতাপৰ কথা। এই চাহবাগানৰ মালিক সকলে সাধাৰণ অযুহাত একোটা লৈ সুবিধা লয় আৰু কোৰ্টত কেচ কৰে। সেই কেচ বিলাক বছৰৰ পিচত বছৰ ধৰি নিষ্পত্তি নোহোৱাকৈ পৰি থাকে আৰু মালিক পক্ষৰ হৈ যিসকল অধিবক্তা আছে আৰু চৰকাৰী পক্ষৰ অধিবক্তা সকলে এই কেচ বিলাক খৰতকীয়া ভাবে লোৱাৰ কাৰণে যেনে ধৰণৰ ব্যৱস্থা ললে ভাল হয় তেনে ধৰণৰ ব্যৱস্থা নলয়। অকল সেইটোৱেই নহয় এনে ধৰণৰ অভিযোগ উঠিছে যে চৰকাৰী পক্ষৰ অধিবক্তা সকলে মালিক পক্ষৰ লগত পৰোক্ষ ভাবে লগলাগি এই ধৰণৰ কেচ বিলাক অধিক দেৰী কৰে যাতে প্ৰভিডেন্ট ফাণ্ডৰ টকা পইচা বিলাক জমা দিয়াৰ ক্ষেত্ৰত গা এৰাই চলিব পাৰি। সেয়ে মই মাননীয় শ্ৰম মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো আজি অসমত যিমান কেইখন চাহ বাগিছা আছে সেই চাহবাগান বিলাকে এতিয়ালৈকে প্ৰভিডেন্ট ফাণ্ডৰ টকা জমা দিব লাগে সেই মতে এতিয়ালৈকে কিমান টকা জমা নিদিয়াকৈ আছে সেইটো পৃথক পৃথক ভাবে দিয়াটো সম্ভৱ নহয়। কিন্তু সৰ্ব্ব মুঠ কিমান টকা জমা নিদিয়াকৈ পৰি আছে আৰু কিমান বছৰৰ পৰা জমা নিদিয়াকৈ পৰি আছে আৰু সেই টকা জমা নিদিয়াৰ কাৰণে চৰকাৰৰ ফালৰ পৰা যি ব্যৱস্থা লব লাগিছিল সেই ধৰণৰ ব্যৱস্থা লৈছে নে নাই কথাটো সদনত মন্ত্ৰী ডাঙৰীয়াই জনোৱাতো প্ৰয়োজন আছিল। এইটো অতি দুৰ্ভাগ্য জনক কথা যে আন আন শিল্পৰ নিচিনাকৈ চাহবাগানকো যদি ইণ্ডাষ্ট্ৰী বুলি ধৰা হয় তেনে ক্ষেত্ৰত দেখা যায় আমাৰ চাহবাগান বিলাকৰ শ্ৰমিক সকল অতি পিচপৰা আৰু তেওঁলোক নিষ্পেষিত আৰু বঞ্চিত হৈ আছে। অথচ আজি ভাৰতবৰ্ষৰ যিমান চাহ উৎপাদন হয় তাৰে শতকৰা ৫২ ভাগ অসমত উৎপাদিত হয় আৰু সেই চাহ উৎপাদনত চাহশ্ৰমিক সকলে যি কষ্ট আৰু ত্যাগ স্বীকাৰ কৰি আহিছে সেই অনুযায়ী চাহবাগানৰ

মালিক সকলে যি ধৰণে শ্ৰমিক সকলৰ ৰক্ষণা বেক্ষণ দিব লাগে সেই ধৰণে দিয়া নাই। চাহবাগানৰ মালিক সকলে যিখিনি চাহ ৰপ্তানী কৰে আৰু ভাৰতবৰ্ষৰ পৰা যিখিনি চাহ ৰপ্তানী হয় অসমৰ পৰা শতকৰা ৫০ ভাগ হয়। অসমৰ চাহৰ মৰ্যদা পৃথিবীৰ বজাৰত অনেক বেচি আৰু দামো যথেষ্ট বেচি। আনুমানিক হিচাব মতে অসমৰ চাহবাগানৰ মালিক সকলে ৰপ্তানী কৰা চাহৰ মূল্য প্ৰতি বছৰে অতি কমেও কোটি টকাৰ ওলত নহয়। ইমান বহুত পৰিমানৰ টকা লাভ কৰে। ইয়াৰ পৰা এইটো স্পষ্টকৈ কব পাৰি যে অসমৰ চাহবাগিছা বিলাকৰ আৰ্থিক অৱস্থা যেয়া নহয়। গতিকে এই ক্ষেত্ৰত চাহবাগানৰ মালিক সকলে চাহ বাগানৰ প্ৰভিদেন্ট ফাণ্ডৰ টকাতো জমা নিদিয়াতো অকল আইন মতে দণ্ডনীয়ই নহয় ই এক সমাজ বিৰোধী কাম এই ক্ষেত্ৰত চৰকাৰৰ কালৰ পৰা চাহবাগানৰ মালিক সকলৰ ওপৰত কঠোৰ ব্যৱস্থা লব লাগিছিল। কিন্তু দুৰ্ভাগ্য জনক কথা যে চাহ বাগানৰ মালিক সকলৰ প্ৰতি চৰকাৰৰ অলপ চষ্ট কৰ্ণাৰ আছে। আমি জানো চাহবাগানৰ গ্ৰীণ লিফৰ ওপৰত টেক্স বেহাই দিয়া হৈছে। তেনে ক্ষেত্ৰত অসম চৰকাৰে কেচ কৰা হলে বৃহৎ পৰিমানৰ টকা পালেহেঁতেন কিন্তু অসম চৰকাৰে কেচটো জিকিব নোৱাৰো বুলি বহি থাকিল অথচ পশ্চিম বঙ্গ চৰকাৰে কেচ কৰি জিকিলে। আমাৰ কথা হ'ল চাহ শিল্পটো আমাৰ অসমত জীয়াই ৰাখিব লাগিব। ইয়াক বচাই ৰাখিব লাগিব। আজি আন্তঃৰাষ্ট্ৰীয় বজাৰত অসমৰ চাহৰ চাহিদা আৰু মৰ্য্যদা অনেক বেচি। প্ৰতি বছৰে নহলেও কিন্তু যোৱা বহুৰ চাহ উৎপাদন আৰু ৰপ্তানীৰ ক্ষেত্ৰত অসমে যথেষ্ট লাভ কৰিছে। তেনে ক্ষেত্ৰত প্ৰভিদেন্ট ফাণ্ডৰ টকাতো জমা দিব নোৱাৰা কাৰণ কি? এইদৰে প্ৰভিদেন্ট ফাণ্ডৰ টকাতো জমা নিদি তেওঁলোকে সমুদায় টকা ফ্লিক্স দিপোজিট'ত থৈ কোটি কোটি টকা নিজৰ নামত ৰাখি থৈছে আৰু আন হাতেদি চাহ বাগানৰ শ্ৰমিক সকলক প্ৰাপ্যৰ পৰা বঞ্চিত কৰিছে। এই ক্ষেত্ৰত চৰকাৰৰ শ্ৰম বিভাগৰ গাফিলতিৰ কাৰণে আজি চাহ শ্ৰমিক সকলক ৰক্ষণা-বেক্ষণ দিয়াৰ ক্ষেত্ৰত চৰকাৰ সম্পূৰ্ণ ব্যৰ্থ হৈছে।

সেই কাৰণে আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে অসম চাহ মজদুৰ সংঘই তেখেত সকলে দাবী কৰিছিল আৰু সেই মৰ্মে এটা মীমাংসাও হৈছিল যদিও সেই মীমাংসাৰ কোনো সমাধান হোৱা নাই, তেখেত সকলে কিবা এটা মীমাংসা কৰিলে যদিয়ো ছাত্ৰ সন্থাই ষ্ট্ৰাইক কৰিলে, সেই ষ্ট্ৰাইক বন্ধ কৰিব নোৱাৰিলে। মই অৱশ্যে এই সম্পৰ্কে বিশেষ কবলৈ নাযাও। কিন্তু চাহ শ্ৰমিক সকলৰ যিখিনি আইন সঙ্গত প্ৰাপ্য, সংবিধানে দিয়া প্ৰাপ্য ইত্যাদি। মাননীয় অধ্যক্ষ মহোদয়। চাহ শ্ৰমিকসকলৰ যিখিনি প্ৰাপ্য আইনমতে যিখিনি প্ৰাপ্য যিখন আইন সদনে পাছ কৰিছে, পাৰ্লিয়ামেণ্টে পাছ কৰিছে সেই আইনমতে চাহ শ্ৰমিকসবলক বঞ্চিত কৰাৰ অধিকাৰ চৰকাৰৰ নাই। সেই কাৰণে এই বিলখন যেতিয়া উত্থাপন কৰিছে সেয়েহে আমি কেইটামান বিষয় জানিবলৈ বিচাৰিছো। বিশেষকৈ প্ৰভিডেণ্ট ফাণ্ডৰ ক্ষেত্ৰত কিমান টকা আজিৰ তাৰিখলৈ চাহ বাগিছাৰ মালিক বিলাকে জমা দিবলৈ আছে? আৰু কোন কোন বাগিছাৰ মালিকবিলাকে দিবলৈ বাকী আছে। যিবিলাকৰ মালিক হ'ল মাৰ্টিন নেছনেল কোম্পানী। চাহ বাগিছাৰ মালিক হ'ল টাটা, বিৰলা, স্বৰাজপাল। বিবিলাকে দেশৰ অৰ্থনীতি ওলট-পালট কৰি দিয়ে। অসমৰ ৮০ শতাংশ চাহ উৎপাদন হয় সেই মাৰ্টিন নেছনেল কোম্পানীৰ বাগিছা বিলাকত। কিন্তু তেওঁলোকৰ অসমৰ প্ৰতি অকণো ক্ষমতা নাই, অসমৰ প্ৰতি সহাৰ নাই। তেওঁলোকে যিমান পাৰে অসমৰ বাহিৰলৈ নি উদ্যোগ কৰিব বিচাৰে। সেই কাৰণে আমি এই সংক্ৰান্তত উত্থাপন কৰিব বিচাৰিছো, আমি দাবী কৰিব বিচাৰিছো যে—চাহ বাগিছাৰ মালিকবিলাকে যিমান লাভ কৰে আন কোনেও সিমান লাভ কৰিব পৰা নাই। চৰকাৰে আইন প্ৰণয়ন কৰি হলেও চাহ বাগিছাৰ মালিক সকলে লাভ কৰা অংশ ৫০ শতাংশ অসমক পুনৰ নিৰ্মাণ কৰাৰ ক্ষেত্ৰত খটোৱাটো বাধ্যতামূলক কৰিব লাগে। ক'ত খৰচ কৰিব সেইটো চৰকাৰে ঠিক কৰক। অসমত উৎপাদন কৰি বাহিৰত শিল্প স্থাপন কৰিব সেইটো চিৰদিন চলাই থাকিবলৈ দিব নোৱাৰি। অসমক বঞ্চিত

কবাৰ চৰিত্ৰ বেচি দিন চলি থাকিব নোৱাৰে। সেই কাৰণে অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো প্ৰভিডেণ্ট ফাণ্ডৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা লৈছে। সেই বিষয়ে যাতে সদনক জনাই আৰু যদি একো ব্যৱস্থা লোৱা নাই তেতিয়াহলে কি ব্যৱস্থা লব সেই কথা স্পষ্ট ভাবে জনাব লাগে। এইখিনি আশা কৰি মোৰ বক্তব্য সামৰিছো।

★ শ্ৰীশশকমল সন্দিকৈ : মাননীয় অধ্যক্ষ মহোদয়, মই বিলখনৰ অপোজ কৰিব বিচৰা নাই। মই প্ৰভিডেণ্ট ফাণ্ড স্কিম আৰু অন্যান্য খেলি মেলিবিলাক মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। অসমত আটাইতকৈ বেচি টকা জমা আছে। এই প্ৰভিডেণ্ট ফাণ্ডত প্ৰায় ৭০০ কোটি টকা টি প্লেণ্টেচন প্ৰভিডেণ্ট ফাণ্ডত জমা আছে। সেই টকা আন ক্লেইমদ কিমান জমা আছে কোৱা টান। ফণ্ডত কেনেকৈ টকা জমা ৰাখে সেই বিষয়ে পৰীক্ষা কৰি চোৱা দৰকাৰ। শ্ৰীগগৈ ডাঙৰীয়াই কৈছেই আমাৰ শ্ৰমিকসকলৰ পৰা বাধ্যতামূলক ভাবে দৰমহাৰ পৰা প্ৰভিডেণ্ট ফাণ্ডৰ টকা কাটি ৰাখে। আৰু মালিক পক্ষই জমা দিয়ে। শ্ৰমিকৰ লগতে মালিক পক্ষই সম পৰিমাণৰ টকা প্ৰভিডেণ্ট ফাণ্ডত জমা দিব লাগে। কিন্তু মালিক পক্ষই শ্ৰমিকৰ পৰা টকা কাটি ৰাখি জমা নিদিয়ে। তেনেকুৱা ঘটনা ধৰাও পৰিছিল ১৯৮৩ চনত। সেই সময়ত কংগ্ৰেছ চৰকাৰ আছিল। তেতিয়াৰ শ্ৰম মন্ত্ৰীয়ে এই ঘটনাটো স্বীকাৰো কৰিছে। তেতিয়া বহুতক নোটিছো দিয়া হৈছিল বিক্ষোভাৰী কৰিবৰ কাৰণে। কিন্তু বিশেষ একো ব্যৱস্থা লোৱা নহ'ল। মালিক পক্ষৰ আন ক্লেইমদ কন্টিবিউচন জমা দিয়াৰ ক্ষেত্ৰত চৰকাৰে সঠিক পদক্ষেপ লোৱা নাই। আমি এতিয়া দেখিছো পশ্চিম বঙ্গ চৰকাৰে ইতি মধ্যে এই বিষয়ে আইন প্ৰণয়ন কৰিছে আৰু যিবিলাক বাগিছাৰ দিফল্টাৰ আছে সেইবিলাক কেহ কৰি সম্পূৰ্ণ আদায় কৰিছে। কিন্তু আমাৰ অসমত সেইটো হোৱা নাই। আজি কেবা হাজাৰ কোটি টকা বাগিছাৰ মালিক পক্ষই জমা দিব লগা আছে। টি প্লে-

★ Speech not corrected

প্লেটছন এক্ট মতে কিমান টকা জমা দিয়া হৈছে সেইবিলাকৰ হিচাপৰ ষ্টেটমেণ্ট এটা পাব লাগে। অসমৰ বাগিছাত প্ৰায় ৬ লাখ কৰ্মচাৰী আছে। এতিয়া অকল বেগুলাৰ কৰ্মচাৰী বিলাকৰে নহয় টেম্পোৰাৰী কৰ্মচাৰী বিলাকৰো প্ৰভিডেণ্ট ফাণ্ডৰ কাৰণে টকা কাটি ৰাখে। কৰ্মচাৰী বিলাকে কিন্তু কব নোৱাৰে তেওঁলোকৰ কিমান জমা আছে কব নোৱাৰে। তেওঁলোকে ৰিটায়াৰমেণ্টৰ সময়ত কিমান টকা পাব লাগে নাজানে। তেওঁলোকৰ মৃত্যু হলে পৰিয়ালৰ মানুহে এই টকাখিনি নাপায়। কোনো এজন কৰ্মচাৰীৰ মৃত্যু হলে তেওঁৰ ঘৈণীয়েক নাথাকিলে প্ৰভিডেণ্ট ফাণ্ডৰ টকা নিদিয়ে। এখন বাগিছাৰ এজন কৰ্মচাৰীৰ মৃত্যুৰ পিছত তেওঁৰ পৰিয়ালে প্ৰভিডেণ্ট ফাণ্ডৰ যি টকা পাব লাগিছিল সেই টকাৰ মালিক পক্ষই নিদিয়াত আমি লিখা লিখি কৰি প্ৰভিডেণ্ট ফাণ্ড কমিছনাৰে এখন চেক পঠাই দিছিল। কিন্তু কৰ্ত্তৃপক্ষই টকাখিনি নিদি চেক খন ঘূৰাই দিছিল। বাগান কৰ্ত্তৃপক্ষই যিজনৰ নামত টকাটো গৈছিল তেওঁৰ এড্ৰেছ বিচাৰি পোৱা নাই বুলি কলে। পিছত যেনিবা ঘূৰা ঘূৰি কৰাত ৩/৪ হাজাৰ টকা পৰিয়ালে পালে। কৰ্মচাৰীৰ প্ৰভিডেণ্ট ফাণ্ডৰ টকা ঘৈণীয়েক বা মাক দেউতাকক দিয়াটো বাধ্যতামূলক। প্ৰভিডেণ্ট ফাণ্ডৰ টকা দিয়াৰ ক্ষেত্ৰত যিটো খেলি-মেলি এই ক্ষেত্ৰত চৰকাৰে কিবা ব্যৱস্থা লবনে? অধ্যক্ষ মহোদয়, মই আগেও এটা বিষয় চৰকাৰৰ দৃষ্টিগোচৰ কৰিবলৈ বিচাৰিছো। সেইটো হ'ল টি প্লেণ্টেছন প্ৰভিডেণ্ট ফাণ্ড ক্ষীমৰ যি ৭/৮ শ কোটি টকা জমা আছে সেই টকা অসম চৰকাৰৰ যি কো-অপাৰেটিভ এপেক্স বেংকত আছে আছে তাত ৰখাৰ ব্যৱস্থা কৰিব লাগে। এপেক্স বেংকত জমা থোৱা হলে অসমৰ অৰ্থনৈতিক বিকাশত বহু পৰিমাণে প্ৰভাব পেলাব। অসমৰ অৰ্থনৈতিক উন্নয়নত ব্যৱহাৰ কৰিব পৰা যাব। কিন্তু বেংকত জমা থোৱাৰ ক্ষেত্ৰতো চক্ৰান্ত চলি আছে। এই টকা জমা থোৱা হয়, বেংক অৱ বৰোদাত, এলাহাবাদ বেংকত ষ্টেট বেংকত বা ইউকো বেংকত। এই চাহ শ্ৰমিকবিলাক অসম বাইজ কিয় অসমৰ বাইজৰ টকা অসমৰ জমা নাথাকে। অসমৰ বেংকত

থলেও প্রভিডেন্ট ফাণ্ডে সুদ পাব। আৰু লগতে অসমৰ বেংকৰো ব্যৱসায় চলি থাকিব। অসমৰ উদ্যোগ গঢ়াত, অসমৰ উন্নয়নত এই টকা খটুৱাব পৰা হব। গতিকে অসমৰ এপেক্স বেংকত থোৱাৰ ব্যৱস্থা কৰিব লাগে। যিবিলাক বাগিছাৰ প্রভিডেন্ট ফাণ্ডৰ টকা দিফল্‌টাৰ আছে সেইবিলাক জমা কৰোৱাৰ বাবে কি ব্যৱস্থা লব মন্ত্রী মহোদয়ে জনাব লাগে। আমাৰ কিমান বাগিছাৰ দিফল্‌টাৰ আছে সেইবিলাক পেনেল কৰিব লাগে। ১৯৮৩ চনত মই বিধান সভাৰ সদস্য নাছিলো। কিন্তু মোৰ মনত আছে। সেই সময়ত এই দিফল্‌টাৰৰ টকা আদায় কৰাৰ বাবে বিশেষ ব্যৱস্থা লোৱা নহ'ল। এতিয়া যদি আমি উদ্যোগ নলও তেতিয়াহলে সেই টকা বিলাক সংগ্রহ কৰা অসম্ভব হব। মাননীয় সদস্য শ্রীপ্রমোদ গগৈ ডাঙৰীয়াই এই বিষয়ে কৈছে। আমি অসমৰ চাহ বাগিছাৰ কথা কলে, শিশু শ্রমিকৰ কথা কলে শ্রম মন্ত্রী ডাঙৰীয়াই ৰাজনীতি কৰা বুলি কয়। সেইদিনাও এটা শিশু শ্রমিক সংক্রান্তৰ প্রশ্নৰ উত্তৰত আমি ৰাজনীতি কৰা বুলি কৈছিল। হয়তো কিবা ৰাজনীতি থাকিব পাৰে। কিন্তু বাগিছাবিলাকত এইবিলাক ঘটনা চলি আছে। আমি হাইকোর্ট কৰি হলেও মালিক বিলাকৰ দিফল্‌টাৰ আদায় কৰাৰ ব্যৱস্থা কৰিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, যিবিলাকে কথা কব নোৱাৰে, যাৰ শিক্ষা নাই, যাক কম দৰ্ম্মহা দিয়ে, নাতিয়েক আৰু বুঢ়ী মাকে কাম কৰি সমানে ১১ টকাকৈ মজুৰী পায় এনেকুৱা বহুত ঘটনা আছে। আমাৰ বিভাগটোৱে ঋণ দান নকৰে। প্রভিডেন্ট ফাণ্ডত বহুত আইন কৰে। কিন্তু এইবোৰ কার্য্যকৰী হব নে নহয় ? এইবিলাক কথা আলোচনা কৰিবৰ কাৰণে কাৰো সময় নাই। কিছুমান কাম-কাজ তদন্ত কৰিবৰ কাৰণে সুবিধাও দিব পৰা নাই। আজি ৰেফাৰেন্সৰ কাৰণে কিমান কেচ অফিচত পৰি আছে। অফিচত বহুত খাটিব লাগে। সেয়েহে মজদুৰ সকলে আন্দোলন কৰিবলৈ সুবিধা পাইছে। এই কেচ যদি চেক্রেটেৰীয়েটত এবাৰ সোমায়, ই কেতিয়াও নোলায়। পিচত ৰেফাৰৰ কাৰণে কমিশ্যনাৰৰ

অনুমোদন লাগে, মন্ত্রীৰ অনুমোদন লাগে। আইন পাছ কৰি ৩৫০০ হেজাৰৰ পৰা ৫০০০ হেজাৰ কৰিছে আৰু বঢ়াওক যিবিলাক ডিফল্‌টাৰ আছে সেইবিলাকৰ ওপৰত কঠোৰ ব্যৱস্থা লব লাগে। বাগানৰ যিবিলাক মানুহ মৰি যাব তেতিয়া বাগান কৰ্তৃপক্ষৰ পৰা মন্ত্রীয়ে ৩৫০০ বা ৩০০০ হেজাৰ টকাকৈ পাব। মন্ত্রী মহোদয়ে আইন কৰিব বিচাৰিছে সেই আইনখনে বাগানৰ মানুহৰ কিবা অৱিহণা যোগাব বুলি মই নাভাবো। এইখিনিকে কৈ মোৰ বক্তব্য সামৰণি মাৰিলো।

★ শ্রীদীলেশ্বৰ তাঁতী (শ্রম মন্ত্রী): মাননীয় অধ্যক্ষ মহোদয়, Assam Tea plantation providend Fund Bill, '95 এটা এমেণ্ডমেণ্ট আনিছে। বাগানৰ কর্মচাৰী সকলৰ দা দর্মহা ইতিমধ্যে বঢ়োৱা হৈছে। কর্মচাৰী সকলৰ দর্মহা ৩৫০০ টকাৰ পৰা একচিদ কৰি ৫০০০ হেজাৰ টকালৈ বঢ়োৱা হৈছে। সেই একে সময়তে আঁসান টি প্লেটেচন প্রভিডেণ্ট ফাণ্ডৰ কাৰণে চেক্রেটৰীও লোৱা হৈছে। তেখেতসকলে যাতে প্রভিডেণ্ট ফাণ্ডৰ সুবিধাৰ পৰা বঞ্চিত নহয়। সেই কাৰণে ইনকাম আৰু ইনটাৰেষ্টটো বঢ়াই দিয়া হৈছে। কেন্দ্রীয় চৰকাৰৰ পৰা এমেণ্ডমেণ্ট আহিছে, সেই ধৰণে অসম চৰকাৰে অনুমোদন দিছে। এই সম্পর্কত আমাৰ মাননীয় সদস্য সকলে কৈছে যে কাৰো আপত্তি কৰিবলগীয়া নাই। যিহেতু আপত্তি নাই সেয়েহে সর্ব্বসম্মতি ক্রমে গৃহিত হব বুলি মই ভাবো। আনুসঙ্গিক হিচাবে মাননীয় বিধায়ক শ্রীগগৈ ডাঙৰীয়া আৰু শশ কমল সন্দিকৈ ডাঙৰীয়াই আশংকা প্রকাশ কৰিছে। ভৱিষ্যনীধিৰ কাৰণে তেখেত সকলৰ মনত যিখিনি সন্দেহ হৈছে সেই সন্দর্ভত মই কব বিচাৰিছো যে কর্মচাৰীসকলৰ পৰা শতকৰা ১০ ভাগ আৰু মালিক পক্ষৰ পৰা শতকৰা ১০ ভাগ মুঠতে শতকৰা ২০ ভাগ ৰখা হয়। কর্মচাৰী সকলে অৱসৰ লোৱাৰ পিচত কিছু লাভবান হব। অৱসৰৰ পিচত তেওঁলোকে মিনিমাম প্রায় ১২ হেজাৰ মান পায় আৰু মেক্সিমাম ১ লাখ টকাকৈ পায়। ইয়াৰো-পৰি ইঞ্চুৰেঞ্চৰো ব্যৱস্থা কৰা আছে। ১৯৬৩ চনৰ পৰা এইটো

* Speech not corrected

২০ ধৰি আছিল। তাৰ পিচতো পৰিয়াল পেঞ্চনৰ ব্যৱস্থা কৰা হৈছে ১৯৭২ চনৰ এপ্ৰিল মাহৰ পৰা। শ্ৰমিক সকলে অৱসৰ গ্ৰহণ কৰাৰ পিচত ১৯৬৭ চনত 25% femily Pension. পৰিয়ালৰ কোনোবা মানুহৰ মৃত্যু হলে কাম কৰাৰ কাৰণে ১ হেজাৰ টকা দিয়াই নহয় মাহে ৪০ টকাকৈ পেঞ্চন দিয়াৰ ব্যৱস্থা আছিল। এতিয়া সেইটো বঢ়াই ২ হেজাৰ টকা একালীন আৰু ২৫ পৰা ৩০০ টকালৈ ইনকামৰ ওপৰত নিৰ্ভৰ কৰি পায়। ১৯৮৪ চনত ডিপোজিট স্কীম এখন কৰা হৈছে। এই স্কীম মতে কোনোবা শ্ৰমিকৰ মৃত্যু হ'লে তেওঁলোকৰ ইনকামৰ ওপৰত নিৰ্ভৰ কৰি ১ হেজাৰ পৰা ১০ হেজাৰলৈকে ডিপোজিট বিটাৰ্ণ হিচাবে পায়। এইটো অৱশ্যে সত্য যে বহুত বাগানত নীয়ম নীতি পালন নকৰাৰ কাৰণে কোটি কোটি টকাৰ কাৰণে বাকীজাই কেচ কৰিছে। ক্ৰিমিনেল কৰিবলগীয়া হৈছে। বাগানৰ কেচ বিলাকত ডি, চি,ৰ অৰ্ডাৰত কৰা হয় আৰু ক্ৰিমিনেল কেচবিলাক কোৰ্টোৱেচনত ফাইল কৰে। মাননীয় সদস্য গগৈ ডাঙৰীয়াই কিছুমান কথা সন্দেহ প্ৰকাশ কৰাটে সত্য। আচলতে মই ৪ বছৰ ভবিষ্যনীধিৰ চেয়াৰমেন হিচাবে বাগানত কাম কৰিছিলো। তাত মই দেখিছো সাধাৰণতে মালিক সকলে শ্ৰমিক সকলক টকা দিবলৈ টান পায়।

শ্ৰীডিলেশ্বৰ তাঁতী (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, সাধাৰণতে মালিক সকলৰ কেইবাটাও এচোছিয়েচনে থাকে। এ, বি, আই, টিএ, আই, টি, এ, টি এচোছিয়েচন অৱ ইণ্ডিয়া, এ, টি, ডি এ, এন, ই, টি, এ, ভাৰতীয় টি এচোছিয়েচন ইত্যাদি। এ, বি, আই, টি, এ আৰু আই, টি, এ ৰ চাহবাগিছা সমূহ ডিফল্টাৰ নহয়। ভাৰতীয় চাহ পৰিষদ ডিফল্টাৰ নহয়। টি, এ আই আৰু এ, বি, আই টি, এ অসমীয়া মানুহৰ চাহ বাগিছা। গতিকে তেওঁলোকৰ ডিফল্টাৰৰ সংখ্যা বেছি। এটা কথা ঠিক ১৯৯১ চনত চেয়াৰমেন তথা শ্ৰম মন্ত্ৰী হিচাবে দায়িত্ব গ্ৰহণ কৰিছিলো তেতিয়া দেখিছিলো ১০/১২ কোটি টকা চাহ বাগানৰ বাকীজাই কেচৰ টকা অনাদায় হৈ আছিল। তাৰ ভিতৰত টি— কোৰপোৱেচনৰ মেজৰ পৰিমাণ ৭৫ কোটি টকা ডিফল্টাৰ হৈ

আছিল। বিগত চাৰি বছৰত প্ৰায় ৭ কোটি টকা টি কোৰপোৰেচন পৰিষদৰ পৰা আদায় কৰা হৈছে। ৫০ লাখ মান টকা এডজাষ্ট কৰিব বাকী আছে। বাকী প্ৰাইভেট টি-কোৰপোৰেচন বিলাকত মোৰ স্পষ্ট ফিগাৰ মনত নাই। তথাপিতো ৩/৪ কোটি টকা ৰিয়েলাইজ কৰিব আছো। মই প্ৰত্যেক মাহতে বাকীজাই কেচ সমূহ চলাই আছে। কিন্তু বাকীজাই কেচসমূহৰ প্ৰগ্ৰেচ বৰ শ্লো। ডি, চি ব্যস্ত থকা কাৰণে এ, ডি, চি সকলক কেচ বিলাক দিয়ে। তাৰোপৰি কেচ বিলাকত পি, জি, ইন্সষ্টলমেণ্ট কৰি দিয়ে। সেই কাৰণে ৰিয়েলাইজেচনত যথেষ্ট দেৰি হয়। প্ৰথমতে ১৯৯১ চনত টোটেল প্ৰভিডেণ্ট ফাণ্ড আছিল ৪.৫০ কোটি টকা। কিন্তু ৩১/৩/৯৫ ত ৮শ, ৭ কোটি, ৫০ লাখ ৬৮ হাজাৰ ৮৯ টকা হৈছে। ৪.৫০ কোটি টকা বছৰি প্ৰভিডেণ্ট ফাণ্ডৰ টকা ৰিয়েলাইজ কৰিবলৈ সক্ষম হৈছে। সেইটো বুজিব পৰা হৈছে যে আমাৰ বাগান কৰ্ত্তৃপক্ষ অৰ্থাৎ টি-কোৰপোৰেচনকো কনচেচন দেখুৱা নাই। প্ৰয়োজন সাপেক্ষে বাকীজাই কেচত ক্ৰিমিনেল কেচো ফাইল কৰিছো। গতিকে আগৰ তুলনাত যথেষ্ট উন্নতি হৈছে। যিখিনি আছে সেই খিনিৰ কাৰণেও প্ৰত্যেক মাহত হিয়াৰিং দি পাৰচুৱেন কৰি আছো। বাকী আমাৰ সন্দিকৈ ডাঙৰীয়াই আনপ্লেন টকাৰ কথা কৈছে। কোনোৱা কোনোৱা মানুহ মৃত্যু হোৱা কাৰণে বা বাগান এৰি গুছি যোৱা কাৰণে উত্তৰাধীকাৰী নোহোৱাৰ ফলত আন ক্লেইমত হৈ ৰৈ যায়। সেই টকাটো আসাম টি ওৱেলফেয়াৰ বোৰ্ডলৈ গুছি আহে। সেই টকাটো ওয়েলফেয়াৰ বোৰ্ডে জন-কল্যাণৰ কামত যেনে হস্পিতাল, নাৰ্চিং পঢ়োৱা আৰু বহুতো অন্যান্য ওৱেলফেয়াৰ কামত খৰচ কৰে। পৰৱৰ্ত্তী সময়ত উত্তৰাধীকাৰী ওলালে চেটেলমেণ্ট কৰি দিয়াৰ ব্যৱস্থা আছে। গতিকে মই ভাৱো প্ৰতিটো ফাণ্ড আৰু ওৱেলফায়াৰৰ কাৰণে আৰু বহুতো আঁচনি কৰিবলগীয়া আছে। তাৰ কাৰণে মেনেজমেণ্টৰ আৰু শ্ৰমিক সংগঠন বিলাকৰ সহযোগিতা লাগিব। আন বিভাগ বিলাকৰ তুলনাত মই ভাৱো শ্ৰম বিভাগত যথেষ্ট কমে হৈছে। যিহেতুকে আমাৰ প্ৰত্যেক জোনেল অফিচতে গাড়ী ঘোৰা আদিৰ

সুবিধা আছে। আৰু সেয়ে খৰটকীয়াকৈ কাম বিলাক কৰিবলৈ সুবিধা হয়। তথাপিও এতিয়া কৰিবলগীয়া কাম বহুতো আছে। মই জনাত ১৯৮৯ চনত আনকি টেম্পৰাৰী শ্ৰমিক সকলকো প্ৰভিডেণ্ট ফাণ্ডৰ সুবিধা দিয়া হৈছে। আনকি টেম্পোৰাৰী ৩ মাহৰ কাৰণেও প্ৰভিডেণ্টৰ সুবিধা দিয়া হৈছে। অসমত তেনে প্ৰভিডেণ্ট ফাণ্ড তিনি লাখ আছে। মই সেই দিনা এইখিনি তথ্য দিছোঁই। কিন্তু টেম্পোৰাৰী ওৱাৰ্কাৰ সকলৰ ক্ষেত্ৰত আটাইখিনি কোভাৰ কৰিব পৰা নাই। অসুবিধাও আছে যথেষ্ট। সেই বিলাকৰ কাৰণে স্পেচিয়েল ড্ৰাইভ দিয়া প্ৰয়োজন আছে। এঠাইত ৩/৪ শ ওৱাৰ্কাৰ আছে। তাৰ ভিতৰত ১০০ জনক দি থৈছে। লোকেল যিবিলাক ইউনিট আছে তেওঁলোকৰ পৰা সহায় নকৰিলে কেৱল এ. টি, পি. পি এফৰ পৰা সম্ভৱ নহয়। বেজিষ্টাৰ মেনেজমেণ্টে কৰে, গতিকে ইউনিয়নৰ ফালৰ পৰা সহযোগ লাগে। তিনি, চাৰি মাহ কাম কৰি বন্ধ হৈ যায়। গতিকে পি, এফৰ কনটিনিউইটি আদায় নাপায়। কাম বন্ধ হোৱাৰ লগে লগে টকাটো বিছাৰে। হাল্লা-গোল্লা হোৱাৰ কাৰণে টকাটো আদায় দিব লগা হৈছে। সেইটোত এটা অসুবিধা আছে। আজি কালি নতুনকৈ নিউ টি প্ৰেৰাৰ্চ হৈছে। সৰু সৰু বহুতো বাগান আছে। তেওঁলোকে পি, এফ ইমপ্লিমেণ্ট কৰিব নিবিছাৰে। তেওঁলোকে টেম্পোৰাৰী ওৱাৰ্কাৰ লয় আৰু উলিয়াই পঠিয়ায়। তেওঁলোকক মাতি পঠোৱা হয়। আনকি ডি, চিৰ জৰিয়তেও মাতি পঠোৱা হয়। বেচি ভাগেই নাহে। তাৰোপৰি তেওঁলোকৰ কোনো অৰগেনাইজ ইউনিয়ন নাই। তেওঁলোকৰ এই বাগান বিলাক এনেকুৱা চুকে কোণে আছে যে বিছাৰি উলিয়াই শ্ৰম বিভাগৰ ফালৰ পৰা ফোৰ্চ কৰাতো কিছু অসুবিধা হৈ আছে। কমিনি-উকেশ্যানৰ সুবিধা নোহোৱা বাবে। তথাপি বাবে বাবে পাৰচুৱেচন কৰি আছো কেৱল পি, এফৰ কথাই নহয়, মিনিমাম ওৱেজ খিনিও তেওঁলোকে নিদিয়ে।

মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে আমি পাৰচু কৰি আছো

যাতে ইমপ্লিমেণ্ট কৰিব পাৰে। অসমত এতিয়া স্মল টি গ্ৰোৱাৰ বহুতো হৈছে। আমি মিনিমাম ওৱেজ ২৩৬০ পইচা আৰু বেচন দিয়াৰ ব্যৱস্থা কৰিছো। এই ক্ষেত্ৰত ধৰিবলৈও ইউনিয়ন নাই। আৰু লেবাৰ দিপাৰ্টমেণ্টেও ঢুকি নাপায়। বিভিন্ন অসুবিধাৰ বাবে। যদিহে আমি বাইজৰ ফালৰ পৰা শ্ৰমিকসকলৰ ফালৰ পৰা ইউনিয়নৰ ফালৰ পৰা সহযোগিতা পাওঁ তেনেহ'লে ইমপ্লিমেণ্ট কৰিব পৰা হব। আমি পৰাপক্ষত যিমান সম্ভৱ আন্তৰিকতাৰে ইমপ্লিমেণ্ট কৰাৰ বাবে চেষ্টা কৰিছো। অদূৰ ভৱিষ্যতে সকলোৰে সহযোগিতা পালে ইমপ্লিমেণ্ট কৰা হব। ইয়াকে কৈ মোৰ বক্তব্য সামৰণি মাৰিলোঁ।

শ্ৰীশশকমল সন্দিকৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, যি ৮০৭ কোটি টকা আছে সেইটো অসম কো-অপাৰেটিভ এপেক্স বেংকত ৰাখিব পাৰিলে ভাল হয়।

শ্ৰীডিলেশ্বৰ তাঁতী (শ্ৰম মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, প্ৰভিডেণ্ড ফাণ্ডৰ যি ৮০৭ কোটি টকাৰ কথা কৈছে, আমাৰ অসমটি প্লেনটেশ্যান প্ৰভিডেণ্ট ফাণ্ডটো ট্ৰষ্টৰ এক্ট মতে চলে। আমাৰ বোৰ্ড অব ট্ৰাষ্টি আছে। এই এক্টমতে আমি টকা বেংকত ৰাখিব নোৱাৰো। দৈনিক খৰচৰ বাবে কিছু টকা বেংকত ৰখা হয়। সকলো টকা গৱৰ্ণমেণ্টৰ বণ্ড আৰু চিকিওৰিটিত খৰচ কৰা হয়। ৭৫ শতাংশ টকা আমি পষ্টেল দিপজিটত ৰাখো। আৰু তাৰ পৰা আমাৰ চৰকাৰে ঋণ লয়। ৮০৭ কোটি যিটো টকা আছে, এই ফাণ্ডৰ পৰা ৭৫ শতাংশ টকা অসম চৰকাৰে ঋণ লৈছে। ইলেকট্ৰিচিটি বোৰ্ডে ভালেখিনি টকা লৈছে। অসম চৰকাৰৰ বিত্তীয় কমিশ্যনেও ঋণ লৈছে। শ্ৰমিকৰ ভবিষ্য নিধিৰ টকা চৰকাৰে আৰু চৰকাৰৰ বিভিন্ন অৰ্থনৈতিক প্ৰতিস্থানে বিভিন্ন ঋণ লৈ দেশৰ অৰ্থনৈতিক উন্নয়নৰ বাবে খৰচ কৰিছে। ৪০ লাখ মান টকা বেংকত আছে বাকী সকলো টকা ঋণত আছে।

Mr. Speaker: I now put the motion before the House. The motion is that—The Assam Tea Plantations

Provident Fund (And Pension Fund) (And Deposit linked Insurance Fund) Scheme (Amendment) Bill, 1995 be taken into consideration.

The motion is passed.

Item No. 14 (b). There is no amendment on clause 2 of the bill I now put Clause 2 before the House for approval. The question is that clause 2 do stand part of the Bill.

Clause 2 do from part of the Bill.

I now put clause 1, Preamble, Enacting Formula and Short title of the Bill before the House for approval. The question is that clause 1. Preamble enacting Formula and Short title do stand part of the bill. Clause 1, Preamble, Enacting Formula and Short title do from part of the Bill.

Now, item No. 14 (c) Hon'ble Minister, Labour to move.

Shri Dileswar Tanti (Minister, Labour) : Sir, I beg to move that the "Assam Tea Plantations Provident Fund (And Pension Fund) (And Deposit Linked Insurance Fund) Scheme (Amendment) Bill, 1995 be passed.

Mr. Speaker : I Now put the motion before the House for approval. The motion is that —The Assam Tea Plantations Provident Fund (And Pension Fund) (And Deposit Linked Insurence Fund) Scheme (Amendment) Bill, 1995 be passed.

The motion is passed.

The Bill is passed.

Item No. 15. Hon'ble Chief Minister to move,

Shri Hiteswar Saikia (Chief Minister) : Sir, I beg to move that –Whereas, the State of Assam is comosite in character having different culture languages, religion and with various ethnic pupulation ;

Whereas, the people's Representation in a highest body will be adequately represented in the Second Chamber from different sections of the population of Assam.

Whereas, it has become expeadient to create a Legislative Council in the State of Assam for fulfilling the peoples' aspirations.

Whereas, Dr. Bhupendra Singh Committe has also apply recommended for creation of Legislative Council in the State to enable adequate representation of communities and Tribes in the House where there is only a Legislative Assembly.

AND

There fore, in pursuance of Article 169 of the Constitution of India, this Assembly do now unanimously pass and adopt this resolution that a Legislative Council be created in the State of Assam and recommend to Government of India for moving the Parliament to make laws to that effect as required under the provisions of Article 169 of the Constitution of India.

Shri Sasakamal Handique : Sir, we disagree on this issue and so we walk out.

(CPM MLAs walk out).

★ শ্রীপ্রফুল্ল কুমাৰ মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, ইয়াত যে এটা দ্বিতীয় চেম্বাৰৰ প্ৰয়োজন! এইটোত আমাৰ দ্বিমত নাই। কিন্তু অধ্যক্ষ ডাঙৰীয়া, দ্বিমত হৈছে যে ইয়াক কেনেকৈ গঠন কৰা হব? প্ৰস্তাৱটোৰ জৰিয়তে যিবিলাক কথা ইয়াত কোৱা হৈছে, অসমত বিভিন্ন জনগোষ্ঠীৰ মানুহ আছে, বিভিন্ন ধৰ্ম্মীয় মানুহ আছে, বিভিন্ন ভাষা গোষ্ঠীৰ মানুহ আছে আৰু সকলোৱে এটা Equal Representation ৰ কাৰণে ইয়াত এটা চেকেণ্ড চেম্বাৰৰ প্ৰয়োজন আছে। ইয়াত কোৱা হৈছে যে Different Culture, Language, Religion with a various ethnic population.

ৰিপ্ৰেজেন্ট কৰিবৰ কাৰণে Article 169 of the Constitution of India ৰ আধাৰতে চেকেণ্ড চেম্বাৰ হব লাগে। অধ্যক্ষ ডাঙৰীয়া, ভাৰতীয় সংবিধানত a document of people's faith and aspiration বুলি কোৱা হয়, যদিও বৰ্ত্তমান সময়ত, সময় সাপেক্ষে এই সংবিধানত বিভিন্ন অনুচ্ছেদ সংশোধনীৰ কাৰণে বিভিন্ন প্ৰস্তাৱ উত্থাপিত হৈছে। অধ্যক্ষ ডাঙৰীয়া, চেকেণ্ড চেম্বাৰৰ সম্পৰ্কত কনষ্টিটিউৱেন্ট এচেম্বলীত এই সম্পৰ্কে বিতং আলোচনা হৈছে আৰু বিতং আলোচনা হওঁতে তাত কোৱা হৈছিল—The main argument in favour of the Upper Chamber are I quote "It is a body which is meant to impose a check on hasty Legislation passed by the Lower House. It provides representations for the interest difficult to include in Lower House and it provides protection to certain interest against the majority. The arguments against the Upper House are it is mostly undemocratic, elected as it is by indirect franchise, it needlessly retards the democratic process, particularly in a developing country and a poor country cannot afford the luxury of the Upper House. অধ্যক্ষ ডাঙৰীয়া, এনেকুৱা ধৰণৰ বিভিন্ন

* Speech not corrected

আলোচনা বিলোচনাৰ অন্তত সিদ্ধান্ত হৈছিল যে লোক সভা আৰু ৰাজ্য সভা থাকিব আৰু ৰাজ্য বিলাকত আপাৰ হাউচ থাকিব নে নেথাকিব এই বিষয়টো ৰাজ্য বিলাকে সিদ্ধান্ত লব। আৰু মেজৰিটি সিদ্ধান্ত অনুসৰি কেন্দ্ৰীয় চৰকাৰক জনালে। তেওঁলোকে আৰ্টিকুল ১৬৯ য়ে নহয় অধ্যক্ষ ডাঙৰীয়া, আৰ্টিকুল ১৬৯ ৰ আধাৰতে প্ৰপোজেল পঠোৱাৰ পিচত চেণ্ট্ৰেল গভৰ্ণমেণ্ট ১৭১ পাৰ্লিয়ামেণ্টত বিল আনি সংশোধন কৰি তেওঁলোকে চেকেণ্ড চেম্বাৰ সেইখন ৰাজ্যত বনাব পাৰে। অধ্যক্ষ ডাঙৰীয়া, আৰ্টিকুল ১৭১ টো কোৱা হৈছে যে 171 Composition of the Legislative Council (1) the total number of member in the Legislative Council of a State having such a council shall not exceed 'one third of the total number of members in Legislative Assembly of the State : Provided that the total number of members in the Legislative Council of a State shall in no case be less than forty. অধ্যক্ষ ডাঙৰীয়া, যিকোনো লেজিচলেটিভ কাউন্সিলতে ৪০ জনৰ তলত গঠিত হব নোৱাৰে আৰু ইয়াত কাক ৰিপ্ৰেজেণ্ট কৰিব পাৰে অধ্যক্ষ ডাঙৰীয়া, লেজিচলেটিভ কাউন্সিলত যিটো প্ৰস্তাৱ অনা হৈছে সেই প্ৰস্তাৱটোৰ আধাৰত যদি সেই লেজিচলেটিভ কাউন্সিলটো আজি গঠন কৰা হয়, তেতিয়াহলে কোনে কোনে ৰিপ্ৰেজেণ্ট কৰিব পাৰিব ? অধ্যক্ষ ডাঙৰীয়া, ১৭১ ৰ মতে কোৱা হৈছে The total number of members of the Legislative Council of the State elected by electorates consisting of members of municipalities, district boards and such other local authorities চেকেণ্ডত কোৱা হৈছে One twelfth আহিব লাগিব তাৰ পৰা যে যিবিলাক ইলেকটেড হৈ আহে who have been for at least three years graduates of any university in the territory of India আৰু তেওঁলোকে স্থায়ী ভাবে সেইখন

ৰাজ্যত বসবাস কৰিছে। ইয়াৰ পিচত আহিব পাৰিব বাৰ ভাগৰ এক অংশ বা বাৰ ভাগৰ এক ভাগ। অধ্যক্ষ ডাঙৰীয়া three years engaged in teaching in such educational institutions. তাৰ পৰা বাৰ ভাগৰ এক ভাগ আহিব পাৰিব। আকৌ তিনিভাগৰ এক ভাগ অধ্যক্ষ ডাঙৰীয়া আহিব 1/3 shall be elected by the members of the Legislative Assembly আমি লেজিচলেটিভ এচেম্বলীয়ে তাত তিনিভাগৰ এক ভাগ ইলেকটেড কৰিব পাৰিম। আৰু ইয়াৰ বাকীখিনি অধ্যক্ষ ডাঙৰীয়া গভর্ণৰে নোমিনিটেড কৰিব। তাত কাক কাক আহিব বুলি কৈছে অধ্যক্ষ ডাঙৰীয়া, তাত কোৱা হৈছে literature, science, Art, co-operative movement and social services এই কেইটা বিষৰ ওপৰত পর্য্যালোচনা কৰি অধ্যক্ষ ডাঙৰীয়া লেজিচলেটিভ কাউন্সিলত তেওঁলোকে আহিব পাৰিব। গতিকে অধ্যক্ষ ডাঙৰীয়া, প্ৰস্তাৱটোত যিটো কথা অনা হৈছে যে পপুলেশ্যনৰ কথা কোৱা হৈছে, ইয়াত ডেবিয়াচ এথেনিক গ্ৰুপৰ কথা কোৱা হৈছে different culture, language, religion with various ethnic population গতিকে সেইটো আনিব লগা হলে ১৬৯ আৰ্টিকুলৰ আন্দাৱত যদি কৰিব লগা হয়, তেতিয়া ১৭১ আহিব। গতিকে ১৭১ অহাৰ লগে লগে অধ্যক্ষ ডাঙৰীয়া, যিটো উদ্দেশ্য লৈ চেকেণ্ড চেম্বাৰৰ কথা ইয়াত কোৱা হৈছে সেই উদ্দেশ্যটোৰ ফুলফিল নহব। গতিকে অধ্যক্ষ ডাঙৰীয়া, চৰকাৰ পক্ষই কেনে ধৰণে ভাবিছে? এই প্ৰপোজেল্টো অনাৰ কথা হল হাউচত অনাৰ পিচত চৰকাৰী পক্ষই কেনে ধৰণৰ ভাবিছে যে আমি যিটো প্ৰস্তাৱ আগবঢ়াইছো, চৰকাৰে আগবঢ়াইছে, এই প্ৰস্তাৱটো কেনে ধৰণে তাত গ্ৰহণ হব? কাৰণ যদি, ১৭১ আৰ্টিকুলৰ আন্দাৱত সেই লেজিচলেটিভ কাউন্সিলৰ বিপ্ৰেজেণ্ট কৰিবলৈ যোৱা হয় তেতিয়াহলে অধ্যক্ষ ডাঙৰীয়া, এই প্ৰস্তাৱটো উত্থাপন কৰাৰ কোনো যুক্তিয়েই নাই। কাৰণ ইয়াত আৰ্টিকুল ১৭১ ৰ মতে Different culture, language religion with

a various ethnic population এই বিলাকে অংশ গ্রহণ কৰিব নোৱাৰে। কোনে-কোনে অংশ গ্রহণ কৰিব পাৰিব, অধ্যক্ষ ডাঙৰীয়া, এই সংবিধানৰ ভিতৰত আৰ্টিকুল ১৭১ ত স্পষ্টভাৱে কোৱা আছে যে কোনে কোনে ইয়াত অংশ গ্রহণ কৰিব পাৰিব। সেই কাৰণে অধ্যক্ষ ডাঙৰীয়া, আমি কৈছো যে অসমৰ কাৰণে আৰু এই কথাটোও কৈছো, Constituent Assembly ত আলোচনা কৰা হৈছে যে চেকেণ্ড চেম্বাৰটো এটা বিলাসপূৰ্ণ ব্যৱস্থালৈ পৰিবৰ্তিত হব, সেইটো সন্দেহ। এই সন্দেহটো নাইকীয়া কৰাৰ ব্যৱস্থা কৰিব লাগিব। সেইটো থাকিবৰ কাৰণে অধ্যক্ষ ডাঙৰীয়া, চাব লাগিব যে যদি হয় কেতিয়াবা বিভিন্ন ৰাজনৈতিক ভাৱে অৱসৰ লবলগীয়া লোকক যাতে বিভিন্ন ৰাজনৈতিক স্বাৰ্থত তেওঁলোকক নিয়োগ কৰা নহয়। তেওঁলোক নোমিনেট কৰা মানুহ। আমি জানো, বহু সময়ত যেতিয়া চেকেণ্ড চেম্বাৰ বা ৰাজ্য সভালৈ প্ৰেচিডেণ্টে নোমিনেট কৰে, বিভিন্ন লোকক বিভিন্ন কাৰণত, তাৰ পৰা কিমান লাভ হৈছে, কিমান লোকচান হৈছে, এইটো এতিয়া পৰ্য্যালোচনাৰ বিষয়। অধ্যক্ষ ডাঙৰীয়া আমি সেইটো বুযেষ্ন কৰিবলৈ যোৱা নাই। কিন্তু সেইটো এতিয়া পৰ্য্যালোচনাৰ বিষয় হৈ আছে যে তেওঁলোকে প্ৰকৃত চাৰ্ভিচ দেশৰ কাৰণে লোৱা হৈছে, তাক প্ৰকৃততে চাৰ্ভিচ দিব পাৰিছেনে নাই, অধ্যক্ষ ডাঙৰীয়া, চেকেণ্ড চেম্বাৰ বা আপাৰ হাউচৰ কাৰণে নোমিনেট কৰি লৈ যোৱা মেম্বাৰে ৫/৬ বছৰ এযাৰো মাত নমতা উদাহৰণ আছে। এইবোৰ অধ্যক্ষ ডাঙৰীয়া, পৰ্য্যালোচনাৰ বিষয়। অধ্যক্ষ ডাঙৰীয়া, আমি স্পষ্টভাৱে কৈছো, যে বিজোলুচনৰ মূল উদ্দেশ্য different culture, language, religion with a various ethnic population তেওঁলোকে ৰিপ্ৰেজেণ্ট কৰিবলৈ অসমৰ দৰে জনবসতি বা বিভিন্ন জনজাতি, বিভিন্ন ধৰ্মীয় লোক বসবাস কৰা এই অঞ্চলত এখন আপাৰ হাউচ পতাত আমি বিৰোধীতা নকৰো। তাকে কৰিবলৈ আমাৰ ভাৰতবৰ্ষৰ সংবিধানে বাস্তা দেখুৱাই গৈছে, অধ্যক্ষ ডাঙৰীয়া, তাত আমাৰ পথ নাই,

যেতিয়ালৈকে ১৭১ আর্টিকুলটো সংশোধন কৰা নহয়। যদি ১৭১ আর্টিকুলটো সংশোধন কৰা হয়, তেতিয়াহলে ১৬৯ এই আর্টিকুলটো অনুসৰি আজি সদনত উত্থাপন কৰা প্রস্তাৱটোৰ বাস্তৱত ৰূপায়িত কৰিব পাৰিব। সেই কাৰণে গভর্ণমেণ্ট অৱ ইণ্ডিয়াক আপোনালোকে কেনেকুৱা ধৰণৰ চাজেশ্বন দিব। ১৭১ আর্টিকুলটো সংশোধন কৰিবৰ কাৰণে প্রস্তাৱ দিব লাগে, তেতিয়াহলে সেই প্রস্তাৱটো আজি হাউচত আহিব লাগে। কেৱল ১৬৯ তে এই প্রস্তাৱটোৰ ভৱিষ্যতে আপোনালোকে বিচৰা বা আমি সকলোৱে বিচৰা আমি চেকেণ্ড চেম্বাৰটো নেপাম। এই সন্দেহ আমাৰ সকলোৰে আছে। সকলোৰে সন্দেহ অনেকবাৰ কৰিব। অধ্যক্ষ ডাঙৰীয়াই কব পাৰে যে আমাৰ ভাৰতবর্ষৰ সংবিধানত চিডুল কাষ্ট / চিডুল ট্রাইবৰ বাহিৰে সংখ্যালঘুয়েই হওঁক কাৰো সাংবিধানিক সুৰক্ষাৰ ব্যৱস্থা কৰা নাই। তাৰ কাৰণে বেলেগ 'ল' বনোৱা হৈছে। এইটো বেলেগ কথা। আমাৰ ভাৰতবর্ষৰ সংবিধানে এচ, চি / এচ, টিৰ বাহিৰে বাকী কাৰো কাৰণে কিন্তু সাংবিধানিক ৰক্ষণা-বেক্ষণ কথাটো কোৱা হোৱা নাই। যেনেকৈ এচ, চি / এচ, টিৰ কাৰণে এচেম্বলিত চিত, পার্লিয়ামেণ্টৰ চিতৰ সংৰক্ষণৰ কথা আছে, কিন্তু এনে কৰাৰ কাৰণে সংৰক্ষণৰ কোনো কথা নাই। আন-আন বিলাক কথাৰ ক্ষেত্রতো যদি কেন্দ্রীয় চৰকাৰে বিভিন্ন আইন প্রণয়ন কৰিছে। কিন্তু আমাৰ সংবিধানে পোনপতীয়াভাবে এই ক্ষেত্রত স্পষ্টভাৱে কোনো মতামত আমাৰ সংবিধানত নাই বা দিয়া নাই। অধ্যক্ষ ডাঙৰীয়া, আমাৰ এইটো অনুচ্ছেদৰ আর্টিকুল ১৬৮ ৰ পৰা ১৬৯ ত যেনেকৈ কোৱা হৈছে Abolition or creation of the Legislative Council in a State ৰাজ্য বিলাকত ইয়াৰ দ্বাৰা এবুলেশান কৰিব পৰা যায়। কিন্তু কেনেকৈ কৰিব পৰা যায়, যেনেকৈ ১৭০ ত কোৱা হৈছে যে composition of the Legislative Assembly ঠিক তেনেকৈ ১৭১ ত অধ্যক্ষ ডাঙৰীয়া 171 composition of the Legislative Council এই লেজিচলেটিভ কাউন্সিলৰ ১৭১ ৰ পৰা আমি কেতিয়াও আঁতৰি

যাব নোৱাৰো। যেতিয়ালৈকে এই ১৭১ আৰ্টিকুলটো সংশোধন কৰা নহয়। গতিকে আমি অধ্যক্ষ ডাঙৰীয়াক অনুৰোধ জনাইছো। যাতে প্ৰস্তাৱটো যদি সদনত গৃহীত হব লগা হয়, তেতিয়াহলে ১৭১ আৰ্টিকুলটোৰ সংশোধনী প্ৰস্তাৱ আহিব লাগিব। যদি সংশোধনী প্ৰস্তাৱটো নাহে তেতিয়াহলে অসমৰ বিভিন্ন জনগোষ্ঠীক ৰিপ্ৰেজেণ্ট কৰাকৈ অসমৰ বিভিন্ন সাংস্কৃতিক বা জনগোষ্ঠীক ৰিপ্ৰেজেণ্ট কৰাকৈ যি প্ৰস্তাৱ এই চেকেণ্ড চেম্বাৰৰ কাৰণে আনিব বিচৰা হৈছে, সেই প্ৰস্তাৱটো সঁচা অৰ্থত কেনেকৈ প্ৰয়োগ কেনে ধৰণে কৰিব পাৰিব, সেইটো সন্দেহ হৈ থাকিল। আৰু সেই কাৰণে এই প্ৰস্তাৱটোৰ লগত আৰু এটা প্ৰস্তাৱ আহিব লাগিব। প্ৰস্তাৱটো হৈছে, ১৭১ অনুচ্ছেদ সংশোধনী প্ৰস্তাৱ। অধ্যক্ষ ডাঙৰীয়া, মোৰ প্ৰস্তাৱটোৰ প্ৰতি আমাৰ সমৰ্থন আছে যে অসমৰ বিভিন্ন জনগোষ্ঠীক প্ৰতিনিধিত্ব কৰিব পৰাকৈ এটা চেকেণ্ড চেম্বাৰ লাগে। যাতে এইবোৰ সমস্যা বেলেগে আলোচনা কৰিব পৰা যায়। কিন্তু তাৰ লগে লগে এই বিষয়টো জড়িত হৈ আছে যে যিটো প্ৰচেচত এই প্ৰস্তাৱটো উত্থাপিত কৰা হৈছে। এই প্ৰচেচত অধ্যক্ষ ডাঙৰীয়া, ইয়াৰ প্ৰথম পেৰেগ্ৰাফ, দ্বিতীয় পেৰেগ্ৰাফ, তৃতীয় পেৰেগ্ৰাফ আৰু চতুৰ্থ পেৰেগ্ৰাফত যিটো কথা কৈছে সেইটো শেষৰ পেৰেগ্ৰাফটোৱে ফুলফিল কৰিব নোৱাৰে। আৰু সেই কাৰণে অধ্যক্ষ ডাঙৰীয়া, আমি চৰকাৰৰ ফালৰ পৰা এটা স্পষ্টীকৰণ বিচাৰিছোঁ।

Shri Promod Gogoi : Mr. Speaker Sir, I raise to extend support to the resolution move by the Chief Minister for creation of a Second Chamber in the State of Assam. Mr. Speaker Sir, when this question was raised in the last session of the House, since then we have seen there is a great debate throughout the state, both in the Press and public, for and against of the concept. Mr. Speaker Sir, the

debate that has taken place in the state since the last session of the House, we have seen by and large, this concept has been welcome by the members of the public. Only the objection that has been raised is on the question of additional expenditure. I have gone through some of the letters and some of the materials of the press. Their main criticism is that this will create some financial problem, this will create additional expenditure. Mr. Speaker Sir, I do agree there will be some additional expenditure because we will have to pay salaries and allowances to the members of the council and to the staff including their pension, But Sir, when we face a serious situation in the state, this ground of additional expenditure should not be put as the main obstacle or main ground of opposition for such a move. Mr. Speaker Sir, if we remember this creation of the Legislative Council of a particular state that is being decided by the respective State Legislature by a resolution to be adopted by 2/3 rd majority of the members present in the House. Already in some important states as for example U. P., in Bihar, in Maharashtra and in Karnataka they have Legislative Councils. After independece with the change of political scanario, some states decided to abolish it. So far, I remember West Bengal, Punjub and Andhra Pradesh, they decided to abolish the Legislative Councils. But after a lapse of a several years again these two

State viz.. Andhra Pradesh and Punjab, they have again passed resolutions for creation of Legislative Councils in those States because they have felt the necessity that it should be taken into consideration. Mr. Speaker Sir, that is true we have to take up the composition of Legislative Councils as per Article 171 of the Constitution According to this provision, 1/3rd of the Members will be elected by the Legislative Assembly, 1/3rd will be elected by the electorates consisting of the members of Municipalities, District Boarders and such other local Bodies in the State as Parliament by law specify. Therefore, that 1/3rd will be elected by the local Bodies. Secondly 1/12th of the Members will be elected by the graduates, those who have completed 3 years and quasi-residence of the State and another 1/12th will be elected by the teaching communites. This will provide adequate representation to the Legislature who can elect 1/3rd of the members of the Council, another 1/3rd will be elected by the local Bodies and the teaching communities—they will have a right to elect 1/12th of the members of the Legislative Councils. Similarly, graduates, they also have a right to elect 1/12th of the members of Legislative Council. Article 171 also provides that the remaining Members will be nominated by the Governor in accordance with the provisions of Clause 5. Clause 5 provides that the members to be nominated by the Governor

under sub-clauses of clause 3 shall consist of persons having special knowledge or practical experience in respect of matters such as literature, science, co-op. movement and social service. Mr. Speaker Sir, we know that Social Service is a wider term but in respect of the issue we may take into consideration the recommendations of Bhupender Singh Committee Report and according to his recommendation, the Government decided to set up Autonomous Council for various ethnic groups in the state. I read out only one portion the report of Bhupender Singh Committee. It says "an important intellectual section of the Society in Assam feels that for the purpose a Second Chamber will be created in the State with the stipulation of representation of all ethnic groups. While we have not gone to the extent of representation, we recommend creation of a Second Chamber in Assam i. e, Legislative Council in accordance with the provision of Article 171 (3) of Constitution". He has also mentioned that "with the composition of the membership of 126 of the State Legislative Assembly, the strenght of MLC would be around 42 but we have recommended that it should be more to enable adequate representation of Scheduled Tribes in the House. These are some of the suggestions we have made."

Mr. Speaker Sir, the Assam is a composite State. At the same time it has its own varities. It

consists of so many people having different cultures, traditions, language, religion and therefore, the most important point is the integrity of the State of Assam and according to me in order to maintain the unity and integrity of the State we should not be afraid of some additional expenditure. Already we have spent so many crores of money in maiatenance of law and order. The situation can be easied if we can create a conductive situation so that different sections of the population can live peacefully. We should not hesitate for such additional expenditure which will be necessary if the Legislative Council is created by the House.

Mr. Speaker Sir, there are many sections of the people in the State who have not got representation in the House through Election as because it depends on the composition of the electorate of the constituency as it stands today. Many of the sections of the Society of the population which are down trodden and who feel that they are being deprived and discriminnated. We must be sympathatic towards them. We must see their sentiments. We must find out ways and means so that their aspirations and feelings can be represented in the House and in the Legislative Council. Mr. Speaker Sir, I can point out that all major communities should be given chance to represent in the House for smooth functioning of the democratic process. Art. 171 of constitution of india

has given right to local bodies to elect their representatives. After the amendment of the Constitution and decentralisation of power. Mahakuma Parishads and Jila Parishads have been created but they are not given any administrative power. So many Autonomous Councils have been created but they are not getting any scope for representation in the State and in the Assembly also there is no scope, there is no provision so that they can elect their own representative. If we create Legislative Council of the Local Bodies as specified in the Parliament they can elect one third of the Members of the Legislative Assembly through a process to be decided so that they can elect their own people. Mr. Speaker sir, teaching community should be given a right to elect their representative to the House. We have 3 Universities, so many colleges, Medical Colleges and Engineering Colleges but they have not been given right to send their representatives to the House. Government is not looking into this because the Election pattern is quite different. That is the right of the Society. Why they should be deprived of sending their representative to the House. They should have a say, Sir, in that way the Second Chamber can reflect the urgent aspirations of the people of all sections of the Society who are not directly being represented and directly can not send their representatives Mr. Speaker Sir, there are many communities who are not in a

position to elect their representatives to the Assembly but they are a part of the society and they are the part of the State. There are so many small groups of the population even among the tribalisay Deuri. They have not been recommended any Autonomous Council. I think it will be wise to allow them the benefit of Council. Those who are feeling of not getting such benefit we can provide them some representation and they can be nomited by the Governor. There are many such ethnic groups which may not have scope to elect to the Assembly but they can be nomited by the Governor of course, when the Parliament decides. I request the Government they should point out to the Government of India for taking into consideration the recommendation made by Dr. Bhupendra Singh Committee, though that is not accepted within the provision of Art. 117. As many social workers were nomited by the President as per provision of the Constitution to Rajya Sabha. But I feel in case of Assam there should be some flexibility as recommended by Dr. Bhupendra Singh Committee by considering the peculiarities of the State particularly for the deprived sections of the population deprived sections of the Society so that they can have the benefit of adequate representation. That point should be brought to the notice of the Government of India. If necessary essed article 171. of the Constitution, Mr. Speaker Sir, I feel

it necessary and proper for adopting this resolution. This will be a positive step for solution of the problem of the State and this will create a situation conductive for harmony among different sections of the people so that different groups can live peacefully and I hope, if we succeed, this will go a long way in resolving a burning problems of the State.

With these words I extend support to this resolution.

Government Resolution.

শ্রীবকুল দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্রী শ্রীহিতেশ্বৰ শইকীয়াদেৱে উত্থাপন কৰা প্রস্তাৱটি মই সৰ্ব্বান্তঃকৰণে সমর্থন জনাই কওঁ যে অসমত এখন উচ্চ সদনৰ প্রয়োজন। এই প্রস্তাৱটো উত্থাপন কৰাটো সময়োচিত হৈছে। এই প্রস্তাৱটোৱে সংবিধানৰ ১৬৯-১৭১ অনুচ্ছেদৰ লগত কোনো সংঘাত সৃষ্টি কৰা নাই। বিৰোধী দলৰ দলপতি মহন্তদেৱে এই প্রস্তাৱটো সমর্থন জনোৱাৰ কাৰণে তেখেতক ধন্যবাদ দিছো আৰু মাননীয় সদস্য চি, পি, আই দলৰ নেতা শ্রীগগৈদেৱে এই প্রস্তাৱটিত সমর্থনত যি বলিষ্ঠ অভিমত প্রকাশ কৰিছে তাৰ বাবে তেখেতকো ধন্যবাদ দিছো। যোৱাবাৰ বিধান সভাতেই এই প্রস্তাৱটি উত্থাপন কৰিছিল আৰু আমি সকলোৱে তাত সমর্থন জনাইছিলো আৰু তাৰ ফলশ্রুতি হিচাপে আজি সদনত এইটো প্রস্তাৱ আহিছে। আমাৰ এই ব্যৱস্থাটো শ্রীমহন্ত ডাঙৰীয়াই উল্লেখ কৰাৰ দৰে কনষ্টিটিউৱেন্ট এছেম্বিলি যুক্তি তৰ্কৰ লগতো সংগতিপূর্ণ। সকলো জনগোষ্ঠীৰ প্রতিনিধিত্বৰ কাৰণে ৰাজ্যখনত এই উচ্চ সদনৰ প্রয়োজনীয়তা কোনেও অস্বীকাৰ কৰিব নোৱাৰে। এইটো অসমৰ সকলো জনগোষ্ঠীৰ আশা আকাংখ্যা পুৰণ কৰা এটা

বলিষ্ঠ প্রচেষ্টা। এই প্রস্তাবত পাহাৰ হৈয়ামৰ সকলো জন-গোষ্ঠীয়ে আন্তৰিকতাৰে সমৰ্থন জনোৱাটো অভিনন্দন জনাবলগীয়া। আজি আমাৰ ইয়াত কাৰ্বি ভাই-ভনী, ডিমাছা ভাই-ভনী, তিৱা ভাই-ভনী, মিছিং ভাই-ভনী সকলোৱে সমৰ্থন দিছে, এইটো ভৱিষ্যতৰ বাবে শুভ লক্ষণ। জাতি-ধৰ্ম ভাষা বৰ্ণ নিৰ্বিশেষে সকলোৰে আশা আকাংখ্যা পুৰণ আৰু আমাৰ যি সকল জন-গোষ্ঠীয়ে উচিত প্ৰতিনিধিত্ব পোৱা নাই তেওঁলোকে আৰু শিক্ষক আইনজীৱি সমাজসেৱী সকলোৱে প্ৰস্তাৱিত উচ্চ সদনত সমুচিত প্ৰতিনিধিত্ব পোৱা উচিত। আজি উচ্চ সদনত কেনে ধৰণৰ প্ৰতিনিধিত্ব হব গৈ ভাঙৰীয়াই কৈ গৈছে। আজি অসমৰ গাওঁ পঞ্চায়ত, নগৰ পালিকা ব্যৱস্থা হোৱাৰ লগে লগে স্থানীয় নিকায় সমূহৰ পুনৰ বিন্যাস হৈছে; সকলোৰে প্ৰতিনিধিত্ব পোৱাৰ সুবিধা হৈছে। আজি এই উচ্চ সদনৰ প্ৰস্তাৱো এনে প্ৰতিনিধিত্ব দিয়াৰ ক্ষেত্ৰত এক বলিষ্ঠ পদক্ষেপ হব। আজি অসমৰ সামাজিক বিবৰ্ত্তনৰ সময়ত মোৰ দৃঢ় বিশ্বাস এই উচ্চ সদনত সকলো শ্ৰেণীয়ে প্ৰকৃত প্ৰতিনিধিত্ব পাব। সংবিধানত অনুসূচীত জাতি আৰু অনুসুচীত জনজাতীৰ কাৰণে সংৰক্ষনৰ ব্যৱস্থা আছে। কিন্তু অনুসূচীত জাতিৰ ভিতৰতে অসমত ১৬ টা সম্প্ৰদায় আছে। সেইদৰে বহু সংখ্যক জাতি, উপজাতি, অনুসূচীত জনজাতিৰ ভিতৰতো আছে আৰু ৪২ টা মান সম্প্ৰদায় অ, বি, চিৰ ভিতৰত আছে। আজি এনে বৃহৎ সংখ্যাৰ কাৰণে বহুতে প্ৰতিনিধিত্ব নোপোৱাৰ অভিযোগ উঠিছে। আজি আমাৰ এই বিধান সভাতে বিশিষ্ট জনগোষ্ঠী ডিমাছা সকলৰ মাত্ৰ এজন প্ৰতিনিধি, বাডা সকলৰ এজন প্ৰতিনিধি। আজি আমাৰ গণতান্ত্ৰিক ব্যৱস্থাত অনেকেই ৰাজনৈতিক স্থিতি বা নিজৰ সুবিধাৰ কাৰণে বা ন্যায্য স্বাৰ্থ ৰক্ষাৰ কাৰণে দাবী তুলিছে আৰু বৰ্তমানৰ প্ৰতিনিধিত্বৰ ক্ষেত্ৰত তাৰতম্য ঘটিছে বুলি অভিযোগ কৰিছে। এই উচ্চ সদনৰ ব্যৱস্থা হলে সকলো জনগোষ্ঠী ৰ লোকৰ ৰাজনৈতিক আশা আকাংখ্যা পূৰণ কৰিব পাৰিব। বিশেষকৈ ইয়াত ৰাজ্যপালৰ মনোনয়নৰ ব্যৱস্থা আছে। as recoverd under the provisions of Articles 169 of

the Constitution of India. এই উচ্চ সদনৰ প্ৰস্তাবৰ দ্বাৰা কোনো ধৰণৰ সাংবিধানিক সংঘাত নাহে। গতিকে আমাৰ এই সদনৰ সকলো প্ৰতিনিধিয়ে এই প্ৰস্তাৱত সমৰ্থন জনাব লাগে, কাৰণ এই উচ্চ সদনৰ দ্বাৰা সকলো জনগোষ্ঠীৰ আশা আকাংখ্যা. পূৰণৰ বাবে এক ঐতিহাসিক প্ৰয়োজনীয়তা আছে। এইখিনিকে কৈ এই প্ৰস্তাৱৰ প্ৰতি সমৰ্থন জনাই সামৰণি মাৰিলোঁ।

Shri Dewan Jainal Abedin : Mr. Speaker Sir, time may be extended. This is very crucial resolution which will tell upon the lives of the poor people of Assam. I share the concern of the Hon'ble Members and the concern of the Chief Minister expressed in the resolution. We must have representations from different religious, linguistic, cultural and ethnic group, as the Chief Minister has expressed his good intention. But then Sir, what is the history of the Upper House In India or for that matter outside the India? This Upper House has always been a House representing the upper stata of the society and this has always been representing the Upper Class people up to date of Independence. After that many of the States in the country have abolished the Upper House. Sir, Article 169 of the Constitution has not only provided for the creation but also provides for abolition of Upper House. Now, Sir, only 4 States in India namely, U. P. Bihar, Maharastra and Karnatak have Upper House now.

মাননীয় অধ্যক্ষ : সময় নাই, আপুনি বহক ..

Shri Dewan Jainal Abedin : Mr. Speaker Sir, Time may be

extended. This is a laxurious House. This will tell upon the lives of the poor people of the State.

Mr. Speaker : Time cannot be extended now. You please stop. Now, Chief Minister will speak.

★ **শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) :** মাননীয় অধ্যক্ষ মহোদয়, আজি উচ্চ সদন সম্পর্কে যিটো প্রস্তাৱ আগবঢ়াইছো, সেই সম্পর্কত সদস্যজনে উচ্চ সদনটো লেকজুৰি সদন হব বুলি কৈছে সেইটো ঠিক নহয়। ষ্টেট বুটেইনটো এনে ব্যৱস্থা আছে। (সদনত দেৱান জয়নাল আবেদিন আৰু শ্রীনজমুল হ'ক, এই দুজন সদস্যই চিঞৰি চিঞৰি কিবা কৈ থকাৰ বাবে শুনা পোৱা নগ'ল।)

(দেৱান জয়নাল আবেদিন আৰু নজমুল হক নিজৰ আসনৰ পৰা অধ্যক্ষৰ আসনৰ ওচৰলৈ উঠি আহে।)

★ **শ্রীপ্রফুল্ল কুমাৰ মহন্ত :** মাননীয় অধ্যক্ষ মহোদয়, যদি দৰকাৰ হয় কিছু সময় বঢ়াই দিয়া ভাল হব। এই প্রস্তাৱটোৰ কাৰণে মেজৰিটি থাকিলেই নহব। দুই তৃতীয়াংশ মেজৰিটি লাগিব। গতিকে সকলো দলকে কব দিলে ভাল হব।

Shri Dewan Joinal Abedin : Mr. Speaker Sir, You can pass this resolution on the basis of your brute majority. But you must allow us to speak. We have the right to put forward our arguments. You are going to pass the resolusion on the basis of your brute majority but its goes very much against the interest of the poor people of the State. In protest we are walking out.

(leaves the seat but not out of the House)

(continued argument in front of the Hon'ble Speaker)

Shri Nazmul Haque : Mr. Speaker Sir, You should allow us to put forward our agruments.

---

* Speech not corrected

★ শ্রীপ্রফুল্ল কুমার মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, প্রতিটো দলকে অলপ অলপ কবলৈ দিব লাগে। কি কি কথা প্রকাশ কবিব খুজিছে কবলৈ দিব লাগে। প্রয়োজন বোধে অলপ সময় বঢ়াই দিব লাগে।

মাননীয় অধ্যক্ষ : দহ মিনিট সময় বঢ়াই দিয়া হ'ল। আপুনি দুই তিনি মিনিটতে শেষ কবিব।

(সদন ১০ মিনিটৰ কাৰণে বঢ়াই দিয়ে)

Shri Dewan Joinal Abedin : Mr. Speaker Sir,I have not finished my speech. Pease allow me to put forward my views and arguments.

Mr Speaker Sir, as a student of Political Science I have to say something against creation of the Upper House (Legislative Council). This is a very expensive House and it is also very time consuming, it is luxurious for a poor state like Assam, Another argument against this Legislative Council is that it creates delay and it is said that it is only advisory in nature. It does not have any actual power. The actual power lies in the Lower House. In the Parliament the real power lies with the Lower House which is elected directly by the people. If that is the matter the body which is only advisory in nature does not really exercise any real power and which only creates delay and complicacy in the process of legislation. Therefore, we strongly oppose the passage of the Resolution.

Mr. Speaker : Please take your seat.

★ শ্রীজীউৰাম বড়ো : মাননীয় অধ্যক্ষ মহোদয়, মই প্রস্তাবটো সম্পূর্ণ সমর্থণ কবিছো। অসমৰ বিভিন্ন জনগোষ্ঠীক স্বায়ত্বশাসন দিছে

* Speech not corrected

যদিও যিবিলাক জনগোষ্ঠীৰ মানুহে কোনো দিনেই প্ৰতিনিধিত্ব পোৱা নাই সেই সকলক কিয় সুবিধা দিয়া নহব। গতিকে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনা প্ৰস্তাৱটো ধন্যবাদসহ মই সম্পূৰ্ণ ৰূপে সমৰ্থণ কৰিছো। আমাৰ ৰাজ্যত অৱহেলিত হৈ থকা জনগোষ্ঠীৰ প্ৰতিনিধিত্ব দিব পৰাকৈ যিটো আপাৰ হাউচত প্ৰস্তাৱ আনিছে সেইটো মই সমৰ্থণ জনাইছো।

★ শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয়, মাননীয় সদস্য জয়নাল আবেদিন চাহাবে আপাৰ হাউচ এৰিষ্টক্ৰেট বা বিশ্ব ক্লাচৰ কাৰণে বুলি কৈছে। আমাৰ আধুনিক পৃথিবীত যিবিলাক পার্লিয়ামেণ্ট আৰম্ভ হৈছিল তাত ৰাজনৈতিক ক্ষেত্ৰত জমিদাৰ সকলক হাউচত চীট এল'ট কৰিছিল। কিন্তু এতিয়া গ্ৰেট ব্ৰিটেইনতো বেছি ভাগেই লেবাৰ প্ৰতিনিধি। উইনষ্টন চাৰ্চিলক হাউচত আসন দিছিল যদিও নললে কিন্তু লেবাৰ পাৰ্টিৰ প্ৰাইম মিনিষ্টাৰ এটলিক আসন দিয়াত লৈছিল। দেখা যায় যে বহুত লেবাৰ বা সাধাৰণ শ্ৰেণীৰ লোক পার্লিয়ামেণ্টত আছে। কিন্তু ভাৰতবৰ্ষত এদাপ্ট হাউচ নাই। বেছিভাগেই ডেকা মানুহ। সংবিধানৰ ১৭১ ত নিৰ্দ্দিষ্ট কৰিছে কেনেকৈ প্ৰতিনিধিত্ব কৰিব। গৈগে ডাঙৰীয়াই কোৱা কথা সঁচা যে কেৱল পাচজন হলে কম হব। সেইটো সংশাধন কৰিব লাগিব। তেতিয়া ভাল হব। খৰচৰ কথা আছে, কিছু খৰচ থাকিলেও সেইটো বিয়াৰ কৰিব লাগিব। মূল উদ্দেশ্য হৈছে অসমৰ যিসকল জন জাতিৰ লোকৰ কাৰণে আমাৰ বিধান সভাত প্ৰতিনিধিত্ব কৰিবলৈ নাপায় সেই সকলক প্ৰতিনিধিত্ব কৰিবলৈ দিয়াৰ স্বাৰ্থত এই খৰচ যিনি বিয়াৰ কৰিব লাগিব। আমাৰ ৰাজ্য সভাত ফাইনানচিয়েল বিলৰ বাহিৰে আন বিলত অসুবিধা নাই। সেই ফালৰ বিলখন উত্থাপন কৰিছো আৰু আপাৰ হাউচৰ কাৰণে অনা এই প্ৰস্তাৱটো মাননীয় সদস্য সকলে সমৰ্থণ কৰিব বুলি আশা কৰো।

Mr. Speaker : I new put the Resolution before the House. The resolution is that— "Whereas, the State of

* Speech not corrected

Assam is composite in character having different culture, language religion and with various ethnic population.

Whereas, the peoples' Representation is a highest body will be adequately represented in the second Chamber from different sections of the population of Assam.

Whereas, it has become expedient to creat a Legislative Council in the State of Assam for fulfilling the peoples' aspirations.

Whereas, Dr. Bhupindra Singh Committee has also aptly recommended for creation of Legislative Council in the State to enable adequate representation of Communities and Tribes in the House where there is only a Legislative Assembly and

